ISSN 2349-8943

# সংস্কৃত সংস্কৃতিঃ

## বৈদিক সাহিত্য বিশেষ

অষ্টম সংখ্যা

সংস্কৃত বিভাগ

ডিব্ৰু মহাবিদ্যালয় ঃ ডিব্ৰুগড়

সম্পাদনা

অদিতি বৰুৱা

মধুমিতা গোস্বামী বৰঠাকুৰ

DIBRU COLLEGE
DIBRUGARH

LIBRARY

Class No. 891·2

Book No. SAN

Accession No. 155

# সংস্কৃত সংস্কৃতিঃ

## বৈদিক সাহিত্য বিশেষ

অষ্টম সংখ্যা

সংস্কৃত বিভাগ আৰু IQAC
ডিব্ৰু মহাবিদ্যালয় ঃ ডিব্ৰুগড়

155

সম্পাদনা

অদিতি বৰুৱা

মধুমিতা গোস্বামী বৰঠাকুৰ

**SANSKRIT SANSKRITIH,** a collection of essays edited by Sanskrit Department and published by Principal, Dibru College, Dibrugarh in collaboration with IQAC, Dibru College, Dibrugarh, Assam. Printed at Kaustubh Printers, Dibrugarh-3. 8th Publication : August 2014.

---

© Copyright reserved.

Price : ₹ 50.00 only.

**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| **মুখ্য উপদেষ্টা** | ঃ | ড° নগেন শইকীয়া |
| | | ড° অশোক কুমাৰ গোস্বামী |
| | | ড° ৰাজেন্দ্ৰ নাথ শৰ্মা |
| **মুখ্য উপদেষ্টা** | ঃ | ড° পৰেশ বৰুৱা |
| **সম্পাদিকা** | ঃ | অদিতি বৰুৱা |
| | | মধুমিতা গোস্বামী বৰঠাকুৰ |
| **সদস্য** | ঃ | নন্দিতা বৈশ্য |
| | | মনোজ কুমাৰ শৰ্মা |
| | | প্ৰণৱ পাল |
| | | সুনেত্ৰা বেনাৰ্জী |

**সংস্কৃত সংস্কৃতি ঃ** সংস্কৃত বিভাগ, ডিব্ৰু মহাবিদ্যালয়ৰ দ্বাৰা সম্পাদিত। IQAC ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়ৰ সহযোগত আৰু অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত।

**অষ্টম প্ৰকাশ ঃ** আগষ্ট, ২০১৪ খ্ৰীষ্টাব্দ।

© সৰ্বস্বত্ব সংৰক্ষিত।

**মূল্য ঃ ৫০.০০ টকা মাত্ৰ।**

মুদ্ৰক ঃ 'কৌস্তুভ প্ৰিণ্টাৰ্ছ, মিলন নগৰ, ডিব্ৰুগড় - ৩।



## উৰ্চগা

**'সংস্কৃত-সংস্কৃতিঃ'** অষ্টম সংখ্যাটি
প্ৰাচ্য তত্ত্ববিদ পণ্ডিত কৃষ্ণ কান্ত সন্দিকৈদেৱৰ
স্মৃতিত
উৰ্চগা কৰা
হ'ল।

KUMAR BHASKAR VARMA SANSKRIT AND ANCIENT STUDIES UNIVERSITY

NALBARI 781335, ASSAM, INDIA

*Prof. Dipak Kumar Sharma*
Vice Chancellor

Phone No. 03624-220153
E-mail: kbvsasun@rediffmail.com
dipaksharma2@rediffmail.com

Ref: NO. KBVS&ASU/VC-3/2013/23

Date: 26/07/2014



# Message

It is a pleasure to learn that the Dept. of Sanskrit, Dibru College, Dibrugarh, has been publishing a research oriented Journal entitled the 'SANSKṚTA-SANSKṚTIḤ' since a few years back. Indian culture, it is needless to say, owes its base to Sanskrit, which is a language upholding Indian wisdom shaping thereby a common ethos flowing through every person whether in this vast subcontinent or abroad. Continuous research activities on Sanskirit is therefore of utmost importance for illuminating so many yet to be unearthed facets of Indian culture. I believe, the journal will focus upon issues which require more systematic and intensive attention.

While congratulating the College management and the Editorial Board on this great academic venture, I wish success of the forthcoming volume of the SANSKṚTA-SANSKṚTIḤ

'Ā NO BHADRĀḤ KRATAVO YANTU VIŚVATAḤ'

26.07.2014

(Dipak Kumar Sharma)

# সূচী


■ অৱতৰণিকা ৭

■ ভাৰতীয় চিন্তা ঃ বৈদিক সাহিত্য ৯
✍ ড° নগেন শইকীয়া

■ নচিকেতাৰ উপাখ্যান ঃ তত্বকথা আৰু আনুষংগিক চিন্তা ২১
✍ মধুমিতা গোস্বামী বৰঠাকুৰ

■ "ঋগ্বেদৰ ধৰ্মনিৰপেক্ষ (Secular) সূক্ত" ২৯
✍ ড° জগদীশ শৰ্মা

■ পঞ্চমহাযজ্ঞৰ গুৰুত্ব ৩৫
✍ ড° অৰুন্ধতী গোস্বামী

■ উপনিষদত আত্মাতত্ত্ব ৩৯
✍ অদিতি বৰুৱা

■ **The Concept of Mental Health Found in the CARAKASAṀHITĀ and it's Importance in Modern Days** ৪৪
✍ Dr. Urmimala Bora

■ বেদ-ভাষ্যকাৰ ঃ মহৰ্ষি দয়ানন্দ আৰু নৈতিক শিক্ষাৰ প্ৰতি তেওঁৰ অৱদান ৫৩
✍ চন্দন হাজৰিকা

■ আত্মানং ৰথিনং বিদ্ধি ৬৭
✍ ৰূপম গগৈ

■ সুভাষিতানি


# অৱতৰণিকা

সংস্কৃত ভাষা ভাৰতীয় সংস্কৃতিৰ সঞ্জীৱনী সুধা স্বৰূপ। এই ভাষাতেই ভাৰতীয় দৰ্শন, কলা, সাহিত্য সকলোটি থূপ খাই আছে। এই ভাষাৰ স্মৰণ আৰু উচ্চাৰণৰ লগে লগেই মনলৈ আহে পৰম জ্ঞানৰ আকৰ বৈদিক সাহিত্যৰ কথা। ঋক্, সাম, যজুঃ আৰু অথৰ্ব এই চাৰিখন মূল বেদৰ লগতে ব্ৰাহ্মণ, আৰণ্যক,উপনিষদ, বেদাঙ্গ আদি বিভিন্ন বিষয়েৰে বৈদিক সাহিত্যৰ ভঁৰাল চহকী। যাগ-যজ্ঞ, নৈতিকতা, শিক্ষা, চিকিৎসা, বাস্তু,পৰিবেশ বিজ্ঞান আদিকে ধৰি অসংখ্য বিষয় বৈদিক সাহিত্যত নিহিত হৈ আছে। সেয়েহে সাম্প্ৰতিক কালতো এই সাহিত্যৰ প্ৰাসংগিকতা অপৰিহাৰ্য্য।

ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগে সংস্কৃত ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে কৰা প্ৰচেষ্টাৰ ফলশ্ৰুতি হৈছে 'সংস্কৃত সংস্কৃতিঃ'। এইবাৰৰ সংখ্যাটি 'বৈদিক সাহিত্য বিশেষ' হিচাপে প্ৰকাশ কৰিবলৈ মনস্থ কৰি আগবঢ়া হৈছিল। আমাৰ এই প্ৰচেষ্টাত ড° নগেন শইকীয়া, মধুমিতা গোস্বামী বৰঠাকুৰ, ড° জগদীশ শৰ্মা, ড° অৰুন্ধতী গোস্বামী, চন্দন হাজৰিকা, ড° উৰ্ম্মিমালা বৰা আৰু ছাত্ৰ ৰূপম গগৈয়ে তেখেতসকলৰ বহুমূলীয়া লিখনী প্ৰদানেৰে যি সহযোগিতা আগবঢ়ালে তাৰবাবে তেখেতসকলৰ ওচৰত ঋণী হৈ ৰলোঁ । কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতাত্ত্বিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মাদেৱে অতি ব্যস্ততাৰ মাজতো আমাৰ অনুৰোধ মৰ্মে পঠোৱা শুভেচ্ছা বাণীৰ বাবে তেখেতলৈ সম্পাদনাৰ মেজৰ পৰা আন্তৰিক কৃতজ্ঞতা যাছিলোঁ। তদুপৰি এইবাৰৰ পৰা এই সংকলনটিৰ বিদ্যায়তনিক মূল্যায়নৰ বাবেও প্ৰচেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত বিভিন্ন পৰামৰ্শেৰে আমাক সহযোগিতা কৰা ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৰেশ বৰুৱা, অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি ড° নগেন শইকীয়া, সংস্কৃত সাহিত্যৰ গৱেষক তথা পণ্ডিত ড° অশোক কুমাৰ

গোস্বামী, আৰু ড° ৰাজেন্দ্ৰ নাথ শৰ্মা দেৱৰ লগতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাস, সম্পাদনা সমিতিৰ সদস্য ক্ৰমে মধুমিতা গোস্বামী বৰঠাকুৰ, নন্দিতা বৈশ্য, মনোজ কুমাৰ শৰ্মা, প্ৰণৱ পাল আৰু সুনেত্ৰা বেনাৰ্জী লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। সংকলনটি প্ৰকাশৰ ক্ষেত্ৰত আৰ্থিক সহযোগিতা আগবঢ়োৱাৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ IQAC আৰু সময়মতে প্ৰকাশযোগ্য কৰি তোলা বাবে কৌস্তুভ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী গায়ত্ৰী বৰুৱা আৰু কৰ্মকৰ্তাসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আশা কৰিছোঁ সংস্কৃতানুৰাগী সুধীসকলে এই সংকলনটি আদৰি ল'ব।

জয়তু সুৰভাৰতী।
জয়তু ডিব্ৰু মহাবিদ্যালয়।

অদিতি বৰুৱা
মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ,
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়।

# ভাৰতীয় চিন্তা ঃ বৈদিক সাহিত্য

ড° নগেন শইকীয়া

প্ৰাচীন ভাৰতীয় সাহিত্য বুলি ক'লেই প্ৰথমতে আহে বৈদিক সাহিত্যৰ কথাই। বৈদিক সাহিত্য বুলি ক'লে ইয়াৰ সীমা কেৱল ঋক, যজুঃ, সাম আৰু অথৰ্ব এই চাৰিটি নামৰ ভিতৰতেই সীমাবদ্ধ হৈ নাথাকে। বৈদিক সাহিত্য বুলি ক'লে ব্ৰাহ্মণ, উপনিষদসমূহ আৰু আৰণ্যক এইকেইটি শাখাও ইয়াৰ ভিতৰত পৰে। ইয়াৰ উপৰিও শ্ৰৌতসূত্ৰ আৰু গৃহ্যসূত্ৰ নামে আৰু দুই সূত্ৰ এই বৃত্তৰ ভিতৰত পৰে। শ্ৰৌত্ৰসূত্ৰত আছে বেদে নিৰ্দেশ কৰা যাগযজ্ঞাদিৰ পালনীয় নীতিসমূহ আৰু গৃহ্যসূত্ৰত আছে গৃহস্থই দৈনিক পালন কৰিবলগীয়া সংস্কাৰৰ নিয়মসমূহ। শ্ৰৌত্ৰসূত্ৰ আৰু গৃহ্যসূত্ৰক শ্ৰৌত্ৰকল্প আৰু গৃহ্যকল্প বুলিও কোৱা হয়। জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন সংস্কাৰৰ উপৰিও দৈনিক জীৱনযাত্ৰাত পালন কৰিবলগীয়া নিয়মসমূহ গৃহ্যসূত্ৰই ধৰি ৰাখিছে। ইয়াৰ পিছত আছে বৈদিক সাহিত্যৰ আনটো ভাগ বেদাংগ। বেদাংগ ছয় প্ৰকাৰৰ– শিক্ষা, কল্প, ব্যাকৰণ, ছন্দ, নিৰুক্ত (শব্দকোষ বা অভিধান) আৰু জ্যোতিষ। বেদৰ মন্ত্ৰ শুনি তাৰ অৰ্থ বুজিবৰ বাবে এই ছয় বেদাংগৰ শিক্ষাও আছিল অপৰিহাৰ্য।

বেদ শব্দটো বিদ্ ধাতুৰ পৰা ওলোৱা বুলি কোৱা হৈছে। বিদ্ অৰ্থাৎ বিদ্যা বা জ্ঞান। কিন্তু ব্যৱহাৰিক বিদ্যাৰ লগত বেদৰ মন্ত্ৰক সম্পূৰ্ণ একাকাৰ কৰিব নোৱাৰি। অনেক পণ্ডিতে ভাবে যে বেদ সঞ্চিত হৈ অহা জ্ঞান। সঞ্চিত শব্দটো ব্যৱহাৰৰ কৰাৰ লগে লগেই আগৰেপৰা এনে জ্ঞান গোট খাই থকাৰ ইংগিত ফুটি উঠে। আগৰে পৰা বুলি ক'লে কিমান আগৰ পৰা বুজা যাব?

ঋক বেদেই হ'ল প্ৰাচীনতম বেদ। পণ্ডিতসকলে অনুমান কৰে যে, পূৰ্বৰপৰা ৰচিত হৈ অহা এই বেদৰ সূক্ত অৰ্থাৎ ভাল বচন বা বাণী বা কথাসমূহ একেলগে সংকলন কৰা ৰূপ সংহিতা নামেৰে পৰিচিত হয়। সংহিতা সংকলনৰ সময় খ্ৰীষ্টপূৰ্ব ১০০০ অব্দ বুলি ধৰা হয়। অৱেশ্যে এই সময়টো অনুমান কৰা

সময়হে। ইয়াতকৈ আগতো সংহিতা অৰ্থাৎ ঋক বেদৰ সংকলন কাৰ্য হ'ব পাৰে। মেক্সমুলাৰে খ্ৰীষ্টপূৰ্ব এহেজাৰ বছৰ আগতে ই সম্পূৰ্ণ হৈছে বুলি কৈছে। আনহাতে বাল গংগাধৰ তিলকে ঋকবেদৰ ৰচনা কাল ছহেজাৰ খ্ৰীষ্টপূৰ্বাব্দত হোৱা বুলি ভাবে। পণ্ডিত জেকবিয়ে খ্ৰীষ্টপূৰ্ব ৪৫০৪ বছৰ বুলি অনুমান কৰে। উইণ্টাৰনিৎজে দুহেজাৰ বা দুহেজাৰ পাঁচশ খ্ৰীষ্টপূৰ্বৰ আগতে বেদ ৰচিত হয় বুলি আৰু খ্ৰীষ্টপূৰ্ব সাতশ পঞ্চাশৰ পৰা পাঁচশ খ্ৰীষ্টপূৰ্বৰ ভিতৰত বৈদিক সাহিত্যৰ ৰচনা সম্পূৰ্ণ হয় বুলি অনুমান কৰিছে। এতেকে বেদ ৰচনাৰ আৰম্ভণি কেতিয়া হ'ল তাক নিশ্চিতভাৱে কোৱা সম্ভৱ নহয়। কিন্তু খ্ৰীষ্টপূৰ্ব এহেজাৰ বছৰ আগতে যে হৈছিল সেই সম্পৰ্কে সন্দেহ নাই।

বেদ খ্ৰীষ্টপূৰ্ব এহেজাৰ বছৰ আগতে ৰচিত হৈছিল ঠিকেই, কিন্তু তেতিয়ালৈকে বেদে সংকলিত সংহিতা ৰূপ পোৱা নাছিল। তাৰ প্ৰধান কাৰণ হ'ল তেতিয়ালৈকে বৰ্ণমালা সৃষ্টি হৈছিল ঠিকেই, কিন্তু লিপি সৃষ্টি হোৱা নাছিল। সেইবাবেই বেদৰ মন্ত্ৰসমূহ বেদাধ্যায়ীসকলে শুনি শুনি মনত ৰাখিবলগীয়া হৈছিল। কাণেৰে শুনি শুনি শিকাৰ বাবে বেদৰ আন এটা নাম হ'ল শ্ৰুতি। মনত ৰখা কাৰ্যক কোৱা হৈছিল স্মৃতি। অৱশ্যে পিছত স্মৃতিশাস্ত্ৰ বেলেগে প্ৰণীত হৈছিল আৰু তাৰ পৰা স্মাৰ্ত শব্দটো ওলাইছে।

প্ৰথম অৱস্থাত লিপি নথকাৰ বাবে বৰ্ণসমূহ শুদ্ধভাৱে উচ্চাৰণ কৰি মনত ৰাখিবৰ নিমিত্তে বেদ আঠ প্ৰকাৰে শিকিব আৰু মুখস্থ কৰিবলগা হৈছে। মুখস্থ কৰাৰ উপায়সমূহক পাঠ বুলি কোৱা হৈছিল। পাঠ বুলি ক'লে পদপাঠকে সাধাৰণতে বুজোৱা হৈছিল। পদপাঠত পদৰ সন্ধি আৰু সমাস ভাঙি, আনকি পদৰ বিভক্তি অংশও পদৰ পৰা বেলেগ কৰি লৈ শিকিবলগীয়া হৈছিল। বেদ পাঠৰ আঠোটা নিয়ম কৰি লোৱা হৈছিল। জটাপাঠ, মালাপাঠ, শিখাপাঠ, ৰেখাপাঠ, ধ্বজপাঠ, দ্বন্দ্বপাঠ, ৰথপাঠ আৰু ঘনপাঠ। মনকৰিবলগীয়া যে প্ৰত্যেকখন সংহিতাৰ একোখন অনুক্ৰমণি-গ্ৰন্থ আছে। এই গ্ৰন্থত প্ৰত্যেক সংহিতাৰ মন্ত্ৰসমূহত উল্লিখিত দেৱতা, মন্ত্ৰৰ ছন্দ, মন্ত্ৰ ৰচনাকৰা ঋষিৰ নাম আৰু যজ্ঞত কৰিবলগীয়া কামৰ নিৰ্দেশাৱলী সন্নিৱিষ্ট হৈছে। এতেকে বৈদিক সাহিত্য বুলি ক'লে সংহিতা, ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক, কল্পসূত্ৰ, বেদাংগ, পদপাঠ, অষ্টপাঠ আৰু অনুক্ৰমণি এই সকলোবোৰ বিষয় তাৰ মাজত সোমায়। এই সুবিশাল বৈদিক সাহিত্য ৰচিত হ'বলৈ কমেও এহেজাৰমান বছৰৰ নিশ্চয় প্ৰয়োজন হৈছিল।



বেদক অপৌৰুষেয় অৰ্থাৎ কোনো বিশেষ ব্যক্তিয়ে ৰচনা কৰা নহয় বুলি কোৱা হয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে এই মন্ত্ৰসমূহ ৰচনাৰ আঁৰত কোনো নাছিল। যিসকল ঋষিয়ে এই মন্ত্ৰসমূহ প্ৰথমতে ৰচনা কৰিছিল তেওঁবিলাকে নিজৰ নাম সংযোগ কৰা নাছিল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, ঋষিসকলক মন্ত্ৰদ্ৰষ্টা বুলি কোৱা হয়। তেওঁলোকে অন্তৰ্জ্ঞানেৰে যি সত্য দেখা পায়, সেই সত্যকে মন্ত্ৰৰূপত দাঙি ধৰে। সেইবাবে সাধাৰণতে ঋষিসকলক 'সত্যদ্ৰষ্টা আৰু মন্ত্ৰদ্ৰষ্টা' বুলিও কোৱা হয়। ঋষি সেইসকলেই যিসকলৰ দৃষ্টিত কোনো প্ৰমাদ অৰ্থাৎ ভুল নাই। এনে প্ৰমাদহীন, অন্তৰ্জ্ঞানলব্ধ সত্যই হ'ল বেদৰ মন্ত্ৰৰ আধাৰ। এতেকে, ঋষিত্ব প্ৰাপ্তি নঘটিলে কোনেও মন্ত্ৰ ৰচনা কৰিব নোৱাৰে। অৰ্থাৎ অন্তৰ্জ্ঞানদৃষ্টি নথকাজনক ঋষি বুলিব নোৱাৰি। এষাৰ কথা আছে, 'না ঋষি কুৰুতে স্তোত্ৰম্'।

ঋক শব্দৰ অৰ্থ হ'ল অৰ্চনা শ্লোক। এনে ঋক ৰচনা কৰিব পৰা সকলেই ঋষি। অৰ্থাৎ বেদৰ ঋষিসকলে কিন্তু বেদমন্ত্ৰত নিজৰ নাম দিয়া নাছিল। নাৰী ঋষি হিচাপে ঋকবেদৰ উল্লেখযোগ্য ঋক ৰচোঁতা হ'ল অপালা। অপালাই ইন্দ্ৰক উদ্দেশ্য কৰি ৰচনা কৰা ঋকটোত নিজৰ নামৰ উল্লেখ আছে। বেদৰ মন্ত্ৰসমূহ তথা সূক্তসমূহ সংকলন কৰিবৰ সময়তহে সূক্তসমূহৰ ৰচয়িতাৰ নাম বাছনি কৰি যুক্ত কৰা হৈছে। কেৱল যে পুৰুষঋষিৰ নামেই সংযুক্ত হৈছিল এনে নহয়, নাৰীঋষিৰ নামো সংযুক্ত হৈছিল। তদুপৰি, বেদৰ মন্ত্ৰ যে কেৱল ব্ৰাহ্মণেহে ৰচনা কৰিছিল এনেও নহয়। অন্তৰ্দৃষ্টিৰে সত্য দৰ্শন কৰি যি মন্ত্ৰ ৰচনা কৰাৰ প্ৰতিভা ধাৰণ কৰিছিল তেৱেঁই মন্ত্ৰ ৰচনা কৰিব পাৰিছিল।

বেদ লিখিত আৰু সংকলিত হোৱাৰ সময় যে লিপি আৱিষ্কাৰৰ পিছত হৈছে সেই কথা অনুমান কৰিব পাৰি। লিপি আৱিষ্কাৰ হোৱাৰ আগতে বেদাংগও সৃষ্টি হৈছিল। বেদাংগৰ ভিতৰত ব্যাকৰণো পৰে। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাতে পাণিনিয়ে অষ্টাধ্যায়ী ৰচনা কৰিলেও আৰু অষ্টাধ্যায়ীত প্ৰসংগক্ৰমে আৰু উদাহৰণস্বৰূপে আনগ্ৰন্থৰ উল্লেখ থাকিলেও তেতিয়াও লিপি গঢ় লৈ উঠিছিল নে নাই সঠিক কৈ কোৱা টান। কাৰণ, ভাৰতীয় লিপিৰ আৰম্ভণি কালৰ আৰ্হি হ'ল অশোক-লিপি। মহাৰাজ অশোকে তেওঁৰ আদেশসমূহ শিলত কটাই ৰাজহুৱা কৰিছিল। অশোকৰ কাল খ্ৰীষ্টপূৰ্ব তৃতীয় চতুৰ্থ শতিকা। এতেকে পাণিনিৰ অষ্টাধ্যায়ী যিহেতু অশোকৰ আগৰ সেইবাবে স্বাভাৱিকতে তেতিয়ালৈকে ভাৰতীয় ব্ৰাহ্মী লিপিয়ে গঢ় লৈছিল বুলি কোৱা টান। প্ৰসংগক্ৰমে উল্লেখযোগ্য

পাণিনিৰ আগতো শাকটায়ন, সেনক, গালৱ, গাৰ্গ্য, আপিশলি, কাশ্যপ, স্ফোটায়ন আদি বৈয়াকৰণে বৈদিক ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল যদিও পাণিনিৰ অষ্টাধ্যায়ীয়ে বৈদিক আৰ্যভাষাৰ বিকাৰ ঘটিব নোৱৰাকৈ গড় মাৰি দিলে। পাণিনিয়ে এনেভাৱে সংস্কাৰ সাধন কৰাৰ বাবেই এই ভাষাই সংস্কৃত ৰূপ লাভ কৰিলে। লাহে লাহে বৈদিক আৰ্যভাষাৰ সলনি পৰৱৰ্তী কালত সংস্কৃত ভাষা এই নামেই পৰিচিত হৈ পৰিল। পাণিনিৰ অষ্টাধ্যায়ীৰ পাছত পতঞ্জলিয়ে মহাভাষ্য ৰচনা কৰি সংস্কাৰৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰি তুলিলে। পতঞ্জলিৰ সময় খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকা বুলি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে।

সাহিত্যৰ চাৰিটা প্ৰধান উপাদান হ'ল—ভাব, বিষয়, ৰূপ আৰু আৱেদন। বৈদিক সাহিত্যৰ ভাববস্তু বিশ্ব প্ৰকৃতিৰ ইন্দ্ৰিয় গ্ৰাহ্য শক্তিসমূহৰ যোগেদি ক্ৰমাৎ এই বিশ্বজগতৰ সৃষ্টিশক্তিৰ ওচৰ চাপিবলৈ কৰা প্ৰয়াসৰ আধাৰত থিয় হৈ আছে। ঋষিসকলে সেই শক্তিসমূহক বিভিন্ন নামেৰে নামকৰণ কৰিছে। ঋকবেদত প্ৰধান শক্তিস্বৰূপে চিহ্নিত হৈ আছে সূৰ্য্য, অগ্নি আৰু বায়ু আৰু বৰুণৰ দেৱতা ইন্দ্ৰ। ইয়াৰ উপৰিও প্ৰত্যেকৰে দহোটাকৈ ৰূপ আৰু গুণৰ প্ৰতিনিধিত্ব কৰা ত্ৰিশজন দেৱাত কল্পিত হ'ল। ঋকবেদত সেয়ে দেৱতাৰ সংখ্যা হ'ল তেত্ৰিছ জন। এই দেৱতাসকল প্ৰকৃতিৰ দৰাচলতে একো একোটি শক্তি। অন্তৰ্দৃষ্টিৰে এই শক্তিবিলাকৰ ৰূপ গুণ আৰু ক্ষমতা অনুভৱ কৰি এই শক্তিসমূহক একোএকোটি ব্যক্তিত্বলৈ ৰূপান্তৰ কৰিলে। এই শক্তিসমূহক প্ৰশংসা কৰি আৰু শক্তিসমূহৰ পৰা বাঞ্ছিত কোনো বিষয় প্ৰাৰ্থনা কৰি ৰচনা কৰা মন্ত্ৰসমূহ বেদৰ একো একোটি সূক্তলৈ ৰূপান্তৰিত হ'ল। দৰাচলতে বেদৰ সূক্তসমূহ একোএকোটি কবিতা; তাৰ মাজত ফুটি উঠিছে প্ৰশংসা আৰু প্ৰাৰ্থনা। এই প্ৰশংসা আৰু প্ৰাৰ্থনাই যিবোৰ আধাৰ, উপমা, অলংকাৰ, গ্ৰহণ কৰিছে এই বিলাকে প্ৰতিটো সূক্তকে কাব্যৰূপ দান কৰিছে। তদুপৰি, পৰৱৰ্তীকালত বেদৰ কাব্যভাবনাৰ আধাৰত সংস্কৃত ভাষাত কাব্য আৰু নাটক ৰচিত হোৱাৰ উদাহৰণো আছে। প্ৰসংগক্ৰমে 'পুৰুৰবা-উৰ্বশী'ৰ কাহিনীটোলৈ আঙুলিয়াব পাৰি। ঋকটোত বৰ্ণনা কৰিছে যে কিছুদিন পুৰুৰবাৰ পত্নী হৈ থকা উৰ্বশী নিজৰ ঠাইলৈ যেতিয়া গুচি যাব খুজিছে পুৰুৰবাই তেওঁৰ পিছে পিছে গৈ তেওঁক ঘূৰাই আনিবলৈ যত্ন কৰিছে; কিন্তু উৰ্বশী শেষ পৰ্যন্ত ঘূৰি নাহিল। এই সূক্তটোৰ মাজত লুকাই থকা সত্য হ'ল অপসৃয়মান উৰ্বশী যেন সময়ৰ প্ৰতীক। আনহাতে ইয়াৰ মাজত ফুটি উঠিছে প্ৰেম, বিৰহ, আকাংক্ষা, উদ্বিগ্নতাৰ এক চিৰন্তন ছবি। পৰৱৰ্তীকালত



কালিদাসে ৰচনা কৰা বিক্ৰমোৰ্বসীয়ম নাটকৰ বীজ এই সূক্তৰ মাজতেই সোমাই আছে।

ঋকবেদকৰ কবিতাই অনেক আখ্যান আৰু দেৱ-দেৱতাৰো সৃষ্টিৰ বীজ ধৰি ৰাখিছে। উদাহৰণস্বৰূপে দুৰ্গা, সৰস্বতী আদি দেৱীলৈ আঙুলিয়াব পাৰি। সংস্কৃত ভাষাত সূৰ্যৰ প্ৰায় পঞ্চাছটা মান নাম আছে। সময়, গুণ আৰু ৰূপৰ ভিত্তিত এনে নামবোৰ সৃষ্টি কৰা হৈছিল। ঋকবেদত সূৰ্য, অগ্নি আৰু ইন্দ্ৰই যে প্ৰধান দেৱতা সেই কথা কৈ অহা হৈছে। দোকমোকালিৰ, তেতিয়াও উদয় নোহোৱা অথচ চৌদিশ পোহৰ কৰি তোলা সূৰ্যৰ নাম হ'ল ঊষা। প্ৰথম দেখাদিয়া সূৰ্যৰ নাম হ'ল সৱিতা। ৰাতিপুৱাৰ এই সৱিতাক হিৰণাক্ষ্য, হিৰণ্যপাণি, হিৰণ্যহস্তৰূপে কল্পনা কৰি দশভূজা বুলিও কোৱা হয়। এটা ঋকত আছে—

ইয়ং যা নীচী অৰ্কিণীৰূপা ৰোহিণ্যা কৃতা।
চিত্ৰেৱ প্ৰত্যদৰ্শ্যায়তী অন্তৰ্দশসু বাহুষু।।

অৰ্থ হ'ল এই যে তললৈ নামি অহা কিৰণময় ৰোহিণীয়ে ৰূপদান কৰিছে, তেওঁ দহবাহু প্ৰসাৰ কৰি প্ৰতিমাৰ দৰে আহি দেখা দিলেহি। সূৰ্যোদয়ৰ এই প্ৰথমৰূপটোৱে দহখন হাতেৰে যেন দহোদিশৰ সকলো অন্ধকাৰ দূৰ কৰিলেহি। সৱিতাৰ এই ৰূপটো হ'ল যেন অন্ধকাৰ আৰু দুৰ্গতিনাশিনীৰূপ। সৱিতাৰ এই ৰূপৰ প্ৰতি প্ৰশংসা কৰি ৰচনা কৰা মন্ত্ৰটোৱেই হ'ল গায়ত্ৰী মন্ত্ৰ—

ওম্ ভূৰ্ভূবঃ স্বঃ
তৎ সবিতুৰ্বৰেণ্যম্
ভৰ্গো দেৱস্য ধীমহি
ধিয়ো য়ো নঃ প্ৰচোদয়াৎ ।

এই গায়ত্ৰী মন্ত্ৰ বীজমন্ত্ৰস্বৰূপে ব্যৱহৃত হ'বলৈ ধৰিলে। বীজমন্ত্ৰ আন কোনেও শুনিব নোৱৰাকৈ মনৰ ভিতৰতে গাব লাগে। কিশোৰক উপনয়ন দিওৱাৰ পিছৰ পৰা এই গায়ত্ৰী মন্ত্ৰ প্ৰত্যেক দিনেই নিয়মিতভাৱে আনে নুশুনাকৈ জপ কৰিবলৈ দীক্ষা আৰু শিক্ষা দিয়া হয়।

পূৰ্বে যাতায়াত সুগম নোহোৱাৰ বাবে ঘৰৰপৰা দূৰলৈ গ'লে সূৰ্য থাকোঁতেই যাতে ঘূৰি আহি পায়হি তাৰ বাবে দুৰ্গতিনাশিনী সৱিতাক প্ৰাৰ্থনা কৰি ঘৰৰপৰা যাত্ৰা আৰম্ভ কৰিছিল। পুৱাৰ সূৰ্য যিহেতু কোমল হৈ থাকে সেইবাবে পুৱাৰ সূৰ্যক নাৰীৰূপত কল্পনা কৰা হৈছে। এই সূক্তৰ ভিত্তিতে পৰৱৰ্তীকালত দশভূজা দুৰ্গাদেৱীক কল্পনা কৰি উলিওৱা হ'ল। দুৰ্গাক লৈ

বিভিন্ন আখ্যান সৃষ্টি কৰা হ'ল। দেখা গ'ল বিভিন্ন ভাব আৰু ৰসৰ সৃষ্টি হ'ল যদিও তাৰ মাজত কাব্যসত্যৰ একপ্ৰকাৰ বিকাৰ সাধিত হ'ল। মানুহে পৰৱৰ্তীকালত এই আখ্যানসমূহৰ সাহিত্যৰস পান কৰাৰ পৰিৱৰ্তে সত্য কাহিনীস্বৰূপে গ্ৰহণ কৰা দেখা গ'ল। কল্পনাৰে সৃষ্টি কৰা দেৱ-দেৱতাক পূজা কৰিবৰ বাবে নতুন মন্ত্ৰ আৰু শাস্ত্ৰ প্ৰণীত হ'ল।

মন কৰিবলগীয়া কথা যে বিশেষকৈ দেৱীৰ কল্পনাৰ লগত যিদৰে সূৰ্যৰ পুত্ৰৰ ৰ'দ জড়িত ঠিক তেনেকৈ দেৱীৰ কল্পনাৰ লগত নদী বা জলধাৰাও জড়িত। তাৰ অন্যতম উদাহৰণ হ'ল সৰস্বতীদেৱীৰ আৰু বাকদেৱীৰ কল্পনা। সৰস্বতী নদী আছিল এখন ডাঙৰ নদী। আৰ্য ঋষিসকলে আহি যেতিয়া এই বিশাল নদী দেখা পালে তেওঁবিলাকৰ মুখৰ পৰা ওলাল এইয়া দেখোন সৰস্বতী। সৰস শব্দটোৰ অৰ্থই হ'ল পানী। ৱতী শব্দই ধাৰণকাৰিণীক বুজায়। অৰ্থাৎ জলধাৰা মানেই সৰস্বতী। এই সৰস্বতীৰ পাৰতে আৰ্য সভ্যতা আৰু সংস্কৃতিয়ে বিকাশ লাভ কৰিছিল। সেইবাবে সৰস্বতীৰ পৰা আঁতৰি যোৱাটো বৈদিক কবিয়ে নিৰ্বাসন জ্ঞান কৰিছিল। ঋকবেদৰ ষষ্ঠ মণ্ডলত থকা এটা সূক্তত এনেধৰণৰে সৰস্বতীক প্ৰাৰ্থনা কৰিছিল-

সৰস্বতি অভি নো নেষি বস্যো
মাপ স্ফৰীঃ মা ন আ ধক্।
জুষস্ব নঃ সখ্যা বেশ্যা চ
মা ত্বৎ ক্ষেত্ৰাণি অৰণানি গন্ম।।

অৰ্থাৎ হে সৰস্বতী, আমাৰ ওচৰলৈ অধিক ভাল আনি দিয়াঁ। দূৰলৈ নাযাবাঁ, আমাক ধ্বংসৰ মুখলৈ ঠেলি নিদিবাঁ। আমাক বন্ধুত্ব দিয়াঁ, স্থায়ী বসতি দিয়াঁ, তুমি সুখী হোৱাঁ। আমি যেন তোমাৰ পৰা দূৰলৈ মৰুভূমি সদৃশ ঠাইলৈ যাব নালাগে।

মন কৰিবলগীয়া যে এই সূক্তটোৰ আধাৰতে বেদৰ পৰৱৰ্তী কালৰ আন এজন অনামী কবিয়ে এই নদী সৰস্বতীৰ এটি মূৰ্তি কল্পনা কৰিলে। সেইটোও কবিতাই আছিল। সেই সৰস্বতী সম্পূৰ্ণ শুক্ল অৰ্থাৎ বগা-'সৰ্বশুক্লা সৰস্বতী'। সৰস্বতীৰ চুলিও বগা, চকুৰ মণিও বগা। সেই সৰস্বতী হেলনীয়াকৈ বহি থকাৰ বৰ্ণনা আছে। সৰস্বতীৰ হাতত আছে বীণা। সৰস্বতীৰ বাহন হ'ল এটা বগা ৰাজহাঁহ। সৰস্বতীৰ বৰণ বগা, কাৰণ পানীৰ কোনো ৰং নাই। সৰস্বতীৰ অৱস্থান হেলনীয়া, কাৰণ নদীৰ গতি সদায় ওপৰৰ পৰা তললৈ বৈ আহে। সৰস্বতী



বীণাবাদিনী, কাৰণ তেওঁৰ লগত ঋকবেদৰ বাকদেৱীৰো ৰূপ একাকাৰ কৰি লোৱা হৈছে। শব্দ আৰু ধ্বনিৰ দেৱীস্বৰূপে তেওঁক কল্পনা কৰাৰ আঁৰত বৈদিক সূক্ত আৰু সাম গীতকে ধৰি শব্দ আৰু ধ্বনিৰ সম্পৰ্ক আছে। ৰাজহাঁহ হ'ল আত্মাৰ প্ৰতীক। ৰাজহাঁহ ভ্ৰমণকাৰী পক্ষী, এঠাইৰ পৰা আহি আন ঠাইত থাকি আকৌ নিজৰ পুৰণি ঠাইলৈ ঘূৰি যায়। মানুহৰ আত্মাও পৰাত্মাৰ পৰা সৃষ্টি হৈ আহি কিছুদিন থকাৰ পিছত পুনৰ পৰমাত্মাত বিলীন হয়। সেইবাবে ৰাজহাঁহক আত্মাৰ লগত তুলনা কৰা হয়। কবিয়ে কৈছে যে মোৰ আত্মাস্বৰূপ ৰাজহাঁহে তোমাৰ স্মৃতি কঢ়িয়াই লৈ আনিছে। সেইবাবেই পৰৱৰ্তীকালৰ সেই কবিতাত ৰাজহাঁহক সৰস্বতীৰ বাহনস্বৰূপে দাঙি ধৰিছে। এই কাব্যভাবনাও পুৰাণৰ যুগত অনেক কল্পিত কাহিনীৰ জালৰ মাজত হেৰাই যাবলৈ ধৰিলে আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীস্বৰূপে সৰস্বতী পূজিতা হ'বলৈ ধৰিলে।

ঋকবেদৰ অনেক সূক্ত এনেভাৱেই বেদ-পৰৱৰ্তী কালত অনেক কল্পিত দেৱ-দেৱীৰ আৰু কাহিনীৰ উৎসস্বৰূপে ব্যৱহৃত হ'ল। বেদত অৰ্চিত প্ৰকৃতিৰ শক্তিৰ আধাৰত কল্পিত দেৱতাক অনেক সূক্তত যিদৰে প্ৰশংসা কৰিছে, আন কিছুমান সূক্তত তেনেকৈ আৱশ্যকীয় বিষয়ৰ বাবে প্ৰাৰ্থনা কৰিছে। প্ৰশংসা আৰু প্ৰাৰ্থনাৰ ভাব বিভিন্নভাৱে ফুটি উঠিছে। কিন্তু এই দেৱতাসকলৰ ভিতৰত অগ্নিৰ বাহিৰে আনকোনো দেৱতাক ধৰি ৰাখিব নোৱাৰি। সেইবাবে অগ্নিক সকলো দেৱতাৰ মুখ হিচাপে গণ্য কৰা হ'ল। দেৱতাসকলক সন্তুষ্ট কৰিবলৈ যাগ-যজ্ঞাদিৰ আয়োজন কৰি দেৱতাসকলৰ নামত অগ্নিত ঘিউ দান কৰাৰ প্ৰথা প্ৰচলিত হ'ল। সাংস্কৃতিক নৃতত্ত্বই এই কথাও কয় যে জুইত ঘিউ ঢালি যজ্ঞৰ জুই জ্বলাই ৰখাৰ প্ৰথাটোৰ জন্মৰ বীজ সোমাই আছিল আদিম অৰণ্যবাসী মানুহৰ কৰ্মৰ মাজতে। দলবান্ধি থকা অৰণ্যবাসী মানুহে চিকাৰ কৰি মাৰি অনা জন্তু হাবিত জুই ধৰি পুৰিছিল আৰু চাৰিওফালে গোট খাই পোৰা মাংস খাই নাচিছিল, নাইবা বিভিন্ন ধ্বনি কৰি মনৰ আনন্দ প্ৰকাশ কৰিছিল। এনেভাৱে মৰা জন্তুটোৰ চৰ্বি জুইত ঢালি দি জুইকুৰা জ্বলাই ৰাখিছিল। আদিম মানুহে এনেভাৱে জন্তুৰ চৰ্বি ঢালি জুই জ্বলাই ৰখাৰ প্ৰথাটোৰেই কেইবাহাজাৰো বছৰৰ পিছত হোমত ঘিউ ঢালি জুই জ্বলাই ৰখাৰ পদ্ধতিলৈ পৰিৱৰ্তিত হ'ল বুলি অনুমিত হয়।

যজ্ঞক প্ৰধান কৰ্ম বুলি জ্ঞান কৰা হৈছিল। শুদ্ধ আৰু সঠিকভাৱে মন্ত্ৰ উচ্চাৰণ কৰি যজ্ঞত আহুতি দিলে সংশ্লিষ্ট দেৱতা সন্তুষ্ট হয় বুলি কৰা ধাৰণা

এতিয়াও নাইকিয়া হোৱা নাই। বৰং বহুক্ষেত্ৰত এনে কৰ্মই প্ৰসাৰ লাভ কৰা দেখা গৈছে।

এনেবোৰ কৰ্মৰ আয়োজন হৈ থাকিলেও বৈদিক ঋষিসকলে সত্যৰ অন্বেষণ কৰি গৈছিল আৰু শেহলৈ তেওঁবিলাকে এক অদৃশ্য পুৰুষৰ সৰ্বব্যাপী অস্তিত্ব অন্তৰ্দৃষ্টিৰে দেখা পাইছিল। ঋকবেদৰ দশম মণ্ডলত এই অন্বেষণে শীৰ্ষবিন্দু পাইছিলগৈ। তেওঁলোকে এই শক্তিক হিৰণ্যগৰ্ভ বা 'ক' বুলি উল্লেখ কৰিছে। তাৰ উপৰি বেদতেই প্ৰথম বিশ্বৰ সকলোৰে মাজত এই অদৃশ্য শক্তিৰ অৱস্থিতি অনুভৱ কৰি সকলোকে সমদৃষ্টিৰে চোৱাৰ শিক্ষাও প্ৰকাশ কৰিছে। সমগ্ৰ বসুধাক আত্মীয়স্বৰূপে ল'বলৈও শিক্ষা দিছে।

বেদৰ সামবেদ হ'ল সংগীত-আধাৰিত বেদ। সেয়ে অনেকে সেই সংগীতময়তাৰ কথা উল্লেখ কৰোঁতে 'সামগান' বুলিও কয়। ভাৰতীয় ৰাগ-সংগীতৰ আৰম্ভণিৰ আৰু বিকাশৰ গুৰিতো সামবেদ আছিল। যজুৰ্বেদৰ দুটা শাখা, শুক্লযজুৰ্বেদ আৰু কৃষ্ণ যজুৰ্বেদ। যজুৰ্বেদে সংস্কাৰসমূহৰ প্ৰয়োগবিধি ধৰি ৰাখিছে। এই প্ৰয়োগৰ ভিত্তিতেই সমাজ জীৱনতো শুক্ল যজুৰ্বেদী আৰু কৃষ্ণ যজুৰ্বেদী দুটা ভাগ হৈছে। চতুৰ্থ বেদখন হ'ল অথৰ্ববেদ। অথৰ্ববেদক অনেকে লোকবেদ বুলিও কয়। তাৰ প্ৰধান কাৰণ হ'ল অথৰ্ববেদত বিভিন্ন ৰোগ-ব্যাধি দূৰ কৰাৰ আৰু আনকি শত্ৰুৰ বাবে তেনে ৰোগব্যাধিৰ সৃষ্টি কৰাৰ মন্ত্ৰ সন্নিৱিষ্ট হৈছে। লোকবিশ্বাস, লোকঅভিজ্ঞতা আৰু লোকজ্ঞানৰ প্ৰকাশ ঘটাৰ বাবেই অথৰ্ববেদক আন তিনিখন বেদৰ সমান স্থান অনেক নিদিয়ে। কিন্তু কোনো কোনো পণ্ডিতৰ মতে লোকবেদৰ অনেক বিষয় ঋকবেদৰো আগৰে পৰা পৰম্পৰাগতভাৱে চলি অহা অনেক লোকবিদ্যা পৰৱৰ্তীকালত অথৰ্ববেদত সংকলিত হৈছে। কিন্তু লগতে এই কথাও স্মৰণ কৰিবলগীয়া যে লোকবিদ্যাৰ উপৰিও অৰ্থৰ্বেদত উন্নত চিকিৎসাবিদ্যাৰ বিষয়ো সন্নিৱিষ্ট হৈ আছে। অৰ্থৰ্বেদৰ পৰম্পৰাগত ভাৱে চলি অহা অনেক লোকবিদ্যা পৰৱৰ্তীকালত অথৰ্ববেদত সংকলিত হৈছে। কিন্তু লগতে এই কথাও স্মৰণ কৰিবলগীয়া যে লোকবিদ্যাৰ উপৰিও অথৰ্ববেদত উন্নত চিকিৎসাবিদ্যাৰ বিষয়ো সন্নিৱিষ্ট হৈ আছে। অথৰ্ববেদৰ প্ৰভাৱ যে জনজীৱনৰ ওপৰত পৰিছিল তাৰ পৰিচয় আমাৰ মন্ত্ৰ সাহিত্যই ধৰি ৰাখিছে। অসমীয়া মন্ত্ৰবিদ্যা তথা যাদুবিদ্যাক অথৰ্ববেদত উল্লেখ পোৱা যায়।

সমগ্ৰ ভাৰতীয় জীৱনত বেদৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ এতিয়াও সক্ৰিয়



হৈ আছে। ভাৰতীয় মানসিকতা গঢ়ি তোলাত বেদে যে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গৈছে সেইবিষয়ে সন্দেহ নাই।

কাব্যভাবনা যে কেৱল ঋকবেদতেই বিয়পি আছে এনে নহয় অথৰ্ববেদতো কাব্যভাবনা বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে। ব্ৰহ্মচাৰীক লৈ অথৰ্ববেদত ছাব্বিছটা মন্ত্ৰৰ এটি দীঘল সূক্ত আছে। আৰম্ভ হৈছে এনেদৰে—

"দ্যুলোক আৰু ভূলোকত নিজৰ গতিৰ সংকেত দি তেওঁ কোন যায়?
ব্ৰহ্মচাৰী।
তেওঁৰ লগত আছে তেওঁৰ মনোসংগী দেৱতাসকল।
তেওঁ ধৰি আছে পৃথিৱীক আৰু স্বৰ্গক।
তেওঁ আচাৰ্যক তপস্যাৰে সন্তোষ দি আগবাঢ়ি গৈ আছে।"

প্ৰতিটো মন্ত্ৰতে বৰ্ণনীয় বিষয় উপমা দি অলংকাৰেৰে কৰি তুলিছে মন আৰু চকুক তৃপ্তি দিব পৰাকৈ সুন্দৰ। অথৰ্ববেদৰ এই একেটা কাণ্ডতে থকা বিবাহ মন্ত্ৰ এটি মনকৰিবলগীয়া। আৰম্ভ কৰিছে এনেদৰে—

"স্নিগ্ধ দৃষ্টিৰে চোৱাঁ,
জীৱনে মৰণে চিৰদিন স্বামীৰ লগত লগৰীয়া হৈ থাকাঁ।
মংগলময়ী, ঘৰৰ জীৱ-জন্তুক মৰম কৰিবাঁ।
মনটো যেন তোমাৰ সুন্দৰ হৈ থাকে,
তোমাৰ ৰূপ যেন উজ্জ্বল হৈ থাকে
বীৰপ্ৰসৱিনী হোৱাঁ, সুখৰাত্ৰি কোমল মনৰ হোৱাঁ,
ভগৱানত মন সমৰ্পণ কৰাঁ।"
এই সূক্তৰে আন এটি মন্ত্ৰত কৈছে—
"সূৰ্য্যা যেতিয়া স্বামীৰ কাষলৈ গ'ল
তেতিয়া ওপৰত আকাশে ঢাকি থোৱা পৃথিৱীয়েই আছিল তেওঁৰ ৰথ স্বৰূপ আসন।
'প্ৰথম দেখোঁতেই তোমাক চিনি পাইছিলোঁ'— এয়ে আছিল সম্বোধন।
দৃষ্টিয়েই যেন চকুৰে আঁকি দিয়া কাজল আছিল।"

এনে মনোৰম কবিতাৰে ভৰি আছে বেদ। সৰহ ক্ষেত্ৰতে বেদ বুলিলেই ধৰ্মগ্ৰন্থ যেন লগা ভ্ৰান্তি বেদৰ সূক্তৰ কবিতাই আঁতৰাই দিয়ে। কাজলে চকুক সুন্দৰ কৰে। ইয়াত চকুৰে নিজেই যেন কাজল হৈ দৃষ্টিক সুন্দৰ কৰি তুলিছে। এনে উপমা সৰ্বাধুনিক কাব্যস্বাদ দিব পৰা উপমা নহয়নে?

বেদৰ মাজত যিদৰে ব্যৱহাৰিক জীৱনৰ চিত্ৰ পোৱা যায় তেনেকৈ মনোজগতৰ অনেক মনোৰম ছবিও পোৱা যায়। কিন্তু বেদোক্ত দেৱতাৰ সন্তুষ্টিৰ বাবে বেদৰ ব্ৰাহ্মণে (বেদৰ পিছৰ গদ্যাংশক ব্ৰাহ্মণ বোলা হয়।) যেতিয়া যজ্ঞাদিৰ কৰ্মৰ নিৰ্দেশ প্ৰস্তুত কৰিলে তেতিয়াই বেদ সেই ধৰ্মৰ আধাৰ হৈ পৰিল। আধুনিক মানুহে এতিয়া ধৰ্মৰ সেই আৱৰণ আঁতৰাই বেদৰ তত্ত্ব আৰু কাব্যৰ অন্বেষণ আৰম্ভ কৰিছে। ধৰ্ম নিৰপেক্ষ বেদৰ মন্ত্ৰৰ ঐতিহাসিক মূল্য অনস্বীকাৰ্য। এনে মন্ত্ৰসমূহৰ মাজত প্ৰাচীন ভাৰতবৰ্ষৰ চিন্তাধাৰা, সভ্যতা আৰু সংস্কৃতিৰ পৰিচয় দিব পৰা সমলো লুকাই আছে। জন্ম বিবাহ, যজ্ঞাদি কৰ্ম, মৃত্যু, খাদ্যাখাদ্য আদি সম্পৰ্কেও প্ৰসংগক্ৰমে কৰা বন্দনায়ো সমকালীন জীৱন-যাপনৰ তথা সংস্কাৰসমূহৰ সংবাদো দিয়ে। আনকি সেই সময়তো যে জুৱা খেলৰ দৰে খেল আছিল সেই সম্পৰ্কীয় প্ৰসংগৰ কথাও উল্লেখযোগ্য।

বেদৰ লগত যুক্ত হৈ থকা বেদমন্ত্ৰসমূহৰ গদ্যত কৰা ব্যাখ্যাই যে ব্ৰাহ্মণ সেই কথা কৈ অহা হৈছে। এনে ব্যাখ্যাসমূহৰ তিনি প্ৰকাৰে পৰিচয় দিয়া হয়— অধিযজ্ঞ, অধিদৈৱ আৰু অধ্যাত্ম। বেদমন্ত্ৰবিলাক যজ্ঞ কৰিবৰ বাবে সৃষ্টি কৰা হৈছিল বুলি কৰা ধাৰণাই অধিযজ্ঞ এই নামৰ জন্ম দিলে। এতেকে সহজে অনুমান কৰিব পাৰি যে ব্ৰাহ্মণসাহিত্য ৰচনা কৰাসকলেই বেদমন্ত্ৰক যজ্ঞৰ লগত সংযুক্ত কৰি এই নাম দিছিল। আন দুটা নাম নিজেই পৰিচয়মূলক হৈ আছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য প্ৰত্যেক বেদৰে ব্ৰাহ্মণভাগৰ নাম আছে। যেনে ঋকবেদৰ ব্ৰাহ্মণ হ'ল ঐতৰেয় আৰু কৌষীতকি সাংখ্যায়ন; যজুৰ্বেদৰ ব্ৰাহ্মণ হ'ল শতপথ আৰু তৈত্তিৰীয়; সামবেদৰ ব্ৰাহ্মণ হ'ল তাণ্ড্য, ষড়বিংশ, সামবিধান, আৰ্ষেয়, দেৱতাধ্যায়, মন্ত্ৰ ব্ৰাহ্মণ, বংশ ব্ৰাহ্মণ আৰু সংহিতা উপনিষদ। এই বেদৰ আৰু অধিক ব্ৰাহ্মণ আছে; অৰ্থৰ্ববেদৰ ব্ৰাহ্মণ হ'ল গোপথ ব্ৰাহ্মণ।

স্বাভাৱিকতেই এহাতে বেদমন্ত্ৰৰ ব্যাখ্যা আৰু আনহাতে যজ্ঞৰ কৰণীয়ৰ সৈতে ব্ৰাহ্মণ অংশ বেদতকৈ বহুগুণে ডাঙৰ। দৰাচলতে ব্ৰাহ্মণসাহিত্যই বেদমন্ত্ৰক ধৰ্মৰ আধাৰ কৰি তুলিলে। আনকি এই যজ্ঞকৰ্মৰ মাজেদি বেদমন্ত্ৰক যাদুবিদ্যাৰ মন্ত্ৰলৈও ৰূপান্তৰ ঘটোৱাৰ দৰেই হ'ল। প্ৰসংগক্ৰমে আন এটা কথা উল্লেখযোগ্য যে যজ্ঞত ঋত্বিকসকলেই ব্ৰাহ্মণগ্ৰন্থৰ আধাৰত যজ্ঞৰ ঘাই পুৰোহিতস্বৰূপে ক্ৰিয়া কৰে। পৰৱৰ্তীকালত এনে ঋত্বিকসকলক ব্ৰাহ্মণ শব্দেৰে পৰিচয় দিয়া হ'ল। পিচলৈ ক্ৰমাৎ এই শব্দটো সম্প্ৰদায়-বিশেষকৰ পৰিচয় হৈ পৰিল।



দেখা গ'ল, বেদৰ পৰৱৰ্তী এই ব্ৰাহ্মণ হ'ল সম্পূৰ্ণৰূপে যজ্ঞকৰ্মৰ লগত জড়িত। ইয়াৰ পিছৰ দুটা গুৰুত্বপূৰ্ণ অংশ হ'ল আৰণ্যক আৰু উপনিষদ। আৰণ্যকৰ লগত যজ্ঞকৰ্ম আৰু জ্ঞানকাণ্ড দুয়োটাই জড়িত। অৰ্থাৎ আৰণ্যক কৰ্ম আৰু জ্ঞান এই দুয়োটাৰ সমন্বয়ক। ঋষিসকলৰ আশ্ৰমত বেদাৰ্থীসকলে বেদ সম্পূৰ্ণৰূপে অধ্যয়ন কৰাৰ পিছত গুৰু ঋষিয়ে শিষ্যসকলক অৰণ্যৰ মাজৰ নিৰ্জন স্থানলৈ লৈ গৈ উপদেশ দিয়ে। সেই উপদেশত এহাতে জ্ঞানাৰ্জন আৰু আনহাতে ব্যৱহাৰিক জীৱনৰ শিকনিও থাকে। এনেকৈয়ে আৰণ্যক অংশই দুয়োপ্ৰকাৰ শিক্ষাৰ সাৰ ধাৰণ কৰি থৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰিযে গুৰুৱে শিষ্যসকলক সুগন্ধি পানীৰে গা ধুৱাই লয়। সেইবাবে সেই স্তৰক স্নাতক কৰোৱা বুলি কোৱা হয়।

বৈদিক সাহিত্যৰ গুৰুত্বপূৰ্ণ জ্ঞানাশ্ৰয়ী শাখাটো হ'ল উপনিষদ। কৰ্মৰ যোগেদি বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ঋকবেদোক্ত মূল শক্তিক বিচাৰি পোৱা সম্ভৱ নহয় বাবেই জ্ঞানৰ অন্বেষণৰ যোগেদি সেই শক্তিক বিচৰাৰ, অনুভৱ কৰাৰ, হৃদয়ংগম কৰাৰ তত্ত্ব আৰু পথ উপনিষদে ধাৰণ কৰিছে। উপনিষদৰ আন নাম হ'ল বেদান্ত। কৰ্মকাণ্ড আৰু আৰণ্যকৰ পিছত বৈদিক সাহিত্যৰ শেষ ভাগ হ'ল উপনিষদ। সেইবাবেই এই স্তৰক বেদান্ত বুলি কোৱা হয়। এই বেদান্ততে ব্ৰহ্মজ্ঞান দিয়া হয়। ব্ৰহ্ম শব্দটো বৃহন ধাতুৰ পৰা ওলাইছে। ইয়াৰ অৰ্থ হ'ল য'ৰ পৰা সকলোৰে বৃদ্ধি ঘটে অৰ্থাৎ য'ৰপৰা ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়-অগোচৰ সকলোৰে সৃষ্টি আৰু বিকাশ ঘটে সেয়ে ব্ৰহ্ম। অৰ্থাৎ বিশ্বৰ সৃষ্টিৰ ঘাই শক্তিয়েই হ'ল ব্ৰহ্ম। বেদান্তই সেই শক্তিৰ ওচৰলৈকে লৈ যায়। যিসকলে এই ব্ৰহ্মবিদ্যাৰ ওচৰত উপস্থিত হৈ নিশ্চিতভাৱে ইয়াৰ অনুশীলন কৰে সেইসকলৰ অবিদ্যা ব্ৰহ্মবিদ্যাই নাশ কৰে। উপনিষদ শব্দটো সিদ্ধ হৈছে উপ+ নি+ সৎ ধাতুৰে। উল্লেখযোগ্য যে আৰণ্যকৰ মাজতেই উপনিষদৰ সৃষ্টি। কেৱল সংহিতাৰ মাজত থকা একমাত্ৰ উপনিষদখন হ'ল ওঠৰটা মন্ত্ৰৰ, সৰু কলেবৰৰ কিন্তু গুৰুত্বপূৰ্ণ 'ঈশোপনিষদ'।

ব্ৰহ্মই সত্য, জগত অসত্য; জীৱ আৰু ব্ৰহ্মৰ ভেদ নাই–এইয়ে হ'ল উপনিষদৰ মূল কথা। ব্ৰহ্মবোধ আৰু ব্ৰহ্মপ্ৰাপ্তিয়েই হ'ল জীৱৰ পৰম আৰু চৰম লক্ষ্য। উপনিষদৰ সংখ্যা এশ আঠখন বুলি ধৰা হয়। কিন্তু ঘাই উপনিষদ হ'ল দহখন; বাকীখিনি পৰৱৰ্তীকালত বেলেগে বেলেগে ৰচনা কৰা। এই দহখন উপনিষদ হ'ল—

ঈশ-কেন-কঠ-প্রশ্ন-মুণ্ড-মান্দুক্য-তিত্তিৰী।
ঐতৰেয়শ্চ-ছান্দোগ্যম্-বৃহদাৰণ্যকং তথা।।

এই উপনিষদসমূহেই ভাৰতীয় দৰ্শনৰ ভেঁটি হৈ পৰিল। বেদত যি কেৱল বীজ হৈ আছিল আৰণ্যকত সি বৃক্ষলৈ ৰূপান্তৰিত হ'ল আৰু উপনিষদত সেয়ে হৈ উঠিল ফল। এই ব্ৰহ্মবিদ্যাই হ'ল পৰাবিদ্যা। প্ৰাচীন ভাৰতীয় জ্ঞানান্বেষণৰ বিদ্যাই হ'ল পৰাবিদ্যা। বেদ ব্ৰাহ্মণ আৰু উপনিষদ হ'ল পৰাবিদ্যাৰ প্ৰাথমিক, মাধ্যমিক আৰু চূড়ান্ত স্তৰ। বৈদিক সাহিত্যৰ দ্বিতীয় ভাগটো হ'ল বেদাংগ। পূৰ্বে উল্লেখ কৰা হৈছে যে বেদাংগ বুলিলে শিক্ষা, কল্প, ব্যাকৰণ, ছন্দ, নিৰুক্ত আৰু জ্যোতিষ এই ছয়প্ৰকাৰৰ বিদ্যা। এই ছয় প্ৰকাৰৰ বিদ্যাক কোৱা হয় অপৰাবিদ্যা। বৈদিক সাহিত্যৰ জ্ঞানলাভ কৰিবলৈ হ'লে এই ছয় অপৰাবিদ্যাৰ জ্ঞানলাভ কৰি ল'বই লাগিব। এতেকে বৈদিক সাহিত্যৰ এই অংশটোও ব্যৱহাৰিক সাহিত্যস্বৰূপে গুৰুত্বপূৰ্ণ।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ বিশালতাৰ আৰম্ভণি ঘটিছে বৈদিক সাহিত্যত। বিশাল পুৰাণ সাহিত্যৰ বীজো অপ্ৰত্যক্ষভাৱে তাৰেপৰাই কল্পিত আৰু বিকশিত হৈ উঠিছে। ভাৰতীয় কাব্য-মহাকাব্য, নাট্য-সাহিত্য, গীতি-সাহিত্যকে ধৰি সৃষ্টিশীল সাহিত্যৰ আৰু ভাৰতীয় দৰ্শনৰো ক্ষেত্ৰভূমি বৈদিক সাহিত্যই ৰচনা কৰি দিছে। বৈদিক সাহিত্যৰ পৰিচয় নোলোৱাকৈ প্ৰাচীন ভাৰতীয় সাহিত্যই আৰু দৰ্শনৰ সম্যক পৰিচয় লাভ কৰা সম্ভৱ নহয়।

■■

# নচিকেতাৰ উপাখ্যান ঃ তত্ত্বকথা আৰু আনুষংগিক চিন্তা

**মধুমিতা গোস্বামী বৰঠাকুৰ**
সহযোগী অধ্যাপিকা
সংস্কৃত বিভাগ, ডিব্ৰু মহাবিদ্যালয়

কঠোপনিষদ কৃষ্ণ যৰ্জুবেদৰ কঠ বা কাঠক শাখাৰ অন্তৰ্ভুক্ত উপনিষদ। এই উপনিষদ সম্ভৱতঃ কাঠক কৃষ্ণ যৰ্জুবেদীয়সকলৰ মাজত প্ৰসিদ্ধ আছিল সেই কাৰণে কাঠক বা কঠ উপনিষদ নামেৰে জনাজাত। এই উপনিষদত দুটা অধ্যায় আছে। একোটা অধ্যায়ত 'বল্লী' নামকৰণেৰে তিনিটাকৈ উপৰিভাগ আছে। সেইকাৰণে কেতিয়াবা কঠবল্লী উপনিষদ বুলিও ইয়াৰ উল্লেখ কৰা হয়। এই উপনিষদৰ প্ৰথম অধ্যায়ৰ তিনিটা বল্লীত 'নচিকেতাৰ উপাখ্যান' আৰু তাৰ আলমত যমে দিয়া তত্ত্বোপদেশ আছে। এই উপাখ্যানৰ মাহাত্ম্য সম্পৰ্কে প্ৰথম অধ্যায়ৰ তৃতীয় বল্লীৰ শেষৰ দুটা শ্লোকত এনেদৰে কোৱা হৈছে—

"নচিকেতমুপাখ্যানং মৃত্যুপ্ৰোক্তম্ সনাতনম
উক্ত্বা শ্ৰোতা চ মেধাৱী ব্ৰহ্মলোক মহীয়তে।।
য ইমং পৰমং গুহ্যং শ্ৰাৱয়েদ্ ব্ৰহ্মসংসদি
প্ৰয়তঃ শ্ৰাদ্ধে কালে ৱা তদানন্ত্যায় কল্পতে।।
১/৩/১৬/১৭

*(অৰ্থঃ মৃত্যু বা যমৰাজে কোৱা চিৰকলীয়া নচিকেতা উপাখ্যান আনক কৈ বা নিজেও আচাৰ্য্যসকলৰ পৰা শুনি মেধাৱী পুৰুষে ব্ৰহ্মভূত হৈ পুজিত হয়। যি এই পৰম গোপন কথা ব্ৰাহ্মণ সভাত অথবা শ্ৰাদ্ধকালত সংহতচিত্তে শুনায় সেই কাৰ্যই অনন্তফল দিব পাৰে।)*

কঠোপনিষদৰ ভাষা বৰ মধুৰ আৰু প্ৰাঞ্জল। গধুৰ তত্ত্বকথাকো কেনেকৈ কাব্যত্ব দান কৰিব পাৰি তাৰ নিদৰ্শন এই উপনিষদে দাঙি ধৰিছে। এই কাব্যত্বৰ

সোৱাদ থকাৰ বাবেই কঠোপনিষদৰ কিছুমান শ্লোক পৰম্পৰে শুনিয়ে বহুতৰ কণ্ঠস্থ হৈ পৰে। নচিকেতাৰ উপাখ্যানটিও সেইদৰে সৰ্বজনবিদিত।

নচিকেতাৰ উপাখ্যানৰ কাহিনীভাগ এনেধৰণৰ— ৰাজশ্ৰৱস নামৰ ঋষিয়ে এক ডাঙৰ যজ্ঞ কৰিছিল আৰু সেই যজ্ঞত নিজ ধন সম্পত্তি সকলো দান কৰিবলৈ সঙ্কল্প কৰিছিল। যজ্ঞৰ শেষত দক্ষিণা দিব লাগে। সৰ্বস্ব দান কৰাৰ পিচত দক্ষিণা দিবলৈ যিবোৰ গাই গৰু অৱশিষ্ট আছিল তাকে আনি যজ্ঞস্থলীত শাৰী শাৰীকৈ বন্ধা হ'ল। গাইবোৰ লেৰেলা চেপেটা আৰু মৰোঁ মৰোঁ অৱস্থাৰ আছিল। তাকে দক্ষিণা স্বৰূপে আগবঢ়োৱা দেখি নচিকেতাৰ মনলৈ ভয় ভাৱ আহিল। কিয়নো পেলনীয়া বা নকলী বস্তু দান কৰিলে যজমানৰ দুঃখময় গতি হয়। যদিও উপাখ্যানভাগত নচিকেতাক কুমাৰ বুলি কোৱা হৈছে পূৰ্বজন্মৰ সাধনাৰ বলতে হওঁক বা পিতাক ৰাজশ্ৰৱসৰ যজ্ঞাদি সৎকৰ্মৰ সুপ্ৰভাৱৰ ফলতে হওঁক শ্ৰদ্ধা বা আস্তিক্য বুদ্ধি নচিকেতাৰ হৃদয়ত জাগ্ৰত হৈছিল। সেয়েহে নচিকেতাৰ মনত দৃঢ়বিশ্বাস হ'ল যে এনেবোৰ গাই দান কৰি তেওঁৰ পিতাক ৰাজশ্ৰৱসৰো তেনেকুৱা অধোগতি হ'ব। তেওঁৰ মনটো উগুল থুগুল লাগিল; ৰ'ব নোৱাৰিলে; ভাবিলে পিতাৰ সম্পত্তিৰ ভিতৰত ময়ো এক, মোক দান দিলে অবস্তু দানৰ যি দোষ, পিতাৰ সেই দোষ খণ্ডন হ'ব। এই ভাবি পিতাকৰ ওচৰ চাপি সুধিলে,— "কস্মৈ মাং দাস্যসি?" পিতাকে একো নামাতিলে। নমতা দেখি নচিকেতাই আকৌ সুধিলে— "কস্মৈ মাং দাস্যসি? এইবাৰো পিতাকে একো নমতা দেখি পুনৰ বালক নচিকেতাই শিশুৰ স্বাভাৱিক উৎসুকতাৰে পুনৰ একেটা প্ৰশ্নকে সুধিলে। ফুকলীয়া ল'ৰাটোৰ মুখত একেটা কথাকে শুনি শুনি বিৰক্ত হৈ পিতাকে খঙৰ ভমকত কৈ পেলালে,— "মৃত্যৱে ত্বা দদামি" তোক যমক দিম।

খঙৰ ভমকত এনে এটা অমঙ্গলীয়া কথা মুখৰ পৰা ওলাই যোৱাত ৰাজশ্ৰৱস অত্যন্ত অনুতপ্ত হৈ তাকে ভাবি গুণি আনমনা হৈ বহি থাকিল। শিশু পুত্ৰ নচিকেতাই এনেদৰে মন মাৰি বহি থকা পিতৃৰ ওচৰলৈ গৈ বুজনি দিবলৈ ধৰিলে,

অনুপশ্য যথা পূৰ্বে প্ৰতিপশ্য তথা পৰে।
শস্যমিৱ মৰ্ত্যঃ পচ্যতে শস্যমিৱ জায়তে পুনঃ।।

(অৰ্থঃ পিতৃ পিতামহসকলে পূৰ্বে যেনেকৈ চলিছিল, তাক চাই চিতি আৰু পাছৰ বৰ্তমান কালৰ সাধুসকলে যেনেকৈ চলে তাকো ভাবি গুণি তেওঁবিলাকৰ মতে চলিব লাগে। শস্যৰ দৰে মানুহ মৰে, শস্যৰ দৰেই আকৌ গজি ওলায়।)



গতিকে পিতা চোৱা, পূৰ্বতে আমাৰ বংশৰ লোকসকলে কেতিয়াওঁ সত্যৰ পৰা বিচলিত হোৱা নাই। এতিয়াও সাধু লোকে সত্যৰ পৰা আঁতৰি নাযায়। এইবোৰ কথাৰ আগগুৰি গুণি চাই দুখ কৰিব নালাগে, সত্য ৰক্ষা কৰিব লাগে। মৰণশীল মানুহ শস্যৰ দৰে মৰি যায় আকৌ সেই ঠাইতে গজি উঠে। এনে অনিত্য জীৱলোকত মিছা কথা কৈ বা সত্য পালন নকৰি নিজৰ অপকাৰ কৰা কি প্ৰয়োজন? এতেকে মই যমৰ ঘৰলৈ যাওঁ, তোমাৰো মুখৰ বাক্যৰূপ সত্য ৰক্ষাপৰক। এইবুলি কৈ পিতাকৰ অনুমতি লৈ নচিকেতা যমৰ ঘৰলৈ গ'ল।

ইয়াত উপাখ্যানৰ ছলেৰে দুটা মহৎ গুণৰ ইঙ্গিত দিয়া হৈছে। প্ৰথম কথা শ্ৰদ্ধা— যদি শাস্ত্ৰ বা গুৰুৰ উপদেশৰ প্ৰতি শ্ৰদ্ধা নাথাকে তেনেহলে গুৰুৰ উপদেশৰ কোনো মূল্য নাথাকে। সেইদেখি উপনিষদৰ প্ৰাথমিক শিক্ষাই হৈছে— 'শ্ৰদ্ধৎস্ব'। অধ্যাত্ম বিদ্যা জানিবৰ কাৰণে যাৰ আগ্ৰহ আছে তেওঁৰ হৃদয়ত যদি শ্ৰদ্ধা নাথাকে তেনেহ'লে সত্যৰ সন্ধানত পদে পদে উজুটি খায়। সাধাৰণ দৈনন্দিন জীৱনৰ কাম কাজতো এই শ্ৰদ্ধাইহে আমাক সততাৰে সৈতে যিকোনো কাম কৰিবলৈ প্ৰেৰণা যোগায়।

মুমুক্ষু সাধকে আশ্ৰয় ল'বলগীয়া দ্বিতীয় মহৎ গুণ হ'ল সত্য পালন। খঙৰ ভমকত পিতাকৰ মুখৰ পৰা কথা এষাৰ ওলাই গ'ল। অন্তৰেৰে সৈতে যমক দিম বুলি থিৰ কৰা নাছিল। অন্তৰৰ ভাৱটো হ'ল যমক নিদিয়াৰ, মুখৰ বাক্যত প্ৰকাশ পালে যমক দিয়াৰ। এই দুটাৰ ভিতৰত কোনটো সত্য? এনেধৰণৰ প্ৰশ্ন সত্যান্বেষীৰ জীৱনত বহুত ক্ষেত্ৰত উদয় হয়। উপনিষদৰ শিক্ষা মতে মুখেদি ওলোৱা বাক্যৰ তাৎপৰ্যহে গ্ৰহণীয়। যজ্ঞত দীক্ষিত যজমানে অনৃত ভাষণ পৰিহাৰ কৰিব লাগে। সেইটো তেওঁৰ ব্ৰত। ৰাজশ্ৰৱস বিশ্বজিৎ যজ্ঞানুষ্ঠানৰ যজমান। তেওঁৰ মুখৰ পৰা ওলোৱা 'মৃত্যুৱে ত্বাং দদামি' বোলা বাক্য অগ্নিস্বৰূপ। "ৱাক বা অগ্নিঃ" —যাক পালন কৰিব নোৱাৰিলে নিজকে দহিব। নচিকেতাই পিতৃসত্য পালনৰ কাৰণে বদ্ধপৰিকৰ হ'ল, পিতাকেও অনুমতি নিদিয়াকৈ থাকিব নোৱাৰিলে। উপনিষদখনত পাকে প্ৰকাৰে ইয়াকে বুজাবলৈ বিচৰা হৈছে যে নচিকেতা সত্যত প্ৰতিষ্ঠিত, এতেকে যমৰ গুৰিত ব্ৰহ্মবিদ্যা লাভ কৰাৰ যোগ্যতা আছে। এইকথা স্পষ্টভাৱে প্ৰকাশ কৰিছে—

তেষামসৌ বিৰাজো ব্ৰহ্মালোকঃ
নে যেষু জিহ্মমনৃতং ন মায়া চ।।

অৰ্থাৎ যিবিলাক মানুহৰ কুটিলতা, অনৃত অৰ্থাৎ মিথ্যা ভাষণ আৰু

ছলনা নাই তেওঁলোকৰ বাবে ব্ৰহ্মালোক উপযোগী।

নচিকেতা যমৰ ঘৰলৈ গ'ল; কিন্তু সেই সময়ত যম ঘৰত নাছিল। তিনি ৰাতি একো নোখোৱা নোবোৱাকৈ তাত বাস কৰিব লগা হ'ল। যম প্ৰবাসৰ পৰা উলটি অভুক্ত অতিথিৰ তিন ৰাতি বাসৰ কথা শুনি মৰ্মাহত হ'ল। অতিথিক অভুক্ত ৰাখি ভোজন কৰাৰ অপৰাধে যমক স্পৰ্শ কৰিলে। সেই অপৰাধ খণ্ডন কৰিবলৈ যমে পাদ্য-অৰ্ঘ্য দি নচিকেতাক সন্তুষ্ট কৰাৰ উপৰিও তিনি ৰাতি উপবাসে থকাৰ দোষ মোচনৰ কাৰণে তিনিটা বৰ দিবলৈ গাত ল'লে।

নচিকেতাই তৎক্ষণাত প্ৰথম বৰটো ল'লে পিতাকৰ মনৰ শান্তিৰ কাৰণে— মোৰ পিতা মোৰ প্ৰতি যেন উৎকণ্ঠাশূণ্য হয়, মোৰ প্ৰতি ক্ৰোধ শূন্য হৈ মোৰ প্ৰতি যেন প্ৰসন্ন হয় আৰু মই উভতি যোৱাৰ পিচত মোক চিনি পাই যেন আদৰ আশ্বাস কৰে। নচিকেতাৰ এই বৰ প্ৰাৰ্থনাত যমে তথাস্ত বুলি সন্মতি দিলে আৰু ক'লে যে তুমি উভতি যোৱাৰ পিচত তোমাৰ পিতাৰাই তোমাক চিনি পাব আৰু আগৰ দৰেই তোমাক স্নেহ কৰিব।

এই বৰটোৰ এটা বিশেষ তাৎপৰ্য হ'ল এই যে নচিকেতাৰ পিতৃ ভক্তি। যদিও আখ্যানটিত নচিকেতাক বালক বুলি কোৱা হৈছে কিন্তু শিশু অৱস্থাত পিতাকৰ প্ৰতি তেওঁৰ অন্তৰত থকা শ্ৰদ্ধাৰ ভাৱ মনকৰিবলগীয়া। পিতাকৰ মনৰ অশান্তিৰ কথা চিন্তা কৰি তেওঁৰো মনত অশান্তি হৈছিল। পিতাকৰ মনৰ যদি অশান্তি দুৰ হয়, তেওঁৰো মনৰ অশান্তি দূৰ হ'ব। এই কাৰণেই এই বৰটো বিচাৰিলে।

এইবাৰ দ্বিতীয় বৰটো লোৱাৰ পাল। দ্বিতীয় বৰটোৰ কাৰণে তেওঁ যমক প্ৰাৰ্থনা কৰিলে— "হে মৃত্যু যমৰাজ, স্বৰ্গপ্ৰাপ্তিৰ উপায় যি অগ্নিবিদ্যা তাক তুমি ভালকৈ জানা, শ্ৰদ্ধাপৰায়ণ মোক তাক তুমি কোৱা। ইয়াৰ সহায়েৰে স্বৰ্গকামী যজ্ঞকাৰীজনে অমৰত্ব লাভ কৰে।

এই অগ্নিবিদ্যা প্ৰকৃতাৰ্থত কৰ্ম আৰু উপাসনাৰ সংমিশ্ৰণ। কুণ্ড নিৰ্মাণ, অগ্নিচয়ন, অগ্নিধ্যান প্ৰভৃতি কৰ্মৰ লগত অগ্নিক বিৰাট পুৰুষ বুলি কল্পনা কৰি হৃদয়ত ধ্যান কৰাৰ উপাসনা। কেৱল কৰ্মই পিতৃলোক বা স্বৰ্গবাস দিব পাৰে কিন্তু দেৱত্ব দিব নোৱাৰে। কৰ্মৰ লগতে ধ্যান উপাসনাৰ ফলত দেৱত্ব প্ৰাপ্তি ঘটে। দেৱত্বপ্ৰাপ্তি ঘটিলে প্ৰলয় পৰ্য্যন্ত স্বৰ্গলোকত সুখ ভোগ কৰি প্ৰলয়ৰ সময়ত প্ৰকৃততে লীন যায়।

যমে তেওঁৰ উপকাৰাৰ্থে সেই প্ৰথম শৰীৰী আদি অগ্নিৰ তত্ত্ব ক'লে। বেদীৰ কাৰণে কেনেকুৱা বা কিমান ইটা লাগে বা অগ্নিচয়নাদি কেনেকৈ কৰিব



লাগে তাকো ক'লে। নচিকেতায়ো যমে যেনেকৈ কৈছিল হুবহু সেইদৰেই মাতি শুনালে। তেতিয়া যমে নচিকেতাৰ শ্ৰদ্ধা আৰু মেধা এই দুয়োটা সৰ্বপ্ৰথম লাগতিয়াল গুণ দেখি উপযুক্ত শিষ্য পোৱাৰ গৌৰৱত পৰম প্ৰীতি অনুভৱ কৰিলে আৰু ততালিকে এটা চতুৰ্থ বৰ নোকোৱাকৈয়ে দিলে। সেই বৰ হ'ল যে যি অগ্নিবিদ্যাৰ কথা কোৱা হ'ল সেই অগ্নিক সেইদিনাৰ পৰা যজ্ঞবিদসকলে নচিকেত অগ্নি বুলিব অৰ্থাৎ এই উপাসনাক নচিকেত বুলিব। লগতে এধাৰ জুন্‌জুনাই থকা ৰত্নময়ী মালাও দিলে— গুৰুপ্ৰীতিৰ চিন স্বৰূপে। প্ৰকাৰান্তৰে শুভকৰ্মৰ চিন হিচাবে ৰত্নময়ী শিকলিৰ ৰূপকেৰে বুজাইছে।

ত্ৰিণাচিকেতস্ত্ৰিভিৰেত্য সন্ধিং
ত্ৰিকৰ্মকৃৎ তৰতি জন্মমৃত্যু।
ব্ৰহ্মজজ্ঞং দেৱমীড্যং বিদিত্বা
নিচায্যেমাং শান্তিমত্যন্তমেতি।।

এই শ্ৰুতিত তিনিটা ত্ৰি আছে। ত্ৰিণাচকেতঃ, ত্ৰিভিৰেত্য আৰু ত্ৰিকৰ্ম। এই ত্ৰি বা তিনি কোন কোন কিটা তাক শ্ৰুতিয়ে কোৱা নাই। ভাষ্যকাৰ শঙ্কৰাচাৰ্য্যৰ মতে— ত্ৰিণাচিকেতঃ অৰ্থাৎ যি তিনিবাৰ নাচিকেতাগ্নি বিদ্যা অধ্যয়ন কৰিছে, বুজিছে আৰু সেইমতে কৰ্মৰ অনুষ্ঠান কৰিছে। 'ত্ৰিভিৰেত্যসন্ধিং' —তিনিৰ লগত সম্বন্ধ কৰি— এই তিনি হৈছে মাতা, পিতা আৰু আচাৰ্য্য —এই তিনি অনুশাসনৰ দ্বাৰা প্ৰেৰিত হৈ যি অগ্নি উপাসনা কৰ্ম অনুষ্ঠিত হয় অথবা বেদ, স্মৃতি আৰু শিষ্টসকলৰ আচৰণ এই তিনি গুৰুৰ পৰা শিক্ষা লৈ তাক প্ৰত্যক্ষ, অনুমান আৰু আগম এই তিনি প্ৰমাণৰ দ্বাৰা চিত্তবিশুদ্ধি লাভ কৰে। 'ত্ৰিকৰ্ম' বুলিলে ইজ্যা, যাগ যজ্ঞ, অধ্যয়ন আৰু তাক যি কৰে তেওঁক ত্ৰিকৰ্মকৃত বুলি কোৱা হৈছে। নচিকেত অগ্নিৰ অৰ্চনা কৰিবলৈ হ'লে এই বিলাক যোগ্যতাৰ যে দৰকাৰ তাকে বুজোৱা হৈছে।

নচিকেতাই তৃতীয় বৰ প্ৰাৰ্থনা কৰি যমক ক'লে,— "এটা চিৰকলীয়া সন্দেহৰ কথা জানো, মানুহ মৰিলে তাৰ পিচত থাকে নে নেথাকে। আত্মাৰ অস্তিত্ব সম্বন্ধে সংশয় দূৰ কৰোঁতা প্ৰধান পুৰুষ একমাত্ৰ আপুনিহে। কাৰণ আন উপায় প্ৰত্যক্ষ বা অনুমান প্ৰমাণেৰে আত্মাৰ অস্তিত্ব বা অনস্তিত্ব সম্বন্ধে একো নিৰ্ণয় কৰিব নোৱাৰি। সেইদেখি আপুনি মোক দিব খোজা তৃতীয় বৰেৰে মই আপোনাৰ পৰা এই সন্দেহ দূৰ কৰিব খুজিছোঁ।

তেতিয়া যমে ক'লে, এই বিষয়ে দেৱতাসকলো অজ্ঞ। ই সহজে জানিব

পৰা বিষয় নহয়। এই আত্মা বিষয়ক ধৰ্ম অতি সূক্ষ্ম। হে নচিকেত, আন বৰ লোৱা। মোক এই বৰ দিয়াৰ পৰা ৰেহাই দি ধাৰৰ পৰা মুক্ত কৰা।

নচিকেতাই তাৰ প্ৰত্যুত্তৰত ক'লে, 'হে মৃত্যুৰ অধিপতি, দেৱতাবিলাকেও এই বিষয়ে সন্দেহ কৰিছিল বুলি নিজেই কৈছা আৰু ই সহজে জানিব পৰা বিষয় নহয় বুলিও কৈছা। কিন্তু এই বিষয়ে জানিবলৈ তোমাৰ নিচিনা উপযুক্ত বক্তাও পোৱা নাযায় আৰু ইয়াৰ সমান অন্য কোনো বৰো নাই।

তেতিয়া যমে নচিকেতাক নানা বিষয় সম্পত্তিৰ লোভ দেখুৱাই তেওঁৰ আত্মবিজ্ঞানৰ অধিকাৰ আছে নে নাই পৰীক্ষা কৰি চালে। এজন শিষ্যৰ থাকিবলগীয়া পৰিপক্ক বৈৰাগ্য লক্ষণ নচিকেতাৰ মাজত পূৰামাত্ৰাই বিদ্যমান হৈ থকাৰ প্ৰমাণ পাই সন্তুষ্ট হৈ ক'লে— 'এই সংসাৰত দুটা মাৰ্গ আছে। এটা শ্ৰেয়োমাৰ্গ আৰু আনটো প্ৰেয়োমাৰ্গ। শ্ৰেয়ঃমাৰ্গ অৱলম্বন কৰাসকলৰ মঙ্গল হয় আৰু প্ৰেয়ঃ মাৰ্গৰ আশ্ৰয় লোৱাসকলে পুৰুষাৰ্থ লাভ কৰিব নোৱাৰে। ইয়াকে বিদ্যা অৰ্থাৎ মোক্ষ সাধিকা আৰু অবিদ্যা অৰ্থাৎ ভোগসাধিকা বুলিও কোৱা হয়। নচিকেতা শুভাশুভ নিশ্চয় কৰিব জনা বালক। তেওঁ প্ৰিয়বস্তুক ত্যাগ কৰি বিদ্যাভিলাসী হৈছে। সেইকাৰণে যমে তেওঁক বিবৃত সদ্ম বুলি যোগ্য শিষ্যৰূপে গ্ৰহণ কৰিছে। "বিবৃত সদ্ম নচিকেতসং মন্য" নচিকেতাৰ কাৰণে ব্ৰহ্মভৱনৰ দ্বাৰ মুকলি হৈছে। এতেকে ব্ৰহ্মবিদ্যা কোৱাত বাধা নাই। সেয়েহে যমে আৰম্ভ কৰিলে—

"সৰ্বে ৰেদা যৎপদমামনন্তি
তপাংসি সৰ্ৱানি চ যদ্ ৱদন্তি
যদিচ্ছন্তো ব্ৰহ্মচৰ্যং চৰন্তি,
তত্তে পদং সংগ্ৰহেণ ব্ৰৱীমি - ওমিত্যেতৎ।।

নচিকেতাই যদিও পৰলোক প্ৰাপ্ত আত্মাৰ সম্বন্ধে সুধিছিল কিন্তু যমে ওঁকাৰৰ মহিমা কীৰ্তনেৰে আৰম্ভ কৰিলে। ওঁকাৰ ব্ৰহ্মাৰ বাচক আৰু প্ৰতীক। ওঁকাৰ অৱলম্বনতকৈ শ্ৰেষ্ঠ একোৱেই নাই— "এতদেৱালম্বনং শ্ৰেষ্ঠম্, এতদেৱালম্বনং পৰম্।" ওঁকাৰ উপাসনা সকলো প্ৰকাৰ উপাসনাৰ ভিতৰত শ্ৰেষ্ঠ। ব্ৰহ্মবিদ্যাৰ পাঠকৰ কাৰণে পৰম উপকাৰী। সেইকাৰণে যমৰাজে ব্ৰহ্মবিদ্যাৰ বিষয়ে ক'বলৈ যোৱাৰ আগতে প্ৰথমে নচিকেতাক ওঁকাৰ মন্ত্ৰত দীক্ষিত কৰি ল'লে আৰু আত্মাৰ স্বৰূপ সমন্ধে উপদেশ দিবলৈ ধৰিলে।

জীৱাত্মা আৰু পৰমাত্মা ভেদে এই আত্মাতত্ত্বৰ গূঢ়তা অবিদ্যামায়াত আচ্ছন্ন হৈ প্ৰকাশ নোপোৱাকৈ থাকে কিন্তু নচিকেতাৰ উপাখ্যানৰ জৰিয়তে যমে



এই মহৎ বাণীকে সোঁৱৰাই দিবলৈ বিচাৰিছে যে সাধনাৰ পথত সাধকে একান্ত একাগ্ৰযুক্ত হৈ আগবাঢ়িলে পৰমাত্মাৰ সন্ধান পাব পাৰে— "দৃশ্যতে ত্বগ্ৰয়া বুদ্ধ্যা সূক্ষ্ময় সূক্ষ্মদৰ্শিভিঃ।" এই যোগকৌশলৰ জৰিয়তে উপনিষদে মানৱকুলক সম্বোধন কৰি উদগনি বাণী শুনাইছে—

উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য ৱৰাণ নিবোধত।
ক্ষুৰস্য ধাৰা নিশিতা দুৰতয়া
দুৰ্গং পথস্তৎ কৱয়ো ৱদন্তি।। কঠ।। ১.৩.১৪

উঠা জাগ্ৰত হোৱা অৰ্থাৎ আত্মবিদ্যাৰ অভিমুখী হোৱা। শ্ৰেষ্ঠ আচাৰ্যসকলৰ ওচৰ চাপি আত্মতত্ত্ব অৱগত হোৱা। যিসকল ক্ৰান্তদৰ্শী পুৰুষ তেওঁলোকে কয় যে খুৰৰ ধাৰটোৰ ওপৰেদি যোৱা যেনে দুঃসাধ্য উক্ত পথটোও তেনে দুৰ্গম।

কিন্তু নচিকেতাই একাগ্ৰচিত্তেৰে উপযুক্ত গুৰুৰ পৰা ব্ৰহ্মবিদ্যাৰ বিষয়ে জ্ঞান পালে আৰু মুক্তি প্ৰাপ্ত কৰিলে। এনেদৰে শ্ৰুতিয়ে আমাক নচিকেতাৰ দৰে মুক্তিৰ মাৰ্গ যি মানৱ জীৱনৰ পৰম লক্ষ্য তাক কেনেদৰে পাব পাৰি তাৰ সন্ধেদ দিয়ে। উপনিষদৰ উদ্দেশ্যই হৈছে ব্ৰহ্মবিদ্যাৰ যোগ্যতাসম্পন্ন আদৰ্শ শিষ্যৰ দৃষ্টান্ত কাহিনীৰ জৰিয়তে দাঙি ধৰা। ইয়াত যমৰাজকো এজন আদৰ্শ প্ৰবক্তা বা গুৰু হিচাবে দেখুওৱা হৈছে। উপনিষদে কৈছে যে শিষ্যজনো উপযুক্ত গুৰুৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰাৰ জোখাৰে উপযুক্ত গুণসম্পন্ন হ'ব লাগিব।

নচিকেতাৰ উপাখ্যানে এই সত্যকে প্ৰতিপন্ন কৰে যে স্বৰ্গসুখ হ'ল কৰ্মফল আৰু একমাত্ৰ আত্মজ্ঞানস্বৰূপ কৰ্মফলৰ জৰিয়তেহে এজন ব্যক্তিয়ে মোক্ষলাভ কৰিবলৈ সক্ষম হয়।

নচিকেতাৰ এই উপাখ্যানে বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ এই বাণীয়েই প্ৰেৰণ কৰে যে বিদ্যা অধ্যয়নৰ প্ৰতিটো স্তৰতে তেওঁলোকে নচিকেতাৰ দৰে শ্ৰদ্ধাবান হৈ গুৰুৰ পৰা প্ৰকৃত বিদ্যা আহৰণ কৰিবলৈ যত্ন কৰিব লাগে। নচিকেতাৰ উপাখ্যানৰ মোক্ষ প্ৰাপ্তিক আমি প্ৰতীকি অৰ্থত ব্যৱহাৰ কৰিব পাৰোঁ। বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে মোক্ষ প্ৰাপ্তি হ'ল তেওঁলোকৰ নিজৰ লক্ষ্য প্ৰাপ্তিত উপনীত হোৱা। তাকে কৰিবলৈ যাওঁতে কেৱল মাত্ৰ নশ্বৰৰ কথাকে চিন্তা নকৰি প্ৰতিটো বিষয়ৰ প্ৰতি শ্ৰদ্ধাৱান হৈ যথাযথ জ্ঞান আহৰণ কৰিবলৈ যত্নপৰ হোৱা উচিত। সেইদৰে পিতৃসত্য পালনৰ কাৰণে বালক নচিকেতাই যমৰ ঘৰলৈ যাবলৈও কুণ্ঠাবোধ নকৰাটো বৰ্তমান সময়ৰ সন্তানসকলৰ কাৰণে

বিশেষভাৱে প্ৰনিধানযোগ্য। কেৱল মাত্ৰ ভোগ-বিলাসত মত্ত হৈ থাকি পিতৃ-মাতৃৰ কষ্টোপাৰ্জিত ধন অবাবতে খৰচ কৰিবলৈ উদ্যত হোৱা আজিৰ এচাম সন্তানে নচিকেতাৰ উপাখ্যানৰ সাৰমৰ্ম গ্ৰহণ কৰি পিতৃ-মাতৃক ভক্তি কৰিবলৈ এই উপাখ্যানে যেন সঁকিয়াই দিয়ে। থিক সেইদৰে যমৰ চৰিত্ৰটোও ইয়াত এজন আদৰ্শ শিক্ষক হিচাবে অঙ্কন কৰা হৈছে। প্ৰকৃত গুৰুৰ কৰ্ত্তব্য হৈছে শিষ্যৰ প্ৰকৃত মেধা শক্তিৰ বুজ লৈ সেইমতে শিক্ষা প্ৰদান কৰা। লগতে শিষ্য বা ছাত্ৰ জনৰ লগত একাত্ম হৈ তেওঁৰ মানসিক স্বৰূপ সম্বন্ধে উমান পাব পৰা পৰাটোতহে শিক্ষকজনৰ কৃতিত্ব। যমৰাজে নচিকেতাৰ প্ৰকৃত আত্মজ্ঞানৰ সম্ভেদ লাভ কৰিছিল তেওঁ নচিকেতাক শিকোৱা অগ্নিবিদ্যাৰ নচিকেতাই যথাযথভাৱে পুনৰাবৃত্তি কৰি দেখুওৱা ক্ষমতাৰ পৰা। বৰ্তমান সময়তো এজন শিক্ষকৰ মাজত সেইখিনি গুণ থাকিলেহে প্ৰকৃতাৰ্থত তেওঁক এজন আদৰ্শ শিক্ষক হিচাবে নিৰ্দ্ধাৰিত কৰিব পৰা যায়। এনেদৰে বিভিন্ন দৃষ্টিকোণৰ পৰা নচিকেতাৰ উপাখ্যানটো বিশ্লেষণ কৰিলে বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি।

■■

# "ঋগ্‌বেদৰ ধৰ্মনিৰপেক্ষ (Secular) সূক্ত"

**ড° জগদীশ শৰ্মা**
সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰাচীনতম লিখিত গ্ৰন্থ হৈছে 'ঋগ্‌বেদ। পাশ্চাত্য পণ্ডিত মেকডোনেল (Macdonell) ৰ মতে— "The Ṛgveda is undoubt ... the oldest literary monument of the Indo-European Languages." বিশ্বৰ প্ৰাচীনতম এই গ্ৰন্থখনৰ মন্ত্ৰসমূহ পদ্যাত্মক ছন্দোবদ্ধ ৰচনা। 'ঋগ্‌বেদৰ কেইটামান সূক্ত বাদ দি অধিকাংশতেই প্ৰাকৃতিক শক্তিৰ দৈৱীভাবনা তথা ঐশ্বৰিক শক্তিৰ অপৰূপ কল্পনাৰ বিচিত্ৰপ্ৰকাশ ঘটোৱা হৈছে। বৈদিক ঋষিসকলে অনায়ত্ত প্ৰাকৃতিক শক্তিক দৈৱীশক্তিৰূপে কল্পনা কৰি, তাৰেই আৰাধনাত আত্মনিয়োগ কৰিছিল। ঋগ্‌বেদৰ মন্ত্ৰসমূহ প্ৰধানত দুটা শ্ৰেণীত পোৱা যায়— স্তুতি তথা প্ৰাৰ্থনা। প্ৰথম শ্ৰেণীৰ মন্ত্ৰত দেৱতাৰ নাম, ৰূপ তথা কৰ্মৰ উল্লেখ কৰি দেৱতাৰ স্তুতি কৰা হৈছে, আনহাতে দ্বিতীয় শ্ৰেণীৰ মন্ত্ৰত দেৱতাৰ ওচৰত ধন, আয়ুস, শক্তি, সন্তান আদিৰ কামনাৰে প্ৰাৰ্থনা কৰা হৈছে। ঋগ্‌বেদৰ দেৱতাতত্ত্বৰ প্ৰধান বৈশিষ্ট্যই এয়ে যে— অধিকাংশ দেৱতাই কোনো এক প্ৰাকৃতিক শক্তিতে জীৱিত সত্ত্বাৰ আৰোপিত মহিমাময় প্ৰকাশ।

সামগ্ৰিকভাৱে ঋগ্‌বেদৰ মন্ত্ৰসমূহত অথবা সূক্তসমূহত কোনো এক দেৱতাৰ উদ্দেশ্যে প্ৰযুক্ত স্তুতি অথবা প্ৰাৰ্থনাই পোৱা যায়। এই মন্ত্ৰসমূহৰ জৰিয়তে এটা সুসভ্য মানৱজাতিৰ সৰ্বাঙ্গীন চিন্তাৰ পৰিপূৰ্ণ বিকাশ দেখিবলৈ পোৱা যায়। যেনেদৰে 'ঋগ্‌বেদত দেৱতা সম্পৰ্কীয় অথবা ধৰ্মীয় সূক্ত আছে, ঠিক তেনেদৰে কিছুমান ধৰ্মনিৰপেক্ষ জাগতিক বৈচিত্ৰ্য বিষয়ক সূক্তও আছে। দেৱতাৰ স্তুতি প্ৰতিপাদক সূক্তসমূহৰ লগতে 'ঋগ্‌বেদত চিৰন্তন নীতি প্ৰতিপাদক, নাৰাশংসী তথা দানস্তুতিমূলক, সৃষ্টিতত্ত্ব সংক্ৰান্তীয় আদি এনে কিছুমান মন্ত্ৰ

তথা সূক্ত আছে, য'ত ধৰ্মীয়ভাব অথবা কোনো দেৱ-দেৱীৰ কল্পনা পৰিলক্ষিত নহয়। এই শ্ৰেণীৰ সূক্তসমূহত দেৱতাৰ ভূমিকা প্ৰধান নহয়, তথাপিও এইবোৰ কিন্তু দেৱতা বিৰোধীও নহয়। সাময়িকভাৱে ঋষিসকলে এই সূক্তসমূহত দেৱ-ভাবনা পৰিহাৰ কৰি জীৱ-জগতৰ বৈচিত্ৰ্যৰ ফালে দৃষ্টিনিক্ষেপ কৰিছে। 'সংবাদসূক্ত'সমূহকে আদি কৰি আন কেতবোৰ সূক্তৰ বৰ্ণিত বিষয়বস্তুৰ আধাৰত, সেই সূক্তসমূহক ধৰ্মনিৰপেক্ষ সূক্ত (secular hymns) অথবা লৌকিক সূক্ত বুলি কোৱা হৈছে। এই সূক্তসমূহৰ দ্বাৰা তৎকালীন যুগৰ সমাজ ব্যৱস্থা, মানুহৰ জীৱন যাত্ৰা প্ৰণালী, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সংক্ৰান্তীয় বহু তথ্য অৱগত হোৱা যায়। তলত এই সূক্তসমূহৰ বিষয়ে সংক্ষেপে কিছু আলোচনা কৰা হ'ল—

**সংবাদ সূক্ত ঃ** 'ঋগ্বেদত দেৱতা স্তুতিৰ আওতাৰ বাহিৰত ২০টা মান এনেকুৱা সূক্ত আছে, যিবিলাকৰ কথা বস্তু কথোপকথনৰ (Dialogue) মাজেৰে প্ৰকাশিত হৈছে। পাৰস্পৰিক কথোপকথন নাইবা সংলাপৰ ভঙ্গিত ৰচনা হোৱা বাবে এই সূক্তসমূহক সংবাদ সূক্ত হিচাপে নামকৰণ কৰা হৈছে। পণ্ডিতসকলে এই সূক্তসমূহক, পৰৱৰ্তী মহাকাব্যৰ বীজ, তথা নাট্যসাহিত্যৰ উৎস হিচাপে চিহ্নিত কৰিছে। oldenbeg নামৰ পণ্ডিত এজনে এই সূক্তসমূহক আখ্যান সূক্ত (Narrative Hymns) হিচাপে অভিহিত কৰিছে। Max Muller, Levi, Macdonell প্ৰভৃতি পণ্ডিতসকলে এই সূক্তসমূহক নাটকীয় লক্ষণ যুক্ত বুলি অনুমান কৰে। পণ্ডিত Winternitz-এ এই শ্ৰেণীৰ সূক্তসমূহক একেধাৰে মহাকাব্য তথা নাটক সমূহৰ উৎস বুলি ভাবে। তেওঁৰ মতে— This ancient ballad poetry is the source both of the epic and to the drama, for these ballads consist of a narrative and of a dramatic element."

"ঋগ্বেদৰ প্ৰখ্যাত সংবাদ সূক্তসমূহৰ ভিতৰত কেইটামান উল্লেখযোগ্য হৈছে— ইন্দ্ৰ-মৰুৎ সংবাদ (ঋ.১.১৬৫); অগস্ত্য-লোপমুদ্ৰা সংবাদ (১.১৭৯); বিশ্বমিত্ৰ-নদী সংবাদ (৩.৩৩); ইন্দ্ৰ, অদিতি আৰু বামদেৱ সংবাদ (৪.১৮); যম-যমী সংবাদ (১০.১০); সৰমা-পনি সংবাদ (১০.১০৮); অগ্নি- বিশ্বদেৱা সংবাদ (১০.৫১-৫৩); ইন্দ্ৰ-ইন্দ্ৰানী আৰু বৃষাকপি সংবাদ (১০.৮৬), পুৰুৰবা-উৰ্বশী সংবাদ (১০.৯৫) ইত্যাদি।

১৪ টা "ঋক্ মন্ত্ৰ সন্নিৱিষ্ট যম-যমী সংবাদ (১০.১০) নামৰ সূক্তটিত যমজ ভাই-ভনী যম আৰু যমীৰ কথোপকথন আছে। ইয়াত যমীয়ে সহোদৰ ভায়েক যমৰ ওচৰত প্ৰেম নিবেদন কৰে আৰু যমে এই পাপ কাৰ্য্যৰ অসন্মতি



প্ৰদান কৰে। সৰমা-পনি সংবাদ সূক্তটোত (১০.১০৮) ইন্দ্ৰৰ দূতী সৰমা নামৰ এজনী কুকুৰৰ লগত পণি নামৰ গোৱাল অসুৰসকলৰ কথোপকথন সন্নিৱিষ্ট হৈ আছে। পণিসকলে ইন্দ্ৰৰ গাই-গৰুসমূহ আহৰণ কৰি লৈ গৈ দুৰ্ভেদ্য পৰ্বতৰ গুহাত লুকাই ৰাখিছিল আৰু সৰমাই সেইবোৰ বিচাৰি উলিয়াইছিল। ১৮ টা ঋক্মন্ত্ৰ সমন্বিত 'ঋগ্বেদৰ প্ৰসিদ্ধ সংবাদ সূক্তটো হৈছে পুৰুৰবা-উৰ্বশী সংবাদ (১০.৯৫)। এই, সূক্তটো নাটকীয় কাব্যৰসেৰে সংপৃক্ত। পৃথিৱীৰ ৰজা পুৰুৰবাৰ সৈতে স্বৰ্গৰ অপ্সৰা উৰ্বশীৰ বিবাহ হয় আৰু তেওঁলোকে চাৰি বছৰ একেলগে কটোৱাৰ পিছত উৰ্বশীয়ে ৰজাৰ পৰা বিচ্ছেদ হৈ স্বৰ্গলৈ উভতি যায়। পৰৱৰ্তী সংস্কৃত সাহিত্য যেনে— 'শতপথ ব্ৰাহ্মণ', 'মহাভাৰত', 'বিষ্ণুপুৰাণ', 'কথাসৰিৎসাগৰ' আদিত এই কাহিনীটো সন্নিৱিষ্ট হৈছে। মহাকবি কালিদাসে এই কাহিনীকে অৱলম্বন কৰি 'বিক্ৰমোৰ্বশীয়ম্' নামৰ নাটকখন ৰচনা কৰে। বিশ্বামিত্ৰ-নদী সংবাদ (৩.৩৩) টোত বিশ্বামিত্ৰ ঋষিৰ সৈতে বিপাট আৰু শতদ্ৰু নামৰ নদী দুখনৰ কথোপকথন বৰ্ণিত হৈ আছে।

**নীতিমূলক সূক্ত ঃ** ঋগ্বেদত দেৱ-দেৱীৰ স্তুতিৰ মাজতো নীতিগৰ্ভ কথাৰ উমান পোৱা যায়। 'ন দুৰুক্তায় স্পৃহয়েৎ' (ঋ.১.৪১.৯) (অকথ্য কথা ক'ব নালাগে); 'ঋতস্য পন্থাং ন তৰন্তি দুষ্কৃতঃ' (৯.৭৩.৬) (অনিষ্টকাৰীসকল সত্যৰ পথত অগ্ৰসৰ নহয়) ইত্যাদি নীতিমূলক বাক্য 'ঋগ্বেদত পোৱা যায়। নীতি শিক্ষা প্ৰদায়ক মুঠতে চাৰিটা সূক্ত 'ঋগ্বেদত পোৱা যায়। সেইকেইটা হৈছে— ৯.১১২;১০.৭১;১০.৩৪ আৰু ১০.১১৭। ঋগ্বেদৰ দশম মণ্ডলৰ অন্তৰ্গত ১১৭ তম সূক্তটোত দয়া-দাক্ষিণ্যৰ প্ৰশংসা কৰা হৈছে। নটা ঋক্ সম্বলিত এই সূক্তটো 'ভিক্ষুসূক্ত' হিচাপেও জনাজাত। এই সূক্তটোত কোৱা হৈছে যে, 'দাতাজনৰ কেতিয়াও ধন হ্ৰাস নহয়, দান নকৰাজন কেতিয়াও সুখী নহয়।' 'যিজনে আগতে নিজে ভোজন কৰে, ক্ষুধাৰ্ত্তজনক অন্নদান নকৰে, তেওঁ কেতিয়াও প্ৰশংসিত নহয়।' 'আমাৰ দুহাত সমানাকৃতি হ'লেও দুয়োখনৰে ধাৰণ ক্ষমতা সমান নহয়, দুজনী গাই-গৰু একেটা মাকৰ সন্তান হ'লেও দুজনীয়ে সমানে গাখীৰ নিদিয়ে। যমজ সন্তান দুজনো সমান ক্ষমতাৰ অধিকাৰী নহয়, ঠিক তেনেদৰে একেই বংশৰ সন্তান হ'লেও দুজন কেতিয়াও সমান দাতা নহয়—

"সমৌ চিদ্ধস্তৌ ন সমং বিবষ্টঃ সন্মাতৰা চিন্ন সমংদুহাত্তে।
যময়োশ্চিন্ন সমা বীৰ্যানি জ্ঞাতী চিৎসন্তৌ ন সমং পৃনীতঃ।।"

(ঋ.১০.১১৭.৯)

ধৰ্ম-নিৰপেক্ষ সূক্তসমূহৰ ভিতৰত দশম মণ্ডলৰ অক্ষসূক্ত (১০.৩৪) টো সৰ্বাধিক উল্লেখযোগ্য। এই সূক্তটোত দ্যূতক্ৰীড়াসক্ত এজন হৃতভাগা ব্যক্তি কিদৰে জুৱাত আসক্ত হৈ নিজৰ তথা সমগ্ৰ পৰিয়ালৰ ক্ষতি সাধন কৰিছে, সেই কথাতেই বৰ্ণনা আছে। জুৱাত আসক্ত ব্যক্তিয়ে কাৰোপৰা কেতিয়াও সমাদৰ নাপায়। কেতিয়াও নিজৰ স্ত্ৰী তথা সন্তানৰ যত্ন ল'ব নোৱাৰে, কেৱল ঋণগ্ৰস্ত তথা সৰ্বস্বান্ত হয়। সূক্তটোৰ শেষত ঋষিয়ে জুৱাসক্ত দুৰ্ভগীয়া ব্যক্তিসকলক অক্ষক্ৰীড়া ত্যাগ কৰি কৃষিকাৰ্য্যত মনোনিবেশ কৰিবলৈ অনুৰোধ কৰিছে—

"অক্ষৈৰ্মা দীব্যঃ কৃষিমিৎ কৃষস্ব বিত্তে ৰমস্ব বহু মান্যমানঃ।

তত্ৰ গাৱেঃ কিতৱ তত্ৰ জায়া তন্মে বি চষ্টে সবিতায়মৰ্য।।" [ঋ১০.৩৪.১৩]

নীতিমূলক শিক্ষাৰ ভিতৰৰ দশম মণ্ডলৰ ৭১তম সূক্তত ভাষা, অৰ্থ আৰু জ্ঞানগৰ্ভ বাক্যৰ প্ৰশংসা কৰা হৈছে। নৱম মণ্ডলৰ ১১২নং সূক্ত পাৰ্থিৱ বস্তু লাভৰ নানান উপায়ৰ বিষয়েৰে সমৃদ্ধ।

**প্ৰহেলিকামূলক সূক্ত ঃ** প্ৰহেলিকা অথবা সাথঁৰ প্ৰাচীন ভাৰতীয় সাহিত্যৰ এক বৈশিষ্ট্য। যাগ-যজ্ঞৰ সৈতে জড়িত 'ৱিদথ' অৰ্থাৎ বিদ্বৎ সভাসমূহত এই জাতীয় সাহিত্যৰ চিন্তা-চৰ্চা হৈছিল। 'ঋগ্বেদৰ দুটা সূক্তত এনেকুৱা প্ৰহেলিকাৰ উদাহৰণ পোৱা যায়। সেই দুটা সূক্ত হৈছে প্ৰথম মণ্ডলৰ ১৬৪তম সূক্ত আৰু অষ্টম মণ্ডলৰ ২৯ তম সূক্ত। ৮.২৯ সূক্তটোত বিভিন্ন দেৱতাৰ বৰ্ণনা আছে, কিন্তু তাত বৰ্ণিত দেৱতাৰ কোনো নাম নাই। ১.১৬৪ সূক্তটো 'অস্যৱামীয়' সূক্ত হিচাপে জনাজাত। এই সূক্তটোত থকা প্ৰহেলিকাসমূহ অতি দুৰ্বোধ্য, যাৰ অৰ্থোদ্ধাৰ বহুত ক্ষেত্ৰত অসম্ভৱ। ইয়াৰ অধিকাংশতেই সূৰ্য্য-সংক্ৰান্তীয় ৰহস্যময় কথাৰ বৰ্ণনা আছে।

**বিৱাহ সূক্ত ঃ** ঋগ্বেদৰ দশম-মণ্ডলৰ অন্তৰ্গত ৮৫ সংখ্যক সূক্তটো সাধাৰণতে 'বিবাহসূক্ত' হিচাপে প্ৰখ্যাত আৰু ই ধৰ্মনিৰপেক্ষ সূক্তৰ অন্যতম নিদৰ্শন। এই সূক্তটোত সূৰ্য্যকন্যা সূৰ্য্যাৰ সৈতে সোমৰ বিবাহৰ বৰ্ণনা আছে। এই সূক্তটো প্ৰাচীন ভাৰতৰ বিবাহপদ্ধতি, সামাজিক ব্যৱস্থা আদি বহু তথ্যৰে সমৃদ্ধ। ইয়াত পত্নীয়ে পতিৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে অগ্নিক দম্পতীৰ মঙ্গলৰ বাবে কামনা কৰা হৈছে—

"দীৰ্ঘায়ুৰস্তু মে পতিঃ/শতং বৰ্ষাণি জীবতু/এধন্তাং জ্ঞাতিয়ো মম।। (ঋ.১০.৮৫.১৬)

**দানস্তুতিসূক্ত ঃ** 'ঋগ্বেদৰ কেইটামান সূক্তত ৰাজন্যবৰ্গৰ প্ৰশংসা



পৰিলক্ষিত হৈছে। ৰজাসকলে যজ্ঞত প্ৰায়েই ঋষিসকলক অশ্ব, গৰু, গাই, ধন আদি দান কৰে। দাতাৰ প্ৰশংসা বেদতো মন্ত্ৰসমূহৰ দ্বাৰা কৰা হৈছে। এই সূক্তসমূহ আংশিকভাৱে ধৰ্মীয় আৰু আংশিক ভাৱে ধৰ্মনিৰপেক্ষ। যিসমূহ সূক্তত প্ৰধানভাৱে দাতাৰ প্ৰশংসা পোৱা যায়, সেই সূক্তসমূহক 'নাৰাশংসী' বুলি কোৱা হয়। আনহাতে দানকৰ্মৰ প্ৰশংসাই যিবোৰ সূক্তৰ মুখ্যৰ উদ্দেশ্য সেইবোৰক 'দানস্তুতি' বোলা হয়। এই জাতীয় সূক্তৰ সংখ্যা হৈছে প্ৰায় ৪০। এই সূক্ত সমূহত কোৱা হৈছে যে, যিজনে দক্ষিণা দিয়ে তেওঁ স্বৰ্গত উচ্চ আসন লাভ কৰে। এইবোৰৰ কিছুমান সূক্তত দক্ষিণাৰ প্ৰশংসা কৰাৰ লগতে যজ্ঞকৰ্ত্তাজনকো স্তৱ পোৱা যায়। দশম মণ্ডলৰ অন্তৰ্গত সূক্ত সংখ্যা ১০৭, ১১৭ আদি এই শ্ৰেণীৰ সূক্তৰ উদাহৰণ।

**অন্যান্য সূক্ত ঃ** ঋগ্বেদৰ আন বহুকেইটা সূক্তও ধৰ্মনিৰপেক্ষ সূক্তৰ অন্তৰ্গত। এই সূক্ত সমূহৰ ভিতৰত এটা হৈছে সপ্তম মণ্ডলৰ অন্তৰ্গত ১০৩ নং সূক্তটো, যাক 'ভেকসূক্ত অথবা মুণ্ডুক সূক্ত হিচাপে জনা যায়। ইয়াত এটা ভেকুলীৰ শব্দক অন্যান্য ভেকুলীৰ অনুকৰণক গুৰু-শিষ্যৰ পাঠদান আৰু পাঠগ্ৰহণৰ সাদৃশ্য কল্পনা কৰা হৈছে। ইয়াত কোৱা হৈছে যে, যেতিয়া ভেকুলীবোৰ এটাই আনটোৰ মাত শিষ্যক গুৰুৱে শিকোৱাৰ দৰে আওৰায়, তেতিয়া সকলোবোৰে সমস্বৰ পৰ্বৰ দিনত বেদ মন্ত্ৰ উচ্চাৰণ কৰাৰ 'দৰে শুনা যায়—"যদেষামন্তো অন্যস্য বাচং শাক্তস্যেৱ বদতি শিক্ষমাণঃ।

সৰ্বং তদেষাং সমৃধেব পৰ্ব যৎসুবাচো বদথনাধ্যপ্সু।। (ঋ.৭.১০৩.৫)

ছয়টা মন্ত্ৰযুক্ত ঋগ্বেদৰ দশম মণ্ডলৰ ১৪৬ নং সূক্তটোত দেৱতা হৈছে অৰণ্যানী। ইয়াত কোৱা হৈছে যে, অৰণ্য দেৱতাই কেতিয়াও নামাৰে। তাত সোৱাদ ফল খাই নিজ ইচ্ছা যতে ফুৰিব পাৰি— 'ন ৱা অৰণ্যানিৰ্হন্ত্যন্যশ্চেন্নাভিগচ্ছতি। স্বাদোঃ ফলস্য জগদ্বায়। যথা কামং নি পদ্যতে।" (ঋ.১৪৬.৫)। ঋগ্বেদৰ দশমমণ্ডলৰ ১৪-১৮ সংখ্যক সূক্তসমূহত অন্ত্যেষ্টিক্ৰিয়া বিষয়ক আলোচনা আছে। মৃত্যুৰ অধিপতি যমে পুণ্যকৰ্মৰ পুৰস্কাৰ প্ৰদান কৰে। যি পথেৰে আমাৰ পূৰ্বপুৰুষসকল গৈছে, নিজ নিজ কাৰ্যানুসৰি সকলোৱেই সেই পথেৰেই যাব। পুণ্যাত্মা পূৰ্বপুৰুষসকল দেৱতাৰ সৈতে স্বৰ্গত বাস কৰে। ষষ্ঠ মণ্ডলৰ ৭৫সংখ্যক সূক্তটোত যুদ্ধ সম্পৰ্কীয় বীৰত্বব্যঞ্জক বৰ্ণনা আছে। ইয়াতে যুদ্ধৰ অস্ত্ৰশস্ত্ৰ, আয়োজন আৰু দ্ৰব্যসমূহৰ বৰ্ণনা লক্ষণীয়। ঋগ্বেদৰ প্ৰথমমণ্ডলৰ শেষ সূক্তটো (১.১৯১) তথা দ্বিতীয় মণ্ডলৰ শেষ সূক্তটোত (২.৪৩)

যাদুমন্ত্ৰৰ আভাস পোৱা যায়।

**সৃষ্টিমূলক সূক্ত ঃ** দেৱতা বিষয়ক, ধৰ্মনিৰপেক্ষ আৰু দাৰ্শনিক এই তিনিপ্ৰকাৰে ঋগ্‌বেদৰ সূক্ত সমূহক বিষয়বস্তু অনুসৰি পণ্ডিতসকলে ভাগ কৰিব বিচাৰে। দাৰ্শনিক বিষয়ৰ সূক্ত সমূহৰ ভিতৰৰ সৃষ্টিতত্ত্বমূলক সূক্তসমূহকো ধৰ্মনিৰপেক্ষ সূক্তৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এই সূক্তসমূহ আপেক্ষিকভাৱে অৰ্বাচীন ঋগ্‌বেদৰ প্ৰথম আৰু দশম মণ্ডলতহে পোৱা যায়। এই সূক্তসমূহৰ ভিতৰত প্ৰধান সূক্তসমূহ হৈছে— অস্যবামীয় সূক্ত (১.১৬৪); পুৰুষসূক্ত (১০.৯০); হিৰণ্যগৰ্ভ সূক্ত (১০.১২১); দেৱীসূক্ত (১০.১২৫); নাসদীয়সূক্ত (১০.১২৯) ইত্যাদি। এই সূক্তসমূহত জগতৰ সৃষ্টি বিষয়ক বৰ্ণনা আছে।

■■

# পঞ্চমহাযজ্ঞৰ গুৰুত্ব

ড° অৰুন্ধতী গোস্বামী
কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়
গুৱাহাটী-৭৮১০১৪

ভাৰতীয় সংস্কৃতিত পঞ্চমহাযজ্ঞৰ এক সুকীয়া স্থান আছে। এই পঞ্চমহাযজ্ঞ হ'ল— ব্ৰহ্মযজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ আৰু নৃযজ্ঞ। বৈদিক যুগৰ পৰাই ভাৰতত পঞ্চমহাযজ্ঞৰ প্ৰচলন আছিল। প্ৰতিজন গৃহস্থৰ বাবে নিতৌ এই পাঁচ প্ৰকাৰৰ যজ্ঞ কৰাটো প্ৰয়োজনীয়। পত্নীয়ে গধুলি আৰু পতীয়ে সদায় ৰাতিপুৱা এই নিয়মসমূহ পালন কৰিব লাগে—“দম্পতী এৱ। ইতি গৃহমেয়িব্ৰতম্। স্ত্ৰী হ সায়ং প্ৰাতঃ পুমানিতি।”[১] শতপথব্ৰাহ্মণত পোন-প্ৰথমবাৰৰ বাবে পঞ্চমহাযজ্ঞৰ উল্লেখ পোৱা যায়—“পঞ্চৈৱ মহাযজ্ঞাঃ। তান্যেৱ মহাসত্ৰাণি ভূতযজ্ঞো মনুষ্যযজ্ঞঃ পিতৃযজ্ঞা দেৱযজ্ঞো ব্ৰহ্মযজ্ঞ ইতি।।”[২] তৈতিৰীয়াৰণ্যকত আকৌ শিক্ষা সমাপ্তিত হোৱা সমাৱৰ্তন সমাৰোহৰ লগত সঙ্গতি ৰাখি গৃহস্থৰ বাবে এই মহাযজ্ঞসমূহৰ বিধান কৰিছে—“পঞ্চ বা এতে মহাযজ্ঞাঃ ...”[৩]। বিভিন্ন গৃহ্যসূত্ৰ, ধৰ্মসূত্ৰ, স্মৃতি, পুৰাণ আদি গ্ৰন্থসমূহত পঞ্চমহাযজ্ঞৰ বিষয়ে বিশদ বিৱৰণ উপলব্ধ হয়। গৃহ্যসূত্ৰোক্ত নীতি অনুসৰি প্ৰতিদিনে প্ৰতিজন গৃহস্থই বিবাহাগ্নিত এই পঞ্চমহাযজ্ঞৰ অনুষ্ঠান কৰিব লাগে। বিভিন্ন ধৰ্মশাস্ত্ৰত এই মহাযজ্ঞসমূহৰ কাৰণসমূহ লিপিবদ্ধ কৰা হৈছে। চৌকা, জাত, বাঢ়নী, উৰুখল আৰু কলহ এই পাঁচটা স্থানৰ পৰা নিজৰ জ্ঞাতে বা অজ্ঞাতে প্ৰতিদিনে গৃহস্থীসকল জীৱহত্যাৰ পাপত লিপ্ত হয়। এই পঞ্চপাপৰ পৰা মুক্তি লাভ কৰিবলৈ মহৰ্ষিসকলে এই পাঁচটা মহাযজ্ঞৰ বিধান দিছে।[৪] বেদৰ অধ্যয়ন আৰু অধ্যাপনেই হ'ল ব্ৰহ্মযজ্ঞ, তৰ্পণ পিতৃযজ্ঞ, হোম দেৱযজ্ঞ, চৰাই-চিৰিকতিক কৰা অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি-সৎকাৰেই হ'ল নৃযজ্ঞ—

"অধ্যাপনং ব্ৰহ্মযজ্ঞঃ পিতৃযজ্ঞস্তু তৰ্পণম্।
হোমো দৈৱো বলিৰ্ভৌতা নৃসজ্ঞোঽতিথি পূজনম্।।"[৫]

যিসকল গৃহস্থীয়ে যথাসাধ্য নিতৌ এই পঞ্চমহাযজ্ঞৰ পালন কৰে, গৃহস্থাশ্ৰমত থাকিলেও তেওঁ প্ৰাণী হত্যা আদি পঞ্চপাপৰ পৰা নিষ্কৃতি লাভ কৰে। যিহেতু গৃহস্থীসকলৰ ওপৰত ভৰষা কৰিয়েই ঋষি, পূৰ্বজ, দেৱতা, ভূতগণ আৰু অতিথিসকল বৰ্তি থাকে সেয়েহে এওঁলোকৰ সন্তুষ্টিৰ উদ্দেশ্যে গৃহস্থসকলে সদায়ে কৰ্ম সম্পাদন কৰা উচিত। স্বাধ্যায়ৰ দ্বাৰা গৃহস্থই ঋষি-মুনিক সন্তুষ্ট কৰিব। অৰ্থাৎ নিতৌ বেদাধ্যয়ন তথা অধ্যাপনাৰদ্বাৰা ব্ৰহ্মযজ্ঞ সম্পাদন কৰিব। এইবোৰৰ উপৰিও তৈত্তিৰীয় আৰণ্যকত ব্ৰাহ্মণ গ্ৰন্থ, ইতিহাস, পুৰাণ, কল্প, গাথা, নাৰাশংসী আদি বিষয়ো অধ্যয়নৰ বিষয়ৰূপে স্বীকৃত হৈছে। হোমেৰে দেৱগণক তৃপ্ত কৰিব লাগে। অগ্নিত এডাল হ'লেও সমিধ প্ৰদান কৰি হ'লেও প্ৰতিদিনে দেৱযজ্ঞ অনুষ্ঠান কৰা বিধেয়। শ্ৰাদ্ধৰদ্বাৰা পিতৃ পুৰুষক তৃপ্ত কৰা উচিত। অন্ন অথবা গাখীৰ অথবা পানী অথবা ফল-মূলেৰে যথা সম্ভৱ প্ৰতিদিনে পিতৃ যজ্ঞ পালন কৰিব লাগে। আন নহ'লেও "স্বধা" শব্দ উচ্চাৰণৰ দ্বাৰা পিতৃপুৰুষৰ উদ্দেশ্য অকল পানী প্ৰদান কৰিলেও পিতৃযজ্ঞ সম্পন্ন হয়। পশু-পক্ষীক বলি অৰ্থাৎ খোৱা বস্তু প্ৰদান কৰিলেই ভূতযজ্ঞ কৰা হয়। তদুপৰি অন্নৰ দ্বাৰা অতিথি সৎকাৰ কৰাটো প্ৰতিজন গৃহস্থৰে কৰ্তব্য।[৬] নৃযজ্ঞৰ বিভিন্ন নাম আছে— মনুষ্যযজ্ঞ, অতিথিযজ্ঞ ইত্যাদি। তৈত্তিৰীয় আৰণ্যক অনুসৰি ব্ৰাহ্মণক অন্ন প্ৰদান কৰিলে মনুষ্যযজ্ঞ সম্পন্ন হয়— "যদ্ব্ৰাহ্মণেভ্যো ঽন্নং দদাতি তন্মনুষ্যযজ্ঞঃ সংতিষ্ঠতে।"[৭] কিন্তু আন বহুতো শাস্ত্ৰত অতিথিসৎ কাৰকেই নৃযজ্ঞ বুলি কৈছে—"নৃযজ্ঞো ঽতিথিপূজনম্।"[৮] এই প্ৰসঙ্গতেই অতিথিশব্দটোৰ অৰ্থ জনাটো নিতান্তই আৱশ্যক। মনুৰ মতে এৰাতি থকা ব্ৰাহ্মণক অতিথি বোলা হয়। কাৰণ তেওঁৰ অহাৰ বা যোৱাৰ কোনো নিৰ্দিষ্ট দিন নাই।[৯] ঘৰলৈ অহা অতিথিক গৃহস্থীয়ে যথাবিধি আদৰ সৎকাৰ কৰিব আৰু বহিবলৈ আসন, পাদোদক তথা অন্ন-ব্যঞ্জনাদিৰে যথাসাধ্যে আপ্যায়ন কৰিব। আকৌ যদি গৃহস্থৰ ঘৰত উপৰোক্ত বস্তুসমূহৰ অভাৱ হয়, তেন্তে মধুৰ বচন তথা পানী, মাটি আৰু খেৰেৰে আপ্যায়ন কৰিব। কাৰণ অতীজতে এই সামগ্ৰীসমূহৰ অভাৱ কোনো ঘৰতেই নৌহৈছিল। বৈদিক যুগৰ পৰাই শাস্ত্ৰসমূহত নৃযজ্ঞৰ প্ৰশংসা পোৱা যায়। তৈত্তিৰীয় উপনিষদত অতিথিক ভগৱান-সদৃশ বুলি কোৱা হৈছে— "অতিথিদেৱো ভৱ।"[১০] মহাভাৰতত আকৌ কোৱা হৈছে যে, কোনোৱে যদি অতিথিসৎকাৰ সঠিকভাৱে নকৰে তেন্তে তেওঁৰ সকলো উপাৰ্জন অথলে যায়।[১১] কপোতলুব্ধকোপাখ্যান হ'ল অতিথি সৎকাৰৰ এক সুন্দৰ নিদৰ্শন। মনুৱে আকৌ ইয়াৰ ফলাফলৰ কথা নিৰ্দেশ কৰিছে। তেওঁৰ মতে অতিথি সৎকাৰ অবিহনে যদি কোনোবাই আহাৰ গ্ৰহণ কৰে তেন্তে মৃত্যুৰ পাছত তেওঁক কুকুৰ-শগুণ আদিয়ে ভক্ষণ কৰিব।[১২] কাৰণ অতিথি-সৎকাৰৰ দ্বাৰা ধন, আয়ুস, যশস্যা তথা স্বৰ্গ লাভ হয়।[১৩]



পঞ্চমহাযজ্ঞ পালনৰ দ্বাৰা পঞ্চপাপৰ বিনাশ হয়। শিক্ষা আৰু জ্ঞানৰ উৎকৰ্ষ সাধন হয় ব্ৰহ্মযজ্ঞৰ দ্বাৰা। দেৱযজ্ঞৰ দ্বাৰা দেৱতাসকলৰ ঋণ সাধন হয়। কাৰণ দেৱতাৰ আশীৰ্বাদ অবিহনে এই পৃথিৱীত জীয়াই থকাতো সম্ভৱ নহয়। দেৱতাসকল হৈছে প্ৰকৃতিৰ লগত সম্পৰ্ক থকা প্ৰাকৃতিক বিষয়বস্তু (Natural Phenomenon)। দেৱযজ্ঞৰদ্বাৰা দৰাচলতে প্ৰকৃতিকে সন্মান জনোৱা হয়। পিতৃ আৰু পূৰ্বপুৰুষৰ বাবেহে আমাৰ শৰীৰ ধাৰণ সম্ভৱ। এই পিতৃ-ঋণ পৰিশোধ কৰাৰ একমাত্ৰ উপায় হৈছে, পিতৃযজ্ঞ। তদুপৰি ইয়াৰ দ্বাৰাই আমি আমাৰ উপৰিপুৰুষক সন্মান যাচিব পাৰো। মানৱ-সমাজ, গছ-লতা তথা সমস্ত জগতৰ প্ৰাণীসমূহৰ দায়বদ্ধতাৰ কথা সূচায় অতিথি যজ্ঞ আৰু ভূতযজ্ঞই। নৃযজ্ঞ বা অতিথিযজ্ঞই মানৱতাবোধৰ মূল্যায়ন কৰে। ইয়াৰদ্বাৰা ভোকাতুৰে অন্ন পায়, বস্ত্ৰহীন বস্ত্ৰ তথা অঘৰীয়ে আশ্ৰয় লাভ কৰে। ইয়াৰ জৰিয়তে ধনীয়ে নিধনীক সহায়ৰ হাত আগবঢ়ায়।

বৰ্তমান সময়ত এই পঞ্চমহাযজ্ঞৰ পালন সীমিত হৈছে। সমাজৰ এক মুষ্টিমেয় লোকৰ বাহিৰে সৰ্বসাধাৰণ লোকে এই নিয়মসমূহ পালন নকৰে। কিন্তু পঞ্চমহাযজ্ঞৰ অন্তৰ্নিৰ্হিত ভাৱসমূহ সদায়েই আদৰণীয়। সমাজৰ সকলোতে এই ভাৱসমূহ বিদ্যমান। ইয়াৰ দ্বাৰাই "বসুধৈৱ কুটুম্বকম্"ৰ গূঢ়াৰ্থ প্ৰতিপন্ন হয়। সেয়েহে সমাজৰ কল্যাণৰ বাবে পঞ্চমহাযজ্ঞৰ গুৰুত্ব সৰ্বদা বিৰাজমান হ'ব।

**তথ্যসূত্ৰ—**

১। গোভিলগৃহ্যসূত্ৰ, ১.৪.১৭-১৯;
দ্ৰষ্টব্য, মনুসংহিতা, ৩.১২১
২। শতপথ ব্ৰাহ্মণ, ১১.৫.৬.৭
৩। তৈত্তিৰীয়াৰণ্যক, ২.১০
৪। মনুসংহিতা, ৩.৬৮-৬৯

৫। তদেৱ, ৩.৭০
৬। তৈত্তিৰীয়াৰণ্যক, ২.১০; মনুসংহিতা, ৩.৮০-৮২
৭। তৈত্তিৰীয়াৰণ্যক, ২.১০
৮। মনুসংহিতা, ৩.৭০
৯। তদেৱ, ৩.১০২
১০। তৈত্তিৰীয়োপনিষদ, ৩.১১.২
১১। মহাভাৰত, শান্তিপৰ্ব, ১৯১.১২
১২। মনুসংহিতা, ৩.১১৫
১৪। তদেৱ, ৩.১০৬

■■

# উপনিষদত আত্মাতত্ত্ব

অদিতি বৰুৱা
সহযোগী অধ্যাপিকা
সংস্কৃত বিভাগ, ডিব্ৰু কলেজ

বৈয়াকৰণিক দিশৰ পৰা 'উপ' আৰু 'নি' পূৰ্বক 'সদ্' ধাতুৰ লগত 'ক্বিপ্' প্ৰত্যয় যোগ দি উপনিষদ শব্দটি গঠিত হৈছে। উপনিষদৰ যোগেদি অজ্ঞানতা দূৰ কৰি মানুহে ব্ৰহ্ম জ্ঞান লাভ কৰিব পাৰে বাবে ইয়াক ব্ৰহ্মবিদ্যা বোলে। আকৌ বেদৰ ৰহস্য নিহিত হৈ থকাৰ বাবে ইয়াৰ আন এটা নাম ৰহস্য বিদ্যা। বেদৰ অন্ত বা পৰাকাষ্ঠা হোৱা বাবে উপনিষদক বেদান্ত বুলিও জনা যায়।

উপনিষদসমূহৰ কিছুমান ব্ৰাহ্মণৰ অন্তৰ্গত আৰু কিছুমান আৰণ্যকৰ অন্তৰ্গত। ব্ৰাহ্মণৰ পৰা উৎপন্ন হোৱা উপনিষদসমূহক ব্ৰাহ্মণোপনিষদ আৰু আৰণ্যকৰ পৰা উৎপন্ন হোৱা সমূহক আৰণ্যকোপনিষদ বোলা হয়। বেদৰ মন্ত্ৰভাগৰ অন্তৰ্গত উপনিষদক মন্ত্ৰোপনিষদ বোলা হয় আৰু ঈশোপনিষদ হৈছে একমাত্ৰ মন্ত্ৰোপনিষদ। ঋক্‌বেদৰ অন্তৰ্গত প্ৰধান দুখন উপনিষদ হ'ল ঐতৰেয়োপনিষদ আৰু কৌষীতকি উপনিষদ আৰু সামবেদৰ উপনিষদ দুখন হ'ল ছান্দোগ্যোপনিষদ আৰু কেনোপনিষদ। যজুৰ্বেদ কৃষ্ণ আৰু শুক্ল ভেদে দুভাগত বিভক্ত। ইয়াৰে কৃষ্ণ যজুৰ্বেদৰ উপনিষদ হ'ল পাঁচখন। সেয়া ক্ৰমে— মহানাৰায়ণ, মৈত্ৰায়ণ, তৈত্তিৰীয়, কঠ আৰু শ্বেতাশ্বতৰ। শুক্লযজুৰ্বেদৰ দুখন উপনিষদ হ'ল ক্ৰমে বৃহদাৰণ্যক আৰু ঈশ। অথৰ্ববেদৰ প্ৰধান তিনিখন উপনিষদ হ'ল— প্ৰশ্ন, মুণ্ডক আৰু মাণ্ডুক্য।

প্ৰধান এইকেইখন উপনিষদৰ উপৰিও প্ৰত্যেক বেদৰ লগত আৰু কেইবাখনো উপনিষদৰ নাম পোৱা যায় আৰু সেইবোৰৰ মুঠ সংখ্যা এশ আঠ। অৱশ্যে ইয়াৰে কিছুমান বৈদিকোত্তৰ যুগত ৰচিত। আলোচ্য বিষয়টি প্ৰধান কেইখনমান উপনিষদৰ সহযোগতহে কৰিবলৈ বিচৰা হৈছে।

বৈদিক সাহিত্যত আত্মাৰ উল্লেখ সৰ্বপ্ৰথমে ঋক্‌বেদৰ সূৰ্য সূক্ততে লাভ

কৰা যায় [১]। কিন্তু আত্মা সম্পৰ্কীয় মুকলি আৰু বহুল আলোচনা উপনিষদ বা বেদান্ত সমূহতহে লাভ কৰা যায়। আত্মা এক কষ্টসাধ্য বিষয়। কাৰণ সাধাৰণ বিষয়-বুদ্ধিৰ দ্বাৰা আচ্ছাদিত আৰু অনৰ্থবহুল শৰীৰত এই আত্মাক সাধাৰণ দৃষ্টিৰে অনুভৱ কৰা সহজ নহয়। কঠোপনিষদৰ মতে আত্মাৰ কোনো জন্ম বা মৃত্যু নাই। শৰীৰ ধ্বংস হ'লেও নিত্য আৰু শাশ্বত এই আত্মাৰ ধ্বংস নহয়[২]। আত্মাই কাকো হত্যা নকৰে অথবা নিজেও হত নহয়। কাৰণ জীৱৰ হৃদয়ৰ অভ্যন্তৰত এই আত্মা সূক্ষ্মতকৈয়ো সূক্ষ্ম আৰু বিশালতকৈয়ো বিশাল ৰূপে অৱস্থিত[৩]। প্ৰশ্নোপনিষদত আত্মাক একাধাৰে দ্ৰষ্টা, স্প্ৰষ্টা, শ্ৰোতা, ঘ্ৰাতা, ৰসয়িতা, মন্তা, বোদ্ধা, কৰ্তা আৰু বিজ্ঞানাত্মা ৰূপে বৰ্ণনা কৰিছে[৪]। মুণ্ডক উপনিষদে দ্যুলোক, পৃথিৱী, অন্তৰীক্ষ আৰু ইন্দ্ৰিয়ৰ সৈতে মন য'ত সমৰ্পিত হৈ আছে তাকেই এক আৰু অদ্বিতীয় আত্মা বুলি উল্লেখ কৰিছে[৫]। তৈত্তিৰীয় উপনিষদে আত্মাক অন্নময়, প্ৰাণময়, মনোময় আৰু আনন্দময় বুলি অভিহিত কৰিছে। তথাপি এই আত্মজ্ঞান লাভ কৰাটো সহজসাধ্য নহয়। কাৰণ জাগতিক সুখ-দুখ আদি আত্মজ্ঞানৰ বাধক। সেইবাবেই সাংসাৰিক সুখ-মোহ আদি ত্যাগ কৰি আত্মাক উপলব্ধি কৰিবলৈ ঈশোপনিষদে উপদেশ দিছে। আত্মা আৰু ঈশ্বৰৰ একীকৰণ হৈছে ঈশোপনিষদৰ মন কৰিবলগীয়া দিশ[৬]। সকলো প্ৰাণীৰ মাজতেই এক আত্মা বিৰাজমান। ৰথৰ চকাত যিদৰে শলাবোৰ সন্নিবিষ্ট হৈ থাকে তেনেদৰে সকলো প্ৰাণী এই আত্মাতে সমৰ্পিত হৈ আছে[৭]। কাৰণ আত্মাই সকলো প্ৰাণীৰ অধিপতি[৮]। ইন্দ্ৰিয়সমূহৰ ভিতৰত মন দ্ৰুতগামী বুলি প্ৰসিদ্ধি আছে। মনৰ অনুমতি নোহোৱাকৈ ইন্দ্ৰিয়সমূহে কোনো কাৰ্য সম্পাদন কৰিব নোৱাৰে। কিন্তু আত্মাক মনতকৈয়ো বেগবান বুলি কোৱা হৈছে। শংকৰাচাৰ্যৰ মতে আত্মা আকাশৰ দৰে ব্যাপক হোৱা বাবে ইন্দ্ৰিয়গোচৰ নহয়। অথচ বিশ্বব্ৰহ্মাণ্ডৰ সকলো কাৰ্য আত্মাৰ অৱস্থিতিতেই সম্পন্ন হয়। স্থিৰ হৈ থাকিও এই আত্মাই দ্ৰুতগামী সকলোকে অতিক্ৰম কৰি যায়[৯]। ই গতিশীল হৈয়ো স্থিতিশীল। অজ্ঞানাবৃত আত্মজ্ঞানহীন জনৰ বাবে আত্মা উপলব্ধিৰ বাহিৰত অৱস্থিত। কিন্তু আত্মজ্ঞানযুক্ত জনৰ বাবে আত্মা একেবাৰে সমীপত অৱস্থিত। আকাশৰ দৰে ব্যাপক হোৱা বাবে যিদৰে এই আত্মা নামৰূপ আৰু ক্ৰিয়াত্মক এই শৰীৰৰ বাহিৰত অৱস্থিত, তেনেদৰে অত্যন্ত সূক্ষ্ম হোৱা বাবে ই শৰীৰৰ অভ্যন্তৰতো অৱস্থিত[১০]। বেদান্ত দ্ৰষ্টাৰ মতে যিদৰে মানুহে পুৰণি ফাটি যোৱা কাপোৰ সলাই নতুন কাপোৰ পৰিধান কৰে, তেনেদৰে আত্মায়ো বুঢ়া হৈ উঁৰলি যোৱা শৰীৰ ত্যাগ কৰি নতুন শৰীৰ গ্ৰহণ কৰে। জীৱিতাৱস্থাত মানুহৰ



শৰীৰ শিশু, যুৱক অথবা বৃদ্ধাৱস্থা ভেদে পৰিবৰ্তন হয়, কিন্তু আত্মাৰ পৰিবৰ্তন নহয়। কেৱল মৃত্যুৰ সময়ত আত্মাই বেলেগ এটা দেহলৈ গতি কৰে । অন্য জাগতিক বস্তুৰ দৰে এই আত্মাক কোনো অস্ত্ৰই কাটি খণ্ড বিখণ্ড কৰিব নোৱাৰে। জুই পানী বা বতাহৰ প্ৰভাৱো ইয়াৰ ওপৰত নপৰে। কাৰণ আত্মা অবিনাশী[১১]। আত্মাৰ স্থূল, সূক্ষ্ম অথবা কাৰণৰূপ কোনো শৰীৰ নাই। তাৰ পৰিৱৰ্তে ই সৰ্বব্যাপী, শুদ্ধ, দীপ্তিমান, অক্ষত, শিৰাবিহীন আৰু অপাপবিদ্ধ। তদুপৰি সৰ্বদৰ্শী, সৰ্বান্তৰ্যামী এই আত্মাৰ উৎপত্তিৰ কোনো কাৰণ নাই। তেওঁ স্বয়ম্ভু। বিশ্বব্ৰহ্মাণ্ডৰ সকলো কাৰ্যই এই নিত্য, শাশ্বত আত্মাৰ দ্বাৰা বিভাজিত আৰু নিয়ন্ত্ৰিত। কঠোপনিষদত সেইবাবে আত্মাক দেহৰূপী ৰথৰ সাৰথি বুলি ব্যাখ্যা কৰিছে[১২]।

উল্লেখযোগ্য যে, শ্ৰুতিত নিবৃত্তি মাৰ্গৰ সহায়ত জ্ঞানাৰ্জন কৰি আত্মাক উপলব্ধি কৰিবলৈ নিৰ্দেশনা দিছে। সেয়ে আত্মাৰ স্বৰূপজ্ঞান নথকা জনক শ্ৰুতিয়ে আত্মঘাতী আখ্যাও দিছে। ঈশোপনিষদৰ তৃতীয় মন্ত্ৰত ব্যৱহৃত 'আত্মহনঃ' শব্দটিৰে এই আত্মজ্ঞানহীন ব্যক্তিকে বুজোৱা হৈছে। আত্মাৰ অজৰত্ব-অমৰত্ব আদিৰ বিষয়ে জ্ঞান নথকা বাবেই তেনে ব্যক্তিয়ে জন্ম-মৃত্যুৰূপী এই সংসাৰলৈ বাৰে বাৰে অহা যোৱা কৰিব লগীয়া হয়। নিজৰ জড়-পিণ্ড সদৃশ দেহকেই তেওঁলোকে আত্মা বুলি ভাবে আৰু এনেধৰণৰ আত্মজ্ঞানহীনতাকেই মৃত্যু আখ্যা দিয়া হয়। আত্মজ্ঞানহীনজনৰ কেতিয়াও মুক্তি নহয়। আত্মাৰ সঠিক জ্ঞানযুক্ত জনৰ বাবেহে কেৱল মুক্তি সম্ভৱপৰ[১৩]। কেনোপনিষদৰ মতেও যিসকলে এই জীৱনত আত্মাৰ জ্ঞান লাভ কৰে, তেওঁলোকেহে মুক্তি লাভ কৰে। অন্যথা দীৰ্ঘ সংসাৰ গতি প্ৰাপ্ত হয়[১৪]। এই আত্মাক শাস্ত্ৰাভ্যাস, মেধা বা শ্ৰৱণৰ দ্বাৰা লাভ কৰিব নোৱাৰি। আনকি বলহীন হৈ, ভুলবশতঃ বা তপস্যাৰ দ্বাৰাও এই জ্ঞান দুৰ্লভ। বিবেকী ব্যক্তিৰ বাহিৰে আনে অচল হৈয়ো বিচৰণশীল, শায়িত অৱস্থাটো সৰ্বত্ৰ গমনশীল, হৰ্ষযুক্ত হৈয়ো হৰ্ষবিযুক্ত, স্বপ্ৰকাশমান এই আত্মাক উপলব্ধি কৰিব নোৱাৰে। আত্মাই যাক অনুগ্ৰহ কৰে তেওঁহে আত্মাৰ স্বৰূপ বুজিবলৈ সমৰ্থ হয়[১৫]। তেনে আত্মজ্ঞানীসকলে অব্যক্ত প্ৰকৃতি আৰু স্থাৱৰ জঙ্গম সকলোতে এক আত্মাকে দৰ্শন কৰে বাবে কোনো জ্ঞাত বস্তুক ঘৃণা কৰিব নোৱাৰে। আত্মজ্ঞানৰ প্ৰভাৱতেই নিজৰ আত্মা আৰু সৰ্বভূতৰ আত্মা যে পৃথক নহয় সেয়া উপলব্ধি কৰিবলৈ সক্ষম হয়। আত্মজ্ঞানীৰ অন্তৰত কাৰো প্ৰতি ঘৃণাৰ অৱকাশ নথকাতো এনে ধৰণৰ একত্বদৰ্শনৰ ফলশ্ৰুতি। তদুপৰি সকলো প্ৰাণীতে এক আত্মা দৰ্শন কৰা বাবে তেওঁলোকৰ মনত শোক-মোহ-ঘৃণা আদি একোৰে সৃষ্টি নহয়। কাৰণ এই জাগতিক

প্ৰবৃত্তিৰ মূল হৈছে অজ্ঞানতা। আত্মজ্ঞানৰ দ্বাৰা অজ্ঞানতা দূৰ হয় আৰু এই জাগতিক প্ৰবৃত্তিসমূহৰো অৱসান ঘটে। যি প্ৰজ্ঞা বা জ্ঞানে আত্মজ্ঞান অভিলাষী সকলক সৰ্বত্ৰ একত্বদৰ্শনৰ প্ৰতিপাদন কৰায়, সেই জ্ঞানেই আত্মাৰ স্বৰূপ সুন্দৰকৈ উপলব্ধি কৰাটো সহায় কৰে।

উল্লেখযোগ্য যে, শ্বেতাশ্বতৰ উপনিষদে আত্মোপলব্ধিৰ মাৰ্গ দৰ্শনৰ প্ৰচেষ্টা কৰিছে। এই উপনিষদৰ মতে আত্মাক 'প্ৰণৱ' বা ওঁকাৰৰ দ্বাৰা উপলব্ধি কৰিব পাৰি। এই 'প্ৰণৱ' বা 'ওঁ'কাৰৰ শুদ্ধোচ্চাৰণৰ দ্বাৰা হৃদয়ত আত্মজ্ঞানৰ প্ৰকাশ হয়। এই কথা বুজাবৰ বাবে শ্বেতাশ্বতৰ উপনিষদে এটা অতি সুন্দৰ উপমাৰ প্ৰয়োগ কৰিছে। অৰণি কাষ্ঠখণ্ডত ঘৰ্ষণ কৰিলে যিদৰে অগ্নিৰ উৎপত্তি হয়, তেনেদৰে 'প্ৰণৱ' ধ্বনি উচ্চাৰণৰ দ্বাৰাও আত্মাৰ উপলব্ধি হয়। এই ক্ষেত্ৰত স্বদেহক অৰণি আৰু প্ৰণৱ ধ্বনিক উত্তৰ অৰণি বুলি কল্পনা কৰি ধ্যানাভ্যাসৰ যোগেদি গূঢ় আত্মা তত্ত্বক উপলব্ধি কৰিবলৈ কোৱা হৈছে[১৬]। শ্বেতাশ্বতৰ আৰু মুণ্ডক উপনিষদে আত্মাক জীৱাত্মা আৰু পৰমাত্মা ৰূপে কল্পনা কৰিছে। একেই দেহবৃক্ষত নিমগ্ন হৈ জীৱাত্মাই শোক বা মোহগ্ৰস্ত হৈ থাকে আৰু পৰমাত্মাই তাক দৰ্শন কৰি থাকে[১৭]। যেতিয়াই জীৱাত্মাৰ আত্মজ্ঞান লাভ হয়, তেতিয়াই জাগতিক মায়া-মোহৰ পৰা মুক্তি লাভ কৰে। প্ৰবাহশীলা নদীয়ে যিদৰে স্বনাম আৰু ৰূপ ত্যাগ কৰি সাগৰত মিলিত হয়, তেনেদৰে আত্মজ্ঞান লাভৰ দ্বাৰা জীৱাত্মাই সকলো মায়া-মোহৰ পৰা মুক্ত হৈ পৰমাত্মাৰ লগত একাত্ম হ'ব পাৰে। জীৱাত্মা আৰু পৰমাত্মাৰ এনে সংজ্ঞা লাভৰ পাছত এটা কথা বুজিব পাৰি যে পৰমাত্মা হৈছে দেহী আৰু জীৱাত্মা হৈছে শৰীৰধাৰী দেহ। পৰমাত্মাৰ দৰ্শনৰ ফলত আত্মজ্ঞানীৰ হৃদয়ত থকা কামনা- বাসনা নষ্ট হয়, সংশয় দূৰ হয় আৰু কৰ্মফলো ক্ষয়প্ৰাপ্ত হয়। পৰমাত্মাৰ দৰ্শন আৰু জ্ঞান প্ৰাপ্ত ব্যক্তি আসক্তিশূন্য আৰু প্ৰশান্ত চিত্তৰ হয়। ফলত জীৱদ্দশাতেই পৰমাত্মাৰ লগত একীভূত হৈ ব্ৰহ্মত্ব লাভ কৰে।

**পাদটীকা**

(১) সূৰ্য এৱ আত্মা জগতস্তস্থুষশ্চ। (১।৬)

(২) অজো নিত্যঃ শাশ্বতো়য়ং পুৰাণো। ন হন্যতে হন্যমানে শৰীৰে।। (কঠ।১।২।১৮)

(৩) অণোৰণীয়ান মহতো মহীয়ান। (কঠোপনিষদ।১।২।২০)

(৪) প্ৰশ্নোপনিষদ ৪।৯



(৫) য়স্মিন দ্যৌঃ পৃথিৱীচান্তৰিক্ষং ওতং মনঃ সহপ্ৰাণৈশ্চ সৰ্বৈঃ। তমেবৈকং জানথ আত্মানম্..। (মুণ্ডকোপনিষদ ২।২।৫)

(৬) আত্মৈবেদং সৰ্বং ইতীশ্বৰভাৱনয়া সৰ্বং ত্যক্তং। (শাংকৰভাষ্যং ঈশোপনিষদ১)

(৭) অৰা ইৱ ৰথনাভৌ। (মুণ্ডক। ২।২।১৫)

(৮) স ৱা অয়ং আত্মা সৰ্ব্বেষাং ভূতানামধিপতিঃ। (বৃহদাৰণ্যকোপনিষদ। ২।৫।১৫)

(৯) ধাৱতো অন্যানত্যেতি (ঈশ।৪)

(১০) ব্যাপিকাত্বাদাকাশবৎ নিৰতিশয় সূক্ষ্মত্বাৎ অন্তঃ। (শাংকৰভাষ্য ঈশ।৪)

(১১) আত্মা ৱৈ অবিনাশী (বৃহদাৰণ্যকোপনিষদ। ৪।৫।১৪)

(১২) আত্মানং ৰথিনং বিদ্ধি (কঠোপনিষদ। ১।৩।৩)

(১৩) বিদ্বাংসো জনাঃ মুচ্যন্তে হ্নাত্মহনঃ। (শাংকৰভাষ্য। ঈশোপনিষদ।৪)

(১৪) ইহ চেদবেদীদথ সত্যমস্তি, ন চেদিহাবেদীন্মহতী চিনষ্টিঃ (কেনোপনিষদ। ২।৫)

(১৫) য়মেবৈষ বৃণুতে য়েন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে তনু স্বাম্(কঠোপনিষদ। ১।২।২৩)

(১৬) স্বদেহমৰণিং কৃত্বা প্ৰণৱঞ্চোত্তৰণিম্। ধ্যাননিৰ্মথনাভ্যাসাদ্ দেৱং পশ্যেন্নিগূঢ়ৱৎ। (শ্বেতাশ্বতৰোপনিষদ। ১।১৪)

(১৭) সমানে বৃক্ষে পুৰুষো নিমগ্নো হ্নীশয়া শোচতি মুহ্যমানঃ। মুণ্ডক ৩।১।২)

# The Concept of Mental Health Found in the CARAKASAṀHITĀ and it's Importance in Modern Days

**Dr. Urmimala Bora**

Our old Indian Literature i.e. the Vedic Literature is very rich in various concepts regarding our life, its preservation, our minds and our curiosity and so on and so forth. One may trace each and everything in its earliest form in the Vedas. As the Vedas were compiled in Sanskrit language it is difficult to everyone to obtain the actual knowledge that revealed in the Vedic texts. Therefore sometimes there occur many misconceptions that the Vedic texts are only the collections of some meaningless poetic fancy. But if we study these texts from scientific point of view, we may discover many relevant truths which are very interesting as well as beneficial to us. Keeping this view in mind this article is prepared to bring light upon the concept of mental health revealed in the CarakasaAhitā written in the first century A.D. by Caraka. This is also a humble attempt to show the necessity of practicing the suggestions of Caraka today in respect of attaining sound health and a peaceful society.

In common parlance an ideal Society signifies a congregation of peaceful people having no disturbance from either external or internal. Everyone needs to live peacefully. Nobody can deny this fact that healthiness is a source of peacefulness.



*sahṛdayaṁ sāṁmanasyamavidveṣaṁ kṛṇomi vaḥ /*
*anyo anyamabhi haryata vatsam jātamivāghnyā //*
*(Atharvaveda, III.30.1)*

It means, May we be of one heart, of one mind, have no disagree, may approach each other with happiness as the cow approaches her calf.[1]

This is a suitable reference of the desire of a peaceful society. People having similar thought may lead to peacefulness in every aspect of the society. In the present turmoil of the society, this passage of the *Atharvaveda* contains very depth concept regarding the management of the society. It is an admitted fact that only the likeminded people can establish a peaceful society. Similarly, to become like minded, people should have healthy mind as well as healthy physic. Every personality in the world has the desire to live for a long time such as a hundred years. In India too, from very early period e.g. from the time of the *Ṛgveda*, this desire has been lasting till date. One may trace the fact in the popular Ṛgvedic verse such as *paśyema śaradaḥ śatam* etc. i.e. May I see [live] a hundred Autumns.

Following the Ṛgvedic people, the Atharvan people also prayed for long life. The *Āyusyāni* hymns are the very apt example to the fact.[2]

In later Vedic period, people became more eager to live and tried to attain long life anyhow. One may confirm the fact from the Āyurvedic texts. Thus it becomes evident that the offshoot of the Ṛgvedic desire, in India became a plant in the Atharvavedic time and gradually developed into a big tree in the later Vedic period, specially in Āyurvedic time.

In this juncture, one must add that in India, the Vedas are the foundation of all knowledge. In later period some other Vedas were compiled or created to discuss some special subjects. These were known as Upavedas. Of these *Āyurveda* was the most popular one which deals with life, disease,

medicine, treatment etc. Although, there is no available text book known as *Āyurveda* as there is the *Ṛgveda* or *Atharvaveda* etc. Yet, there are so many Āyurvedic texts like the *Suśrutasaṁhitā* of Suśruta, *Carakasaṁhitā* of Caraka, *Kasyapasaṁhitā* of Kasyapa, *Bhelasaṁhitā* of Bhela, *Aṣṭāṅgahṛdaya* of Vāgbhatta and so on and so forth. The compilers or the authors had developed many theories of *Āyurveda* and enjoyed the privilege of being healthy and elderly persons in the society through Āyurvedic treatment.

Before going to discuss the suggestions cited in the *Carakasaṁhitā*, it is essential to discuss about the life, its relation to the *Āyurveda* and good health, diseases etc.

First of all, each and every creature has a life. The Indian thinkers very beautifully defined this life. The Sanskrit synonym of the term life is *āyu*. The term *āyu* is defined by Caraka as follows – *hitāhitaṃ sukhaṃ duḥkhamāyustasya hitāhitam / mānaṁ ca tacca yatroktamāyurvedaḥ sa ucyate / / (Carakasaṁhitā, 1.1.41)*

It means, that *Veda* is known as *Āyurveda*, which discusses the advantageous health, disadvantageous health, good health and ill health etc.

The connotation *Āyurveda* can be derived from two terms viz. *āyu* and *veda*. As it is mentioned above, the term *āyu* means life and the *Veda* means the knowledge or wisdom. Thus the appeliation *Āyurveda* means the *Veda* which deals with the life. As mentioned earlier, the *āyu* constituted by *śarīra* the physic; *indriya* the sensory organs, *sattā* the mind and *ātmā* the soul. Caraka classified four types of *āyu* viz. *hita* the advantageous, *ahita*, the disadvantageous, *pramāṇa* the real and *apramāna*, the unreal and *Āyurveda* aims at their preservation.

The term *āyu* has four synonyms such as *dhāri, jivitam, nityaga* and *anuvandha*. According to Caraka, *puruca* or *pumān*, the person is the combined state of *sattva, ātmā* and



*śarīra*. In the words of medical science, it is the psycho-somatic state. The *Āyurveda* appears for the help of the person.[3] Suśruta mentions that the combined state of *pañcamahābhūta*, the five great elements and *jivātmā*, the earthly soul is called the *puruca*. He is the basis of illness and cure.[4] Strictly speaking, the *Āyurveda* aims at the preservation of health and treatment of illness.[5]

From Āyurvedic point of view, He is a person who is physically and mentally fit, specially young, fit to do every work, man of strength, vitality, fame, intelligence, science and sense organs, who is rich and beautiful and so on. These are the qualities of an ārogī i.e. healthy person. That person is healthy who is fit to perform the Caturvargas, four noble desires. Hence, Caraka states

*Dharmārthakāmamokṣāṇāmārogyaṁ mūlamuttamam/ rogāstasyāpahartāraḥ śreyaso jīvitasya ca //* [6]

It means, the root of Dharmārthakāmamokṣas is the health (*ārogyam*) and the illness is the destroyer of this mighty origin. In this context one may refer to Susruta, who states

*Samadosah samagnisca samadhātu malakriyā prasannātmendriya manaḥ svastha iti abhidhīyate* i.e. the person whose Dosas are balanced, metabolism is balanced, tissues and eliminations are normal and ṣenses and mind are centred in the self, is considered healthy and remains full of bliss. According to Caraḳa, three Dhātus namely *vāta*, *pitta* and *kapha* are responsible for physical cure and illness of a person:

*Vikāro dhātuvaicamyṁ sāmyaṁ prakṛtirucyate rukhasaṁgyakamāroyam*[7]

It means, the imbalanced state of Dhātus are called *vikāra* i.e. illness and the balanced state of Dhatus are called *prakṛti* i.e. cure of good health. This is also known as *sukhāyu*.

It is an admitted fact that, a person becomes more or less affected by disease in his life time. These diseases can be arise

due to three imbalanced aforementioned Dhātus. Dhātus may be imbalanced by six ways.

1. *Asāmyendriyārthasaṁyoga* – imbalanced state of sense organs and their subjects. Sometimes excessive combination, sometimes non-combination and sometimes unexpected combination.

2. *Prajñāparādha* – three alternatives (Vikalpas) viz *atiyoga*, *ayoga* and *mithyāyoga* and three duties (Karmas) viz. the activities performed by speech *vāṇī*, mind (*manas*) and physic (*śarīra*) are called *prajñāparādha*.

3. *Parināma* - *Kālaḥ punaḥ pariṇāma ucyate*. Thus the time is known as *parināma*, the result.

4. *Atiyoga* – The combination of organs to their subjects with heavy qualities is called *atiyoga*.

5. *Ayoga* – The state of no relation or a little relation between the sense organs to their subjects is known as *ayoga*.

6. *Mithyāyoga*- the relation between unexpected subjects and organs known as *mithyāyoga*.

The Āyurvedic texts mention various types of diseases. Caraka recognizes three types of diseases

– *nija*, *āgntuka* and *mānasa*.

*i)* *nija* occurs due to physical Dosas i.e. due to the deficiency of *vāta*, *pitta* and *kapha*.

*ii)* *āgantuka* occurs due to virus, polluted air, burns and wounds etc.

*iii)* *mānas* a occurs due to obtaining unexpected things and loss of expected things.

*Trayorogā iti - nijāgantumānasāḥ / tatra nijaḥ sārīradocasmutthaḥ, āgarbhūtavicavāyvagnisaṁ prahārā disamutthaḥ mānasaḥ punaricmasyābhāllābhāccānicmasyopajāyate //*[8]

Suśruta recognizes one more type viz. svābhāvika, the natural or spontaneous. This includes hunger, thirst, old, death and sleep etc.[9]



Susruta's *śārīra* (physical) type of disease is similar to *nija* type of disease of Caraka. According to Suśruta, this type of disease occurs due to unhealthy food where as Caraka blames upon three Dhāus.

As it is mentioned earlier, a person becomes complete with both physical and mental health. A person becomes unhealthy if he loses any one of the above mentioned health. So to speak, both the physical and mental imbalances are interrelated. Physical imbalance can disturb mental state while mental illness leads to disruption of body functions. Hence both healths have the same importance in the context of present society. It is a recommended fact that a sound mind is the most necessary part in the human body. A peaceful sound mind can give everything to not only a person but also to the whole society. In our increasingly insecure and chaotic world, mental health can give us a sound society. Realizing this fact, ancient Indian people traced the holistic way to remove the root causes of mental illness. From the Ayurvedic point of view, mental health is a state of mental, intellectual and spiritual well being. For mental balance, Caraka admits three qualities *sattva*, *rajas* and *tamas*. Sātvic mind is very good and pure and full of love, kindness and spirituality. Rājsic mind is aggressive and is subject to temptation of the world. But in right proportions it will give a person leadership qualities. Tāmasic mind is filled with darkness and is always confused and doubtful. Imbalanced *rajas* and *tamas* are responsible for mental illness.

*vāyuḥ pittaṁ kaphaḥcoktaḥ śārīro docasaṁgrahaḥ / mānasaḥ punaruddicmo rajaḥca tama eva ca //*[10]

One may trace signs of mental health in the Āyurvedic texts. As per *Ayurveda* some of these are as follows:

1. Good memory.
2. Taking the right food at right time.
3. Awareness of one's responsibilities.
4. Awareness of the self and beyond self.

5. Maintaining cleanliness and hygiene.
6. Doing things with enthusiasm.
7. Cleverness and discrimination.
8. Being brave.
9. Perseverance.
10. Maintaining cheerfulness irrespective of the situation.
11. Fearlessness in facing situations.
12. Sharp intellectual functioning.
13. Self – sufficiency.
14. Following a good value system.
15. Ability to proceed steadfastly against all odds.

To maintain a healthy mind and physic one should do the works in its right way and should intake the opposite qualities of place, time and soul.

*tatrendriyānāṃ samanaskānamanupataptānāma... deśakālātmagunaviparītopūsanena ceti* /[11]

The symptoms of the patients are never alike. From the point of view of Ayurveda, the patient should be treated according to their unique physical constitution as indicated by the three Dosas in respect of the mental, social and environmental conditions that influenced them. Carakasaṁhitā refers a lifestyle in its four including involvement of diet (mātrāśitīya), svasthavṛtta (applying collyrium, smoking etc. along with daily activities ), ṛtusāmya (seasonal activities), adhārsṇīya vega (non-suppressible urges), dhāraṇīya vega (suppressible urges), vyāyāma (exercise), hitāhitasevanavidhi (method of gradual acquirement of wholesome habits), śārīrika prakṛti (physical nature), sadvṛtta (right conduct) etc. to prevent, promote and treat the health and to attain longevity. He should also exercise celibacy, knowledge, donation, friendship, mercy, merriment, avoidance of unexpected things and peacefulness.

Mental diseases can be heal through knowledge, special knowledge or science ( *vijñāna*), patience, memory and



meditation. According to Caraka physical diseases can be cured by various rituals and various reasonable medicines. Mental diseases can be cured by

*Jñānam*, the spiritual knowledge.

*Vijñānam*, the knowledge of scriptures or best knowledge.

*Dhairyam*, the patience,

*Sm[ti*, the memory of feelings.

*Samādhi*, the controlled state of mind from various desires.

*praśāmyatyaucadhaiḥ pārvodaivayuktivyapāśrayaiḥ /*
*mānaso jñānavijñānadhairyasmṛtisamādhibhiḥ//*
*(Carakasaṃhitā, 1.1.58)*

*CarakasaAhitā* also mentions that all the Prajñā paradhas are responsible for the mental disorders like jealousy, grief, fear, anger and so on and so forth. *Carakasaṃitā* defines Prajñā paradhas as the lack of coordination of *dhi*, *dhṛti* and *smṛti*.

To conclude, one may mention that mental disorders are responsible for various common psychological conditions like *kāma* (lust), *krodha* (anger), *lobha* (greed), *moha* (delusion), *ircā* (jealousy), *māna* (pride), *mada* (euphoria), *śoka* (grief, sorrow), *cintā* (anxiety), *udvega* (neurosis) *bhaya* (fear), *harca* (happiness) etc. Some other psychiatric condition caused by a combination of physical and mental disorders are like *unmāda* (psychosis), *apasmāra* (convulsive disorder), *apatantraka* (hysteria), *atattvabhinvesa* (obsession) *bhrama* (illusion, vertigo), *tandrā*(drowsiness), *klama* (neurasthenia) *mada – murceā – sanyāsa* (loss of sensory perception leading to coma) *madatyaya* (alcoholism) *gudodvega* (hypochondriasis) etc. Similarly some personality disorders may cause psychological imbalance.

Thus from the above discussion one may come to the result that for a healthy society the people of the society should follow the aforementioned suggestions. If there is mental balance, then definitely the society becomes balanced, healthy

and prosperous. In the context of the present society it is very much essential.

[1] *Cf.*, Of one heart, one mind, free from hatred I make you. Be happy with each other as the cow with the new born calf. As translated by Winternitz, M.,*A HISTORY OF INDIAN LITERATURE*, VOL.I, p.128
[2] *Cf.*, *ATHARVAVEDA*,II.15-17,28,33; III. 11, IV. 13, V. 30, XI.4, XVII. 1 etc.
[3] *Cf.*, *Caraka* 1.1.47
[4] *Cf.*, *Susruta* 1. 18
[5] *Cf.*, *Ibid*. 1.12
[6] *Cf.*, *Caraka* 1.1.15-16
[7] *Cf.*, *Caraka*, 1.9.4
[8] *Cf.*, *Caraka*, 1.11.45
[9] *Cf.*, *Susruta*, 1.20
[10] *Cf.*, *Caraka*, 1.1.57
[11] *Cf.*, *Caraka*, 1.8.17

# বেদ-ভাষ্যকাৰ ঃ মহৰ্ষি দয়ানন্দ আৰু নৈতিক শিক্ষাৰ প্ৰতি তেওঁৰ অৱদান

চন্দন হাজৰিকা

**সাৰাংশ ঃ**

প্ৰস্তুত লেখনিত স্বামী দয়ানন্দ সৰস্বতীৰ বেদভাষ্যৰ তথা 'সত্যাৰ্থ-প্ৰকাশ'ত নৈতিক-শিক্ষাৰ প্ৰতি যি মাৰ্গ-দৰ্শন তাকে মুখ্য প্ৰতিপাদ্য বিষয়ৰ ৰূপত উপস্থাপন কৰা হৈছে, আৰু ইয়াকে কৰিবলৈ যাওঁতে বেদৰ ব্যাখ্যাৰ ইতিহাস তথা বেদ-ভাষ্যকাৰসকলৰ ওপৰত অতি সংক্ষেপে আলোকপাত কৰা হৈছে। সকলো ভাষ্যকাৰৰ বিষয়ে পাৰ্যমানে একত্ৰ-সন্নিৱেশ কৰিবলৈ এক প্ৰয়াস কৰা হৈছে, তথা মহৰ্ষিৰ বেদভাষাৰ প্ৰয়োজনকো তেওঁৰে শব্দত উনুকিওৱা হৈছে। এই গৱেষণাত আমি ঐতিহাসিক, ব্যাখ্যাত্মক তথা তথ্যাত্মক পদ্ধতিৰ অৱলম্বন কৰিছোঁ। লগতে গৱেষণাৰ সময়ত বিভিন্ন অভিধান, বিশ্বকোষ আৰু বুৰঞ্জী গ্ৰন্থৰো সহায় লোৱা হৈছে।

তলত লেখাটিত আলোচনা কৰিবলগীয়া বিষয়সমূহৰ এক সাৰণি প্ৰস্তুত কৰা হ'ল—

(ক) ভূমিকা

(খ) বেদৰ ব্যাখ্যা তথা বেদ-ভাষ্যকাৰ

- বেদব্যাখ্যাৰ ইতিহাস
- প্ৰাচীন ভাষ্যকাৰ তথা সায়ণ
- ঋগ্বেদৰ ভাষ্যকৰ
- কৃষ্ণ-যজুৰ্বেদৰ ভাষ্যকাৰ
- শুক্ল-যজুৰ্বেদৰ ভাষ্যকাৰ
- সামবেদৰ ভাষ্যকাৰ

- অথৰ্ব্ববেদৰ ভাষ্যকাৰ
- অৰ্থৱবেদৰ ভাষ্যকাৰ
- অৰ্বাচীন ভাষ্যকাৰ

(গ) স্বামী দয়ানন্দৰ জীৱন আৰু কৃতিত্ব
(ঘ) মহৰ্ষিৰ বেদভাষ্যৰ তাৎপৰ্য
(ঙ) মহৰ্ষিৰ ভাষ্যত নৈতিক শিক্ষা
(চ) 'সত্যাৰ্থ-প্ৰকাশ'ত নৈতিক শিক্ষা
(ছ) উপসংহাৰ
(জ) পাদ-টিপ্পণী
(ঝ) সহায়ক গ্ৰন্থ-সূচী

**ভূমিকা ঃ**

যি সময়ত ম্যাক্সমূলাৰ আদি বহুতো পাশ্চাত্য বিদ্বানে ভাৰতবৰ্ষত ব্ৰিটিছ-সাম্ৰাজ্য নিগাজী কৰাৰ উদ্দেশ্যে ভাৰতীয় সংস্কৃতিৰ মূলভূত আধাৰ বেদৰ উদ্দেশ্য-প্ৰণোদিত স্বাৰ্থপৰায়ণ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত তৎপৰতা দেখুৱাবলৈ ধৰিছিল, তথা তৎকালীন সমাজত প্ৰচলিত অনেক কু-ৰীতিয়ে বৈদিক সনাতন ধৰ্মক মৃত্যুৰ মুখলৈ ঠেলি দিছিল, সেইখিনি সময়তে ভাৰতীয় সংস্কৃতিৰ ৰক্ষাৰ হেতু তথা বৈদিক সংস্কৃতিৰ পুনঃপ্ৰতিষ্ঠা হেতু স্বামী দয়ানন্দ সৰস্বতীয়ে বেদৰ এক নতুন-শৈলীত এক অভূতপূৰ্ব ব্যাখ্যা দাঙি ধৰে য'ত তেওঁৰ আধুনিক বৈজ্ঞানিক দৃষ্টি আদি বৈশিষ্ট্যসমূহৰ বাহিৰেও নৈতিক-শিক্ষাৰ প্ৰতি তেওঁৰ মাৰ্গ-দৰ্শন অত্যন্ত উপযোগী।

**বেদৰ ব্যাখ্যা তথা বেদভাষ্যকাৰ ঃ**

ভাৰতীয় সংস্কৃতিৰ আধাৰভূত চাৰিও বেদ ঋক্, যজুঃ, সাম আৰু অথৰ্ব্ব অত্যন্ত গহন। ইয়াৰ উপৰিও বৈদিক সংস্কৃত ভাষাত প্ৰযুক্ত বিভিন্ন অচিনাকি শব্দ তথা ইয়াৰ বৈয়াকৰণিক প্ৰয়োগ আৰু শৈলীৰ ভিন্নতাই ইয়াৰ অৰ্থৰ বোধগম্যতাত ব্যুৎপন্ন পুৰুষৰো খোকোজা লগায়। গতিকে বৈদিক যুগৰ পৰাই বেদৰ ব্যাখ্যাৰ প্ৰৱণতা আমি দেখা পাওঁ আৰু তাৰ জ্বলন্ত প্ৰমাণ হৈছে ব্ৰাহ্মণ গ্ৰন্থসমূহ।

**বেদব্যাখ্যাৰ ইতিহাস ঃ**

'বেদ' পদটি 'জনা বা জ্ঞান কৰা' অৰ্থত প্ৰযুক্ত 'ৱিদ্' ধাতুৰ পৰা নিষ্পন্ন



হৈছে। গতিকে বেদ মানেই হৈছে জ্ঞান। আৰ্যৰ দেশত প্ৰৱহমান এই অসীম জ্ঞানৰাশিৰ মহৰ্ষি বেদব্যাসে যি চাৰি ভাগত বিভাজন কৰিলে (যাৰ বাবেই তেওঁৰ নাম বেদব্যাস হ'ল) সি ইয়াক নিঃসন্দেহে ব্যাখ্যাৰ দিশত এখোজ আগুৱাই লৈ গ'ল। জ্ঞান, কৰ্ম আৰু উপাসনাৰ প্ৰতীত বিভাজনেৰে বেদৰ প্ৰতি এক উৎকৃষ্ট দৃষ্টি এওঁ প্ৰদান কৰি থৈ গ'ল।

কালক্ৰমত বেদৰ মূলপাঠ বা সংহতিপাঠত থকা প্ৰত্যয়, উপসৰ্গ, ক্ৰিয়া আদিৰ মিশ্ৰিত ক্ৰমৰ আসোঁৱাহ দূৰ কৰিবৰ বাবে পদপাঠ কৰাৰ প্ৰৱণতাও আমি দেখা পাওঁ। শাকল্যই ঋগ্বেদৰ, গাৰ্গ্যই সামবেদৰ আৰু আত্ৰেয়ই যজুৰ্বেদৰ তৈত্তিৰীয় শাখাৰ পদপাঠ নিৰ্মাণ কৰি ইয়াক ব্যাখ্যাৰ উপযোগী কৰি তোলাত অৰিহণা যোগালে। যাস্কমুনিৰ 'নিৰুক্ত'তো দেৱতা-নিৰ্বচন তথা অৰ্থ নিৰ্বচনৰ জৰিয়তে বেদৰ ব্যাখ্যাত সহযোগিতা আগবঢ়োৱা দেখা যায় য'ত মুখ্যতঃ 'নিঘণ্টু' নামক বৈদিক শব্দকোষত সন্নিৱিষ্ট একাৰ্থক অনেক শব্দ, অনেকাৰ্থক শব্দ তথা অগ্নিৰ পৰা আৰম্ভ কৰি দেৱপত্নী পৰ্যন্ত এশ একচল্লিশ জন দেৱতাৰ নামৰ নিৰ্বচন কৰি দেখুওৱা হৈছে। ব্ৰাহ্মণ গ্ৰন্থ সমূহত বিশেষকৈ কৰ্মকাণ্ডৰ পুংখানুপুংখ ভাৱে বিবেচনা কৰা হৈছে। সেইদৰে আৰণ্যক আৰু উপনিষদ্ সমূহো ঋগ্বেদৰ দাৰ্শনিক সূক্ত সমূহৰ বিশদ বিবেচনা বুলি ক'লেও নিশ্চয় ভুল কোৱা নহ'ব।

বেদ-ব্যাখ্যাৰ এই পৰম্পৰাকে বহন কৰি পৰৱৰ্তী ভাৰতীয় বিদ্বানসকলে বেদৰ ওপৰত ভাষ্য লিখিবলৈ প্ৰাৰম্ভ কৰে। পৰৱৰ্তী পৰ্যায়ত পাশ্চাত্য বিদ্বানসকলেও বেদৰ ওপৰত অনেক ব্যাখ্যা আগবঢ়ায়। এই ভাষ্যকাৰ সমূহক আমি দুটা বৰ্গত ৰাখিব পাৰোঁ— প্ৰাচীন আৰু অৰ্বাচীন ভাষ্যকাৰ।

**প্ৰাচীন ভাষ্যকাৰ তথা সায়ণ ঃ**

প্ৰাচীন ভাষ্যকাৰৰ পৰা ইয়াত তাৎপৰ্য হৈছে মধ্যযুগকালীন ভাষ্যকাৰসকল যি গুপ্তযুগ অথবা পৰৱৰ্তী পৰ্যায়ৰ আছিল। বেদভাষ্যকাৰ বুলি ক'লে প্ৰথমেই নাম আহে সায়ণাচাৰ্যৰ' যি বেদৰ প্ৰায় সকলো প্ৰমুখ গ্ৰন্থৰে ভাষ্য কৰি থৈ গৈছে। এওঁৰ কাল চতুৰ্দশ শতিকা বুলি নিশ্চিত কৰা হৈছে, এওঁ দাক্ষিণাত্যৰ বিজয়নগৰৰ ৰজা বুক্ক আৰু হৰিহৰৰ তত্বাৱধানত চৌব্বিছ বছৰ আছিল। এওঁ নিজ শাখা তৈত্তিৰীয় সংহিতাৰ পৰা ভাষ্য প্ৰণয়নৰ কাম আৰম্ভ কৰে তথা উপনিষদৰ বাহিৰে সংহিতা, ব্ৰাহ্মণ আৰু আৰণ্যক তিনিওতে ভাষ্য ৰচনা কৰে। এওঁৰ ভাষ্যসমূহ হৈছে ক্ৰমশঃ—

সংহিতা— কৃষ্ণযজুৰ্বেদীয় তৈত্তিৰীয় সংহিতা, ঋক্-সংহিতা, সাম সংহিতা,

অথৰ্ব্ব সংহিতা, যজুঃ সংহিতা।

ব্ৰাহ্মণ— ঐতৰেয়, তৈত্তিৰীয়, তাণ্ড্য, ষড়্‌বিংশ, সামৱিধান, আৰ্ষেয়, দেৱতাধ্যায়, ৱংশ আৰু শতপথ।

আৰণ্যক— তৈত্তিৰীয়, ঐতৰেয়।

সকলো প্ৰকাৰৰ মন্ত্ৰৰে এওঁ যজ্ঞপৰক ব্যাখ্যা আগবঢ়াইছে। এওঁৰ বেদভাষ্যসমূহ 'মাধৱীয়' বা 'বেদাৰ্থ-প্ৰকাশ' নামেৰে জনা যায়। সায়ণৰ বাহিৰে অন্য বেদভাষ্যকাৰসকল হৈছে—

ঋগবেদৰ ভাষ্যকাৰ[১] ঃ

বৰ্তমান ঋগ্বেদৰ প্ৰায় পোন্ধৰটা ভাষ্য পোৱা যায়। ইয়াৰ ভিতৰত সায়ণ আৰু স্কন্দস্বামীৰ ভাষ্যহে মাথোন সম্পূৰ্ণ ঋগ্বেদৰ ওপৰত ৰচিত, বাকীবোৰ অংশ বিশেষৰ ওপৰতহে।

৬৮৭ বিক্ৰমাব্দত জীৱিত থকা দাক্ষিণাত্যৰ বলভী-নিৱাসী স্কন্দস্বামীয়েই হৈছে ঋগ্বেদৰ প্ৰাচীনতম ভাষ্যকাৰ। কিন্তু এওঁৰ সম্পূৰ্ণ ভাষ্য এতিয়াও পোৱা নাযায়। নাৰায়ণ আৰু উদ্‌গীথ নামৰ অন্য দুজন ভাষ্যকাৰো স্কন্দস্বামীৰ ভাষ্য-ৰচনাত সহযোগী আছিল। এওঁলোক দুজনেও স্বতন্ত্ৰ ভাষ্য ৰচনা কৰিছিল যদিও সম্পূৰ্ণ ভাষ্য পোৱা নাযায়। শংকৰাচাৰ্যৰ শিষ্য হস্তামলকেও ৭৫৭ বিক্ৰমাব্দত এক ভাষ্য লিখিছিল বুলি জনা যায় যি আজিকোপতি আৱিস্কৃত হোৱা নাই। একাদশ শতাব্দীৰ বেংকমাধৱে 'ঋগৰ্থদীপিকা' শীৰ্ষক টীকা ৰচনা কৰে যি বৰ্তমানো উপলব্ধ। জনশ্ৰুতি মতে লক্ষ্মণ নামক পণ্ডিতেদ্বাদশ শতাব্দীত তথা ধানুষ্কযজ্বা নামৰ পণ্ডিতে ত্ৰয়োদশ শতাব্দীত ভাষ্য ৰচনা কৰে যদিও এতিয়ালৈকে পোৱা হোৱা নহয়। আকৌ আনন্দতীৰ্থ নামৰ ত্ৰয়োদশ শতিকাৰ উত্তৰাৰ্দ্ধৰ পৰা চতুৰ্দশ শতিকাৰ পূৰ্ৱাৰ্দ্ধৰ দ্বৈতাদ্বৈত প্ৰস্থানৰ অনুগামী পণ্ডিত এজনে ঋগ্বেদৰ প্ৰথম চল্লিছটা সূক্তৰ ওপৰত ভাষ্য ৰচনা কৰে। ত্ৰয়োদশ শতিকাৰে আত্মানন্দই অস্যাৱামীয় সূক্তৰ ওপৰত ভাষ্য ৰচনা কৰে। কালিক দৃষ্টিৰে সায়ণ এওঁৰ পিছতেই আহে। সায়ণৰ পিছতেই ৰাৱণ নামৰ এজন পণ্ডিতৰ ভাষ্য পোৱা যায় যি আধ্যাত্মিক-ভাৱেৰে সমৃদ্ধ। পঞ্চদশ শতিকাৰ মুদ্‌গলৰ প্ৰথম অষ্টকৰ আৰু চতুৰ্থ অষ্টকৰ পাঁচোটা অধ্যায়ৰ ওপৰত ভাষ্য পোৱা গৈছে। চতুৰ্বেদস্বামী নামৰ এজন কৃষ্ণভক্তই অংশ বিশেষৰ ওপৰত কৃষ্ণনিষ্ঠ ভাষ্য ৰচনা কৰিছিল যাক কোনো ভাষ্যকাৰেই ভাষ্য হিচাবে স্বীকৃতি দিয়া নাই। দেৱস্বামী নামৰ এজন পণ্ডিতেও এক ভাষ্য লিখিছিল বুলি মহাভাৰতৰ টীকাকাৰ বিমলবোধে কৈছে, কিন্তু তেওঁৰ ভাষ্য অদ্যাপি উপলব্ধ হোৱা নাই।



অৱশেষত ঋগ্বেদৰ ভাষ্যকাৰ ৰূপত আমি পাওঁ স্বামী দয়ানন্দক। এওঁৰ বিষয়ে আগলৈ কোৱা হ'ব।

**কৃষ্ণযজুৰ্বেদৰ ভাষ্যকাৰ ঃ**

কৃষ্ণযজুৰ্বেদৰ তৈত্তিৰীয়-সংহিতাৰ আঠজন ভাষ্যকাৰৰ নাম পোৱা যায়। এওঁলোকৰ ভিতৰত ভৱস্বামীয়েই হৈছে সবাতোকৈ প্ৰাচীন। কিন্তু এওঁৰ ভাষ্য এতিয়া পোৱা নাযায়, কেৱল ভট্টভাস্কৰ ভাষ্যতহে ইয়াৰ উল্লেখ পোৱা যায়। ভৱস্বামীৰে সমসাময়িক গুহদেৱৰো পৰৱৰ্তী বিদ্বানৰ লিখনিত কেৱল উল্লেখহে পোৱা যায়। একাদশ শতিকাৰ ভট্টভাস্কৰ মিশ্ৰৰ 'জ্ঞানযজ্ঞ' শীৰ্ষক ভাষ্য প্ৰকাশিত হৈছে। আনুমানিক চতুৰ্দশ শতিকাৰ ক্ষুৰ নামৰ এজন ভাষ্যকাৰৰ বিষয়েও সায়ণৰ উদ্ধৃতিত জনা যায়। ইয়াৰ পিছতেই আহে সায়ণ। তদন্তৰ পঞ্চদশ শতাব্দীৰ ৱেংকটেশৰ তৈত্তিৰীয় সংহিতাৰ শেষৰ তিনিটা কাণ্ডৰ ওপৰত ভাষ্য পোৱা যায়। বালকৃষ্ণ নামক পণ্ডিতৰ এক ভাষ্যও এই সংহিতাৰ ওপৰত পোৱা যায়। শেষত 'মন্ত্ৰাৰ্থদীপিকা' নামৰ এক অসম্পূৰ্ণ ভাষ্যও পোৱা গৈছে যাৰ ৰচক যোড়শ শতিকাৰ শত্ৰুঘ্ন বুলি কোৱা হৈছে।

**শুক্লযজুৰ্বেদৰ ভাষ্যকাৰ ঃ**

শুক্লযজুৰ্বেদৰ মাধ্যন্দিন সংহিতাৰ ওপৰত ছজনৰ ভাষ্য পোৱা যায়। এই সংহিতাৰ পুৰুষ সূক্তৰ ওপৰত শৌনকৰ ভাষ্য পোৱা গৈছে। এওঁৰ পিছতে উৱটৰ নামেই পোৱা যায়। মহাৰাজ ভোজৰ সমকালীন এওঁৰ স্থিতি একাদশ শতিকাৰ প্ৰথম ভাগত বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। চতুৰ্দশ শতাব্দীৰ কাশ্মীৰী ব্ৰাহ্মণ গৌৰধৰেও 'ৱেদৱিলাস' নামৰ এক টীকা ৰচিছিল বুলি জনা যায়। ৰাৱণৰো ইয়াৰ ওপৰত এক ভাষ্য লিখাৰ কথা জনা যায় যি এতিয়াও উপলব্ধ হোৱা নাই। মাধ্যন্দিনসংহিতাৰ ওপৰতে মহীধৰে 'বেদদীপ' শীৰ্ষক ভাষ্যৰ প্ৰণয়ন কৰে যি মূলতঃ উৱটৰ ভাষ্যৰে বৰ্দ্ধিত ৰূপ। এওঁৰ সময় ষোল্ল শতিকাৰ উত্তৰাৰ্দ্ধ বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। সৰ্বশেষত স্বামী দয়ানন্দৰ ভাষ্য পোৱা যায়।

শুক্লযজুৰ্বেদৰে কণ্ব শাখাৰ[২] প্ৰথম বিশটা অধ্যায়ৰ সায়ণৰ ভাষ্য পোৱা যায়। একেদৰে আনন্দবোধৰ 'কণ্ববেদমন্ত্ৰভাষ্যসংগ্ৰহ'ৰ সম্পূৰ্ণ ভাষ্য পোৱা গৈছে। কণ্ব-সংহিতাৰ ওপৰত দ্বাদশ শতিকাৰ উত্তৰাৰ্দ্ধৰ হলায়ুধৰ 'ব্ৰাহ্মণসৰ্ব্বস্ব' নামৰ ভাষ্য পোৱা যায় যাৰ খণ্ডিত ৰূপ বহু ঠাইত দেখা যায়। ওঠৰ শতিকাৰ অনন্তাচাৰ্যই এই সংহিতাৰ

অন্তিম বিশটা অধ্যায়ৰ ওপৰত লিখা 'ভাৱাৰ্থদীৱিকা' টীকা এতিয়াও উপলব্ধ।

**সামবেদৰ ভাষ্যকাৰ ঃ**

সামবেদৰ কৌথুম-সংহিতাৰ ওপৰত চাৰিটা ভাষ্য পোৱা যায়। ইয়াৰ ভিতৰত প্ৰথম ভাষ্য সপ্তম শতাব্দীৰ মাধৱাচাৰ্যৰ 'বিৱৰণ' নামৰ ভাষ্য পোৱা যায়। ত্ৰয়োদশ শতাব্দীৰ ভৰতস্বামীৰো এক ভাষ্য পোৱা যায় যি এতিয়াও পূৰ্ণৰূপে প্ৰাপ্ত নহয়। সায়ণৰ ভাষ্য এওঁৰ পিছতেই আহে। ইয়াৰ উপৰি গুণবিষ্ণু আৰু সূৰ্যপণ্ডিত নামৰ দুজন ভাষ্যকাৰৰ বিষয়েও শুনা যায়।

**অথৰ্ব্ববেদৰ ভাষ্যকাৰ ঃ**

অথৰ্ব্ববেদৰ (শৌনক সংহিতা)[৭] ওপৰত কেৱল সায়ণৰ ভাষ্যহে পোৱা যায়। সম্ভৱতঃ ইয়াৰ ওপৰত অন্য কোনো ভাষ্য ৰচনা কৰা হোৱা নাছিল।

**অৰ্বাচীন ভাষ্যকাৰ ঃ**

সময় আৰু স্থানভেদে গুৰু-শিষ্যৰ পৰম্পৰাত মুখে মুখে চুলি অহা শ্ৰুতি বা বেদেও কালক্ৰমত বিভিন্ন ৰূপ লয় তথা অনেক শাখাৰ সৃষ্টি হয়। বিষ্ণুপুৰাণ (৩.৪.১৬-২৫), ভাগৱত পুৰাণ (১.৪.২৩.১.১২.৬), কুৰ্ম পুৰাণ (১.৫১) তথা পতঞ্জলিৰ মহাভাষ্যত[৮] উল্লেখ কৰা মতে ঋগ্বেদৰ একৈশটা শাখা, সামবেদৰ এক হাজাৰ শাখা, যজুৰ্বেদৰ এশ এটা শাখা তথা অথৰ্ববেদৰ নটা শাখাৰ উদ্ভৱ হয়। কিন্তু ইয়াৰ ভিতৰত অত্যল্প শাখাৰ বাহিৰে সৰহ সংখ্যকেই কালৰ সোঁতত লোপ পায়। অস্তিত্বত থকা শাখা সমূহ যাতে সুৰক্ষিত কৰি ৰাখিব পাৰি তাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে অহা ঔপনিৱেশবাদী জাৰ্মান আৰু ইংৰাজী ভাষাৰ বিদ্বানসকলে বেদ সমূহৰ ইংৰাজী তথা জাৰ্মান অনুবাদ, টিপ্পণী আদিৰ সৈতে বিভিন্ন সংস্কৰণ ছপা কৰি উলিয়ায়। এই বিদেশী বিদ্বানসকলৰ ভিতৰত ক'ল ব্ৰুক, প্ৰো. ৰাউথ, বৰ্মুফ, ম্যাক্সমূলাৰ, হ্বিটনী, হউফ, ৱেবৰ, ৱিলছন, ৰ'জেন, ৰ'ৱাৰ, ষ্টিৱেন্সন, ল'ন লুইছ, ৱেলেণ্টাইন, কাৱেল, গৰ্ডষ্টাকাৰ, গ্ৰিফিথ, গ্ৰাসমান, লুড্‌বিক, হিলব্ৰাণ্ট, ম্যাকড'নাল্ড, কীথ, অ'ল্ডেনবৰ্গ, ব্লুমফিল্ড, গ্যাল্ডনৰ, গ্ৰীচবৰ্ড, হোগুা, গীল, কেলেন, বেনফে, ষ্টেনকেনো আদিৰ নাম লেখত ল'বলগীয়া। বস্তুতঃ এওঁলোকৰ কোনেও নিজাববীয়াকৈ বেদৰ কোনো ভাষ্য ৰচনা কৰা নাছিল। বৰঞ্চ প্ৰাচীন ভাষ্যকাৰসকলকে আধাৰ হিচাবে লৈ বিভিন্ন বিদেশী ভাষালৈ সেইবোৰৰ অনুবাদ তথা টিপ্পণী আদি কৰিছিল আৰু বহুত প্ৰসংগত তেওঁলোকে ভিন্ন-ভিন্ন



অৰ্থও আগবঢ়াইছিল। এই সকলোকে অৰ্বাচীন ভাষ্যকাৰ বুলি ক'ব পাৰি। এই তালিকাত বহুতো ভাৰতীয় বিদ্বানৰ নামো পোৱা যায় যাৰ ভিতৰত কেৱল দয়ানন্দ সৰস্বতীয়েহে বেদৰ ভাষ্য ৰচনা কৰিছিল। অন্য ব্যাখ্যাকাৰসকলৰ ভিতৰত ঋষি অৰবিন্দ, মধুসূদন মিশ্ৰ, দামোদৰ সাতৱলেকৰ, শ্ৰীৰাম শৰ্মা, বাসুদেৱশৰণ আগৰৱালা, বিশ্ববন্ধু, আৰ. এন. দাণ্ডেকৰ, ক্ষেমকৰণ দাস ত্ৰিবেদী, বি. বি. ভট্টাচাৰ্য আদিৰ নাম লেখত ল'বলগীয়া।

**স্বামী দয়ানন্দৰ জীৱন আৰু কৃতিত্ব ঃ**

স্বামী দয়ানন্দ সৰস্বতীৰ আৱিৰ্ভাৱ হৈছিল ১৮২৪ চনত গুজৰাটৰ টংকাৰাত। তেওঁৰ প্ৰকৃত নাম আছিল মূলশংকৰ। সন্ন্যাস লোৱাৰ পিছত তেওঁ সত্যৰ সন্ধানত বিভিন্ন ঠাই ভ্ৰমণ কৰে তথা ১৮৭৪ চনত প্ৰথম তেওঁ 'সত্যাৰ্থ-প্ৰকাশ' শীৰ্ষক গ্ৰন্থ লিখি উলিয়ায়। ১৮৭৫ চনত তেওঁ আৰ্য-সমাজৰ প্ৰতিষ্ঠা কৰে তথা ১৮৭৭ চনত বেদৰ ভাষ্য লিখাৰ কাম প্ৰাৰম্ভ কৰে। প্ৰথমে তেওঁ চাৰিও বেদৰ ভূমিকা হিচাবে 'ঋগ্বেদাদিভাষ্য ভূমিকা' লিখি উলিয়ায়। তাৰ পিছত শুক্ল-যজুৰ্বেদৰ মাধ্যন্দিন সংহিতাৰ ওপৰত সংস্কৃত ভাষ্যৰ লগতে হিন্দী অনুবাদো লিখি উলিয়ায়। কিন্তু দুৰ্ভাগ্যবশতঃ ঋগ্বেদৰ সপ্তম মণ্ডলৰ দ্বিতীয় সূক্ত পৰ্যন্ত লিখিয়েই ১৮৮৩ চনৰ ৩০ অক্টোবৰ তাৰিখে আজমেৰৰ ৰাজপুতনাত তেওঁ ইহলীলা সম্বৰণ কৰে।

**মহৰ্ষিৰ বেদভাষ্যৰ তাৎপৰ্য[১০] ঃ**

অতবোৰ বেদভাষ্য থকা অৱস্থাত বেদভাষ্য কৰাৰ কিহৰ প্ৰয়োজন আছিল— এই প্ৰশ্ন উঠাটো স্বাভাৱিক। মহৰ্ষিয়ে সেয়ে 'ঋগ্বেদাদিভাষ্য ভূমিকা'ত ইয়াৰ যথোপযুক্ত উত্তৰ আগবঢ়াইছে। বেদ-বিষয়ক যতবোৰ মিথ্যা মান্যতা সেই অসময়ত সৰ্বসাধাৰণৰ মাজত তথা বিদ্বৎ সমাজৰ মাজত প্ৰচলিত হৈ আছিল সেইবোৰ দূৰ কৰিবৰ বাবে মহৰ্ষিয়ে বেদৰ এক নতুন ব্যাখ্যাৰ প্ৰয়োজন অনুভৱ কৰে। উদাহৰণস্বৰূপে- বৰ্তমান সময়ত সায়ণ-ভাষ্যই অধিক প্ৰচলিত। কিন্তু সায়ণ মন্ত্ৰৰ প্ৰতিপাদ্য মুখ্য দেৱতাৰ প্ৰসংগতেই মৌন। ফলত পাঠক সন্দেহৰ আৱৰ্ততে সোমাই ৰয় যে বস্তুতঃ সায়ণে মন্ত্ৰৰ অৰ্থ কি ক'ব খুজিছে। একেদৰেই বেদক অপৌৰুষেয় বুলি স্বীকাৰ কৰি বেদত অনিত্য ইতিহাসক স্বীকৃতি দিয়া, ইন্দ্ৰাদি দেৱতাসকলক ঈশ্বৰ-তুল্য বুলি ভবা, স্বৰ্গ-নৰকাদি লোকৰ অলীক কল্পনা কৰা, ঈশ্বৰক সাকাৰ বুলি স্বীকাৰ কৰি জড়-পূজা বা মূৰ্তি-পূজা আদিৰ মান্যতা ইত্যাদি অনেক মিথ্যা

মান্যতা সায়ণৰ ভাষ্যত অন্য ভাষ্যকাৰৰ ভাষাত পোৱা যায়। মিথ্যা মান্যতা সমূহৰ খণ্ডনৰ বাবে মহৰ্ষিয়ে নিজৰ ভাষ্যত প্ৰাচীন ঋষিসকলৰ শৈলীকে অৱলম্বন কৰিছে য'ত যথাক্ৰমে মন্ত্ৰাৰ্থভূমিকা, মূলমন্ত্ৰ, পদচ্ছেদ, প্ৰমাণৰ সৈতে মন্ত্ৰৰ প্ৰত্যেক পদৰ অৰ্থ, অন্বয় আৰু ভাৱাৰ্থ বা মন্ত্ৰৰ প্ৰয়োজন উল্লেখ কৰা হৈছে।[১১] মহৰ্ষিয়ে ভাষ্যৰ যি মূল লক্ষণ[১২], অৰ্থাৎ যি মূলত নাই তথা যাৰ কোনো আৱশ্যকতা নাই তাক ভাষ্যত ক'ব নালাগে, তাৰ সমগ্ৰ ভাষ্যত সুচাৰুৰূপে অনুগমন কৰিছে। ফলত মিথ্যা অলীক কল্পনাসমূহৰো এওঁৰ ভাষ্যত স্থান নাই। এওঁ নিজৰ ভাষ্যত দেৱতাবাচক সকলো শব্দৰ অৰ্থ পৰমেশ্বৰ কৰিছে। কোনো কোনো ঠাইত এওঁ স্বীকৃত পদপাঠ ত্যাগ কৰি নিজৰ স্বতন্ত্ৰ পদপাঠ কৰিছে। অনেক ঠাইত অন্য দেৱতাৰো তেওঁ কল্পনা কৰিছে।

**মহৰ্ষি দয়ানন্দৰ ভাষ্যত নৈতিক শিক্ষা ঃ**

মহৰ্ষি দয়ানন্দকৃত বেদভাষ্য পাৰমাৰ্থিক আৰু ব্যাৱহাৰিক— এই অৰ্থদ্বয়পৰক দৃষ্টিগোচৰ হয়। ইয়াৰে ব্যৱহাৰিক পক্ষক যদি নৈতিক পক্ষ বুলিও কওঁ, সেয়া অতিৰঞ্জন নহ'ব।

এইখিনিতে আমাৰ মনত এটা প্ৰশ্ন উত্থাপিত হয় যে— নৈতিকতা নো কাক কয়? সংস্কৃতৰ 'নীতি' শব্দটিৰ পৰা নৈতিকতা শব্দটি নিষ্পন্ন হৈছে। তথা 'নীতি'— শব্দটি 'নী'— ধাতুত 'ক্তিন'-প্ৰত্যয় লগলাগি নিষ্পন্ন হৈছে। 'নী'-ধাতুটিৰ অৰ্থ হৈছে— বহন কৰা, লৈ যোৱা। যি লৈ যায়, সিয়েই হৈছে নীতি। নীতিয়ে নো আমাক ক'লৈ লৈ যায়? নিশ্চয় তললৈ নহয়, বৰঞ্চ নীতিয়ে আমাক ওপৰলৈ লৈ যায়, উন্নতিৰ পথত লৈ যায়। তদুপৰি, কেৱল ব্যক্তিগত উন্নতিৰ সাধন কৰাকে নীতি বুলিব নোৱাৰি, ব্যক্তিৰ লগতে সমাজ তথা ৰাষ্ট্ৰকো বিকাশৰ পথত লৈ যোৱাটোহে প্ৰকৃততে নীতি বুলি ক'ব পাৰি।

মহৰ্ষিয়ে বেদৰ ব্যাখ্যা মণ্ডল আৰু অষ্টক দুয়োটা ক্ৰমত কৰিছে। তথা প্ৰত্যেক মন্ত্ৰৰ ভাষ্য লিখি অন্তত তাৰ এটা ভাৱাৰ্থ দিবলৈ প্ৰয়াস কৰিছে। ইয়াত কিছু দৃষ্টান্তৰ সৈতে সিহঁতৰ ভাৱাৰ্থৰ নৈতিকতাৰ ওপৰত আলোকপাত কৰাৰ এক সমুচিত প্ৰয়াস কৰা হৈছে।

সখায় আ নি ষীদত সৱিতা স্তোম্যো নু নঃ। দাতা ৰাধাংসি শুংভতি।[১৩] (ঋগ্বেদ)

এই মন্ত্ৰটিৰ ভাৱাৰ্থত মহৰ্ষিয়ে কৈছে যে পৰস্পৰ মিত্ৰভাৱৰ অবিহনে মানুহ



কেতিয়াও সুখী হ'ব নোৱাৰে। গতিকে, প্ৰত্যেক মনুষ্যই এজন আনজনৰ বন্ধু হৈ জগদীশ্বৰ বা অগ্নিময় সূৰ্যাদিৰ গুণৰ উপদেশ দি বা শুনি সুখী হ'বৰ বাবে সেইবোৰৰ পৰা উপকাৰ গ্ৰহণ কৰিব লাগে।[১৪]

ইয়াত এটা কথা ধ্যাতব্য যে কেৱল ব্যষ্টি-সুখৰ কথা নকৈ নিজৰ লগতে আনকো সুখৰ ভাগী কৰাৰ যি দৃষ্টি মহৰ্ষিয়ে প্ৰদান কৰিছে, সেয়া নৈতিক-শিক্ষাৰ বাহিৰে আৰু কি হ'ব পাৰে। সুখৰ একাকীত্বৰ নিষেধ কৰি সমষ্টিত্বৰ প্ৰতিপাদন কৰাটো বিদেশী-আক্ৰান্ত ভাৰতীয় ঐক্য-নিৱন্ধন হেতু কল্যাণপ্ৰদেই আছিল।

তদ্বিপ্ৰাসো বিপন্যৱো জাগৃৱাংসঃ সমিন্ধতে। বিষ্ণোৰ্যত্পৰমং পদম্।।[১৫]

এই মন্ত্ৰৰ প্ৰসংগত মহৰ্ষিয়ে কৈছে যে যি মনুষ্যই অবিদ্যা আৰু অধৰ্মাচৰণৰূপ নিদ্ৰা ত্যাগ কৰি বিদ্যা আৰু ধৰ্মাচৰণত জাগি আছে, তেৱেঁই সচ্চিদানন্দৰূপে, সকলো ফালৰ পৰা উত্তম, সকলোৰে বাবে প্ৰাপ্য, নিৰন্তৰ-সৰ্বব্যাপী বিষ্ণু অৰ্থাৎ জগদীশ্বৰক লাভ কৰে।[১৬]

ইয়াতো বিদ্যা আৰু ধৰ্মাচৰণৰ তাৎপৰ্য নৈতিকতাতেই পৰ্যৱসিত হয়, যাৰ জৰিয়তে জগদীশ্বৰৰূপ উত্তমোত্তম পদ-প্ৰাপ্তিৰ কথা কোৱা হৈছে। ইয়াৰ উপৰি, এই সূক্তৰে পূৰ্বৰ এক মন্ত্ৰত ইয়াকো কোৱা হৈছে যে পুৰুষ তথা স্ত্ৰী নিজৰ সমান বিদ্যা-গুণ-কৰ্ম-স্বভাৱৱানৰ সৈতে বিবাহ কৰি সকলো ধৰণৰ কৰ্ম সম্পন্ন কৰি সদায় আনন্দিত হৈ থাকিব লাগে।[১৭] ইয়াত ধৰ্মাচৰণৰূপ কৰ্ম সম্পাদন কৰিবৰ বাবে পতি-পত্নীৰ সাহচৰ্যৰ কথা কোৱা হৈছে, যাৰ সৈতে পতি-পত্নীৰ প্ৰগতিৰ লগতে পৰিয়ালৰ প্ৰগতি, তথা সেই একে ক্ৰমত সমাজ তথা ৰাষ্ট্ৰৰ প্ৰগতিও জড়িত হৈ আছে। উক্ত কথাটিৰ তাৎপৰ্য এয়ে যে পতি-পত্নীৰ প্ৰগতি একপক্ষীয় নহয়, উভয়পক্ষীয়হে। ধাৰণ কৰিব পৰাৰ সামৰ্থ্য থকা যিটো, সিয়েই নীতি হৈ ব্যক্তিৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰলৈকে সকলোকে পোহৰৰ দিশে আগুৱাই লৈ যায়।

মৰুত্বন্তং হৱামহ ইন্দ্ৰমা সোমপীতয়ে। সজূৰ্গণেন তৃম্পতু।।[১৮]

এই মন্ত্ৰৰ প্ৰসংগত মহৰ্ষিয়ে কৈছে যে সহকাৰী পৱনৰ অবিহনে অগ্নি কেতিয়াও প্ৰজ্বলিত হ'বলৈ সমৰ্থ নহয়, আৰু সেই বিজুলীৰূপ অগ্নিৰ অবিহনে কোনো পদাৰ্থৰে বৃদ্ধি সম্ভৱ নহয়। এই কথা প্ৰত্যেক মনুষ্যই জনা উচিত।[১৯]

যদিও মহৰ্ষিয়ে উক্ত মন্ত্ৰটিৰ সম্পূৰ্ণ বৈজ্ঞানিক ব্যাখ্যা কৰিছে, তথাপি এই বৈজ্ঞানিকতাতো নৈতিকতা সম্পূৰ্ণৰূপে ঘটে। পৱন আৰু অগ্নিৰ সম্বন্ধ পূৰ্বোক্ত পতি-পত্নীৰ সম্বন্ধৰ সমানেই দ্যোতিত হয়, যি পৰস্পৰ-সাহচৰ্যৰ ওপৰত অৱলম্বিত। পৱনৰূপী পত্নীৰ অবিহনে অগ্নিৰূপ পতিয়ে বৃদ্ধি-প্ৰাপ্তি কৰিব নোৱাৰে,

তথা সেই অগ্নিৰে বিস্তাৰ বিজুলীৰূপ সমাজৰ বৃদ্ধি অবিহনে এখন ৰাষ্ট্ৰৰ বৃদ্ধি বা প্ৰগতিও সম্ভৱ নহয়। সেয়ে ঋগ্বৈদিক-কালৰ পিছৰছোৱাত নাৰীৰ যি ধাৰ্মিক অধিকাৰ বলেৰে কাঢ়ি লোৱা হৈছিল, তাৰেই পুনঃপ্ৰতিষ্ঠাৰ নিমিত্তে নাৰীৰ অৰ্ধাংগিণীত্বৰ উদ্‌ঘোষণা কৰিলে যি নৈতিক-উন্নতিৰ আধাৰস্তম্ভ হ'ল।

আ পূষঞ্চিত্ৰবৰ্হিষমাঘৃণে ধৰুণং দিৱঃ। আজা নষ্টং য়থা পশুম্।।[20]

যিদৰে পশুপালকে অনেক কাম কৰি গৰু আদি পশুক পুষ্ট কৰি সিহঁতৰ গাখীৰ আদি পদাৰ্থৰে মানুহক সুখী কৰে, সেইদৰে এই সূৰ্যলোকেও বিচিত্ৰ লোকেৰে যুক্ত আকাশ তথা তাত থকা পদাৰ্থসমূহক নিজৰ কিৰণ আৰু আকৰ্ষণ-শক্তিৰে পুষ্ট কৰি সকলো প্ৰাণীক সুখী কৰে।[21]

ইয়াতো উপমান আৰু উপমেয়ৰ ৰূপত পশুপালক আৰু সূৰ্যলোক উভয়ৰে কৰ্মৰ নৈতিকতা দেখুৱাই মনুষ্যক তদনুগামী হ'বলৈ প্ৰেৰিত কৰাই মহৰ্ষিৰ উদ্দেশ্য বুলি বোধ হয়। বস্তুতঃ সত্যবচন, অহিংসা-পালন, সকলোৰে প্ৰতি প্ৰেম আদিতেই নৈতিকতাৰ পৰিধি বান্ধি ৰাখিব নোৱাৰি। এই সকলো নৈতিক আচৰণ বস্তুতঃ নৈতিক কৰ্মৰ ওপৰতেই আধাৰিত, নৈতিক কৰ্মৰেই ফলৰূপ শুভ-সংস্কাৰ হে মাত্ৰ। নিজৰ কৰ্ম সুচাৰুৰূপে নিৰ্বাহ কৰি যদি কোনোৱে নিজৰ লগতে সমুখৰ জনকো পুষ্ট কৰিছে, তেন্তে সেয়েই হ'ব নৈতিক কৰ্ম।

আলোচ্যমান মন্ত্ৰতো এই কথা ধ্বনিত হয় যে পশুপালকে নিজৰ বৃদ্ধিৰ লগতে গৰু আদি পশুৰো বৃদ্ধি কৰে তথা পশুৰ গাখীৰ আদি পদাৰ্থৰে অন্য মনুষ্য আদিৰো পুষ্টি বৃদ্ধি কৰায়। ইয়াতকৈ আৰু অধিক নৈতিকতা নো কি হ'ব পাৰে।

**'সত্যাৰ্থ প্ৰকাশ'ত নৈতিক শিক্ষা ঃ**

এয়া আছিল মহৰ্ষিয়ে ভাষ্য কৰা গোটাচেৰেক বেদমন্ত্ৰত নিহিত নৈতিকতাৰ ছবি। এতিয়া মহৰ্ষিকৃত 'সত্যাৰ্থ-প্ৰকাশ'ত সূক্ষ্ম প্ৰকাশ বিচ্ছুৰিত কৰাটো নিতান্তই বাঞ্ছনীয়।

এই গ্ৰন্থখনিৰ ঈশ্বৰনামব্যাখ্যা প্ৰসংগত মহৰ্ষিয়ে এঠাইত কৈছে— 'তিজ্' (নিশান বা চোকা অৰ্থত) ধাতুৰ পৰা 'তেজঃ' শব্দটি আৰু তাত তদ্ধিত- প্ৰত্যয় যোগ কৰাৰ পিছত 'তৈজস্' শব্দটো নিষ্পন্ন হয়। স্বয়ংপ্ৰকাশ হোৱাৰ বাবে আৰু সূৰ্যাদি তেজস্বী লোকক প্ৰকাশ কৰা বাবে ঈশ্বৰক 'তৈজস্' বুলি কোৱা হয়।[22] ইয়াত তেওঁকেই ঈশ্বৰ আখ্যা দিয়া হৈছে যি নিজক প্ৰকাশ কৰাৰ লগতে সম্পূৰ্ণ জগতকো নিজৰ আলোকেৰে আলোকিত কৰে। কথাখিনিৰ তাৎপৰ্য এয়ে যে প্ৰত্যেক মনুষ্যই স্ব-কৰ্মেৰে বিকশিত হওক তথা ৰাষ্ট্ৰকো বিকাশৰ পথত আগুৱাই



লৈ যাওক।

এই ঈশ্বৰনামব্যাখ্যা প্ৰসংগতেই মহৰ্ষিয়ে অত্যন্ত বিদ্বত্তা আৰু চতুৰতাৰে ব্ৰহ্মাণ্ডৰ সকলোবোৰ তত্ত্বক সিহঁতৰ ব্যুৎপত্তিগত অৰ্থৰে ঈশ্বৰ অৰ্থত প্ৰয়োগ কৰি দেখুৱাইছে। যেনে— সৰ্বপ্ৰকাশক অগ্নি, বিজ্ঞানস্বৰূপ মনু, সৰ্বপালক প্ৰজাপতি, পৰম ঐশ্বৰ্যৱান ইন্দ্ৰ, জীৱনমূল প্ৰাণ, নিৰন্তৰ-ব্যাপক ব্ৰহ্ম, জগত-প্ৰকাশক বিৰাট, জগত-ধাৰক বায়ু, অৱিনাশী আদিত্য, সৰ্বস্নেহী মিত্ৰ, সৰ্বশ্ৰেষ্ঠ বৰুণ, সৰ্বনিয়ন্তা অৰ্য়মা, অনন্ত পৰাক্ৰমশালী উৰুক্ৰম, সৰ্ব-আচ্ছাদক কুবেৰ, বিস্তাৰক পৃথিৱী, তাড়নকৰ্তা তথা সংযোগ-বিভাগকৰ্তা জল, দুষ্টক কন্দুৱা ৰুদ্ৰ, আহ্লাদক চন্দ্ৰ, সৰ্বমঙ্গলকৰ্তা মঙ্গল, বোধকৰ্তা বুধ, পৱিত্ৰকৰ্তা শুক্ৰ, ধৈৰ্যৱান শনৈশ্বৰ, দুষ্টক ত্যাগ কৰা ৰাহু, নিৰাময়কতা কেতু, দাতা-গ্ৰহীতা হোতা, ধাৰক-ৰক্ষক-সুখদাতা বন্ধু, সকলোৰে উন্নতি কামনা কৰা পিতা-মাতা, সকলোৰে বৃদ্ধি কৰোৱা ব্ৰহ্মা, ম্লেচ্ছাচাৰ-দুষ্কামনা-বিষয়ভোগৰ পৰা পৃথক নিৰঞ্জন ইত্যাদি ইত্যাদি। এইদৰে সকলোবোৰ তত্ত্বক ঈশ্বৰ সিদ্ধ কৰি মহৰ্ষিয়ে সেই সেই তত্ত্বৰ গুণবোৰ গ্ৰহণপূৰ্বক নৈতিক-শিক্ষাৰ নিমিত্তে এক মহনীয় পথ দেখুৱাই থৈ গৈছে। বেদভাষ্যতো তেওঁ সকলো তত্ত্বৰ স্বৰূপ জানি আৰু তাক ব্যৱহাৰ কৰিবলৈ তথা নিজৰ প্ৰত্যেকটো কৰ্ম সম্পাদন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। তদুপৰি, সকলো স্থলতে ঈশ্বৰ-সত্তাৰ সিদ্ধি নৈতিকতা ৰক্ষা কৰাত লাভদায়ক প্ৰতিপন্ন হয়।

শিশু-শিক্ষাৰ প্ৰসংগত মহৰ্ষিয়ে কৈছে যে মাকৰ পৰা সন্তানে যিমান উপদেশ আৰু উপকাৰ পায়, সিমান আৰু কাৰোপৰা নাপায়। শিশুৰ নৈতিকতা-শিক্ষা বস্তুতঃ তাৰ জন্ম সময়ৰ পৰাই আৰম্ভ হৈ যায় যাৰ মূল দায়িত্ব মাকৰেই হয়। মহৰ্ষিৰ শব্দত ক'বলৈ গ'লে—শিশুক মাকে সদায় উত্তম-শিক্ষা দিব লাগে, যাৰ ফলত শিশু সভ্য হয় আৰু কোনো অংগৰে কুচেষ্টা কৰিবলৈ নাপায়। শিশুৱে যেতিয়াৰ পৰা কথা ক'বলৈ আৰম্ভ কৰে তেতিয়া মাকে এনেকুৱা ব্যৱস্থা ল'ব লাগে যাতে শিশুটিৰ জিভাই কোমল ভাৱে উচ্চাৰণ কৰে।— যেতিয়া শিশুৱে অলপ-অচৰপ কথা ক'বলৈ ধৰে আৰু বুজিবলৈ সমৰ্থ হয়, তেতিয়া সুন্দৰ বাণীৰ প্ৰয়োগ আৰু জ্যেষ্ঠ, কনিষ্ঠ, মান্য, পিতা-মাতা, ৰজা, বিদ্বান আদিৰ সৈতে কিদৰে বাৰ্তালাপ কৰিব লাগে তথা উঠা-বহা কৰিব লাগে তাৰো শিক্ষা দিয়াটো উচিত।[23] এইদৰে শিশুক প্ৰাৰম্ভিক নৈতিক-শিক্ষা দিয়াৰ দায়িত্ব সম্পূৰ্ণৰূপে মাকক প্ৰদান কৰা হৈছে যাতে শিশুৱে কেতিয়াও বাণীৰে হিংসা কৰিবলৈ সুযোগ নাপায়। বাণী যিমানেই হিংসিত হ'ব, মনো সিমানেই কলুষিত হ'ব। নৈতিকতা পালনৰ বাবে মনৰ শুদ্ধি

অত্যন্ত আৱশ্যক।

এই প্ৰসংগতে মহৰ্ষিয়ে এই পৰামৰ্শও আগবঢ়াইছে যে মাতা, পিতা, আচাৰ্য, বিদ্বান, অতিথি, ৰজা-প্ৰজা, জ্ঞাতি-কুটুম, বন্ধু, ভগিনী, ভৃত্য আদিৰ সৈতে কেনেদৰে ব্যৱহাৰ কৰা উচিত তাৰ মন্ত্ৰ, শ্লোক, সূত্ৰ, গদ্য, পদ্য আদি অৰ্থৰ সৈতে কণ্ঠস্থ কৰাই শিক্ষা দিব লাগে। ধৰ্মবিৰোধী ভ্ৰান্তিৰ জালত পেলাব পৰা কথাবোৰবো জ্ঞান দিয়া উচিত যাতে শিশু তেনে কাৰ্যৰ পৰা বিৰত থাকে।[২৪] আজি কালিৰ মাক-দেউতাকে নিজৰ সন্তানক অপ্ৰাসংগিক কথাৰ পৰা দূৰত ৰাখিবলৈ প্ৰয়াস কৰে, যিটো বস্তুতঃ ঠিক নহয়। যেতিয়ালৈকে শিশুৱে বেয়াটোক নাজানিব, তেতিয়ালৈকে ভাল আৰু বেয়াৰ মাজৰ পাৰ্থক্য কেনেকৈ কৰিব।

তৃতীয় সমুল্লাসৰ অন্তত মহৰ্ষিয়ে স্ত্ৰী আৰু শূদ্ৰজাতিৰ বাবে বেদাধ্যয়নৰ অধিকাৰ শ্ৰুতিপ্ৰমাণপূৰ্ব্বক প্ৰতিপন্ন কৰিছে; সি ৰাষ্ট্ৰৰ নৈতিক-প্ৰগতিৰ বাবে এক অত্যন্ত সাহসিক পদক্ষেপ আছিল। যেতিয়ালৈকে ৰাষ্ট্ৰৰ গৰিষ্ঠ-সংখ্যক লোক শিক্ষাৰ পৰা বঞ্চিত থাকিব, তেতিয়ালৈকে ৰাষ্ট্ৰৰ স্বতন্ত্ৰতা তথা সৰ্বতোমুখী বিকাশৰ কল্পনা কৰাটো দুৰূহ। তেনে অৱস্থাত ৰাষ্ট্ৰৰ সকলোতকৈ লঘু সংস্থা কিন্তু প্ৰথম চৰণ পৰিয়ালতেই ন্যূনতা অহাটো অত্যন্ত স্বাভাৱিক।

চতুৰ্থ সমুল্লাসত যদিও মহৰ্ষিয়ে চৌৱিছ বছৰীয়া কন্যা আৰু আঠচল্লিশ বছৰীয়া পুৰুষৰ মাজৰ বিবাহক সৰ্বোত্তম বুলি কৈছে যিটো বৈজ্ঞানিক দৃষ্টিৰে সৰ্বথা অনুচিত প্ৰতীত হয়, তথাপি ঊনৈশ শতিকাৰ প্ৰাৰম্ভিক অৱস্থাত তৎকালীন সমাজত তড়িৎ গতিৰে প্ৰচলিত বাল্য বিবাহৰ সৰ্বথা নিষেধ কৰি নৱজাগৰণৰ সূচনা কৰিছিল। যি বয়সত শৰীৰ-মন সম্পূৰ্ণৰূপে পুষ্ট নহয়, শিশুৰ খেলা-ধূলাৰ সময়, সেই বয়সত গৃহস্থী চম্ভলা তথা সন্তান উৎপন্ন কৰাটোক নিশ্চয় ৰাষ্ট্ৰক বহন কৰিব পৰা নীতি বুলি ক'ব নোৱাৰি।

নৱম সমুল্লাসত বন্ধন আৰু মোক্ষৰ প্ৰসংগত মহৰ্ষিয়ে কৈছে— পৰমেশ্বৰৰ আজ্ঞা পালন কৰিলে, অধৰ্ম-অবিদ্যা-কুসঙ্গ-কুসংস্কাৰ আদিৰ পৰা আঁতৰত থাকিলে, সত্যকথন-পৰোপকাৰ-বিদ্যা-পক্ষপাতৰহিত ন্যায়-ধৰ্মৰ বৃদ্ধি কৰিলে, পূৰ্বোক্ত প্ৰকাৰেৰে পৰমেশ্বৰৰ স্তুতি-প্ৰাৰ্থনা আৰু উপাসনা অৰ্থাৎ যোগাভ্যাস কৰিলে, অধ্যয়ন-অধ্যাপন কৰিলে তথা ধৰ্মত থাকি শ্ৰম কৰি জ্ঞানৰ বিকাশ সাধিলে, সৰ্বোত্তম সাধনৰ প্ৰয়োগ কৰিলে আৰু যিয়েই কৰা হয় তাক পক্ষপাতৰহিত হৈ ন্যায়োচিত কৰিলে মোক্ষ বা মুক্তি, আৰু তাৰ বিপৰীতে ঈশ্বৰৰ আজ্ঞা ভংগ আদি কাম কৰিলে বন্ধন হয়।[২৫] মহৰ্ষিৰ উক্ত কথনৰ পৰা এই কথাই প্ৰতীত হয় যে



মোক্ষ নৈতিকতা-পালনৰ বাহিৰে আন একো নহয়। এই প্ৰসংগতেই মহৰ্ষিয়ে মুক্তিৰ অৱস্থাতো আনন্দ-প্ৰাপ্তিৰূপে ভোগ স্বীকাৰ কৰিছে যি নৈতিকতা-পালনৰেই ফলস্বৰূপ।

দশম সমুল্লাসত আচাৰ-অনাচাৰৰ প্ৰসংগত মহৰ্ষিয়ে কৈছে— যি যি কৰ্ম কৰিলে সংসাৰৰ উপকাৰ হয়, সেই সেই কৰ্ম কৰা আৰু হানিকাৰক কৰ্ম ত্যাগ কৰাটোৱেই মানুহৰ কৰণীয় কৰ্ম। কেতিয়াও নাস্তিক, লম্পট, বিশ্বাসঘাতক, চোৰ, মিছলীয়া, স্বাৰ্থপৰ, কপট, ঠগ মানুহৰ লগ ল'ব নালাগে। সত্যবাদী, ধৰ্মাত্মা, পৰোপকাৰপ্ৰিয় জনৰ সংগ লোৱাটোৱেই হৈছে শ্ৰেষ্ঠ আচৰণ।[২৪]

**উপসংহাৰ ঃ**

এইদৰে দেখা যায় যে ভাৰতীয় সভ্যতাৰ আধাৰভুত চাৰি বেদে সমাজখনক সুসংবদ্ধ কৰি ৰখাত বিশেষ অৰিহণা আগবঢ়াই আছে, আৰু সেয়েহে ভাৰতীয় আৰু অভাৰতীয় অনেক ভাষ্যকাৰ তথা টীকাকাৰে ইয়াৰ অনেক ব্যাখ্যা প্ৰস্তুত কৰি উলিয়াইছে। তাৰে ভিতৰত মহৰ্ষি দয়ানন্দ সৰস্বতীৰ বেদভাষ্যই বিশেষ স্থান দাবী কৰিব পাৰে। তেওঁৰ ভাষ্য হৈছে নৈতিকতাভিত্তিক। নৈতিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিয়ে তেওঁ ভাষ্য প্ৰস্তুত কৰি উলিয়াইছে। ৰেদভাষ্যৰ যোগেদি তেওঁৰ ধৰ্মাৰ্থকামমোক্ষৰূপ চতুবৰ্গক একমাত্ৰ নৈতিকতাত পৰ্যৱসিত কৰিছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

**পাদ-টিপ্পনী ঃ**

১. বেদৰ পৰিচয়, যোগীৰাজ বসু
২. ঐ, পৃ.১৩২-৩৯
৩. ঐ পৃ.১৩৯-৪০
৪. ঐ, পৃ.১৪১-৪২
৫. ঐ.পৃ.১৪২-৪৩
৬. ঐ, পৃ.১৪৩-৪৪
৭. ঐ, পৃ.১৪৫
৮. ব্যাকৰণ-মহাভাষ্য, পৃ.৫০
৯. ব্ৰিটানিকা, তৃতীয় খণ্ড, পৃ.১১৯
১০. ঋগ্বেদাদিভাষ্যভূমিকা, উপক্ৰমণিকা

১১. মন্ত্ৰাৰ্থভূমিকা হ্যত্ৰ মন্ত্ৰস্তস্য পদানি চ। পদাৰ্থন্বয়ভাৱাৰ্থাঃ ক্ৰমাদ্ বোধ্যা ৱিচক্ষণৈঃ।

১২. নামূলং লিখ্যতে কিঞ্চিৎ নানপেক্ষিতমুচ্যতে

১৩.ঋগ্বেদ. ১.৫.২২.৮

১৪. ঋগ্বেদ-ভাষ্যম্. পৃ.২৪

১৫. ঋগ্বেদ, ১.৫.২২.২১

১৬. ঋগ্বেদ-ভাষ্যম্, পৃ.৩৯-৪০

১৭. ঐ, ১.৫.২২.১১, পৃ.২৮

১৮. ঋগ্বেদ, ১.৫.২৩.৭

১৯. ঋগ্বেদ-ভাষ্যম্, পৃ.৪৭

২০. ঋগ্বেদ, ১.৫.২৩.১৩

২১. সত্যাৰ্থ-প্ৰকাশ, পৃ.২১

২৩. ঐ, পৃ.৩৪

২৪. ঐ, পৃ.৩৪

২৫. ঐ, পৃ.১৯৬

২৬. ঐ, পৃ. ২১৫-১৬

**সহায়ক গ্ৰন্থসূচী ঃ**

১. মীমাংসক, যুধিষ্ঠিৰ, ঋগ্বেদ-ভাষ্যম্, দ্বিতীয় ভাগ, চৌধুৰী প্ৰতাপসিংহ, কৰনাল, ১৯৭৩

২. ঋগ্বেদাদিভাষ্যভূমিকা, আৰ্য সাহিত্য প্ৰচাৰ ট্ৰাষ্ট, ১৯৮৭

৩. সত্যাৰ্থ-প্ৰকাশ, আৰ্য সাহিত্য প্ৰচাৰ ট্ৰাষ্ট, ৭৪তম সংস্কৰণ, ২০১০

৪. ঋগ্বেদ-সংহিতা, নাগ পাব্লিকেশন্স, দিল্লী, ১৯৯৪

৫. বেদৰ পৰিচয়, যোগীৰাজ বসু, অসম প্ৰকাশ পৰিষদ, গুৱাহাটী,১৯৭২

৬. গোলোক চন্দ্ৰ গোস্বামী, ব্যাকৰণ-মহাভাষ্য (পস্পশাহ্নিক,), অসম ভাষা-বিজ্ঞান সমিতি, গুৱাহাটী, ১৯৯৬

৭. সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, থানেশ্বৰ শৰ্মা, চন্দ্ৰ প্ৰকাশ, টিহু, ১৯৯৫

৮. ব্ৰিটানিকা এনচাইক্লোপেডিয়া, তৃতীয় ভাগ

# আত্মানং ৰথিনং বিদ্ধি

**ৰূপম গগৈ**

পঞ্চম ষাণ্মাসিক,সংস্কৃত বিভাগ, ডিব্ৰু কলেজ

প্ৰত্যেক বেদৰ তিনিটা ভাগ... সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। সংহিতা ভাগত স্তুতি, মন্ত্ৰ আদি সন্নিবিষ্ট আছে। ব্ৰাহ্মণ গ্ৰন্থত মন্ত্ৰৰ বিভিন্ন ভাগৰ ব্যাখ্যা পোৱা যায়। আৰণ্যক গ্ৰন্থত বাণপ্ৰস্থী জীৱন -যাপন কৰা মানুহৰ কৰ্মবিধান প্ৰতিপাদন আৰু উপনিষদ গ্ৰন্থত মন্ত্ৰবোৰৰ দাৰ্শনিক ব্যাখ্যা লাভ কৰা যায়। এই চমু প্ৰৱন্ধত কেৱল মাত্ৰ অথৰ্ববেদীয় উপনিষদৰ ভিতৰত অন্যতম, মুণ্ডক উপনিষদ আৰু কৃষ্ণ যজুৰ্বেদীয় উপনিষদ কঠোপনিষদৰ অন্তৰ্গত আত্মা সম্পৰ্কীয় কিছু কথা আৰু মানৱ জীৱনৰ ব্ৰহ্মত্ব লাভৰ বিষয়ে সামান্য আভাষ দিবলৈ প্ৰয়াস কৰা হৈছে।

উপনিষদৰ অৰ্থ হৈছে যি বিদ্যাই মানুহৰ অজ্ঞানতাক নিশ্চিত ভাৱে দূৰ কৰি পৰম জ্ঞানৰ সন্ধান দিয়ে। ইয়াৰ আন এটা নাম ৰহস্য বিদ্যা। আত্ম তত্ত্ব বা ব্ৰহ্ম তত্ত্ব, মোক্ষ বা মুক্তি তত্ত্বৰ বিষয়ে য'ত সমূচিত জ্ঞান সঞ্চিত কৰি ৰাখিছে সেইয়াই উপনিষদ। উপনিষদ বেদৰ অন্তিম ভাগ।

উপনিষদত বিভিন্ন বিষয়ৰ লগতে জীৱন, ব্ৰহ্ম আৰু আত্মাৰ বিষয়ে সুন্দৰ আৰু বিস্তৃত আলোচনা পোৱা যায়। সকলো জীৱনেই আচলতে ক্ষন্তেকীয়া—'সৰ্বং জীৱিতম্ অল্পম্ এব '(কঠোপনিষদ ।১।১।২৬)। মানুহ ধন সম্পত্তিৰে সন্তুষ্ট হ'ব নোৱাৰে— 'ন বিত্তেন তৰ্পণীয়ো মনুষ্যো' (কঠোপনিষদ ।১।১।২৭)। প্ৰকৃতপক্ষে কামনা বাসনা ত্যাগেই মুক্তিকামী ব্যক্তিৰ প্ৰধান সোপান। যি কামনা ত্যাগ কৰিছে তেওঁৰেই হৈছে 'পূৰ্ণকাম' বা 'পৰ্যাপ্তকাম' বা 'কৃতাত্মা'। কৃতাত্মা শব্দৰ অৰ্থ হৈছে যি আত্মাক লাভ কৰিছে বা সমস্ত অবিদ্যা দূৰ হৈ যাৰ আত্মা স্বৰূপ প্ৰতিষ্ঠিত হৈছে। যাৰ মনটো লক্ষ্যত স্থিৰ হৈছে তেওঁৰ এই পৃথিৱীতেই আৰু এই দেহতেই সমস্ত কামনাৰ লোপ হয়—'সৰ্বে কামাঃ প্ৰবিলীয়ন্তি' (মুণ্ডক উপনিষদ। ৩।২।২)।

আমি নিজৰ মনটো উচিত লক্ষ্যত স্থিৰ কৰি একাগ্ৰচিত্তে কৰ্মত মগন হোৱাই

শ্ৰেয়। কাৰণ আত্মাক বলহীনে লাভ কৰিব নোৱাৰে—'নায়মাত্মা বলহীনেন লভ্যো' (মুণ্ডক উপনিষদ। ৩।২।৪)। সদৃশ ভাৱধাৰা এই উপনিষদৰে অন্য এঠাইতো লাভ কৰা যায়—'নায়মাত্মা প্ৰৱচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন। য়মেবৈষ বৃণুতে তেন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে তনুং স্বাম্। (মুণ্ডক উপনিষদ। ৩।২।৩)। অৰ্থাৎ, আত্মাক প্ৰবচনৰ দ্বাৰা লাভ কৰিব নোৱাৰি, মেধাৰ দ্বাৰাও লাভ কৰিব নোৱাৰি অথবা বহুবিধ শাস্ত্ৰ অধ্যয়নৰ দ্বাৰাও লাভ কৰা নাযায়। কিন্তু যি সাধকে এই অত্মাক বৰণ কৰে, তেওঁৰ দ্বাৰাই আত্মা প্ৰাপ্তি হয়। সেই সাধকৰ ওচৰত এই আত্মাই নিজৰ স্বৰূপ অৰ্থাৎ পাৰমাৰ্থিক স্বৰূপ প্ৰকাশ কৰে।

ব্ৰহ্মজ্ঞান যেতিয়া মানুহৰ অন্তৰত প্ৰতিষ্ঠিত হয়, তেতিয়াই মনৰ পৰা সমস্ত কামনা-বাসনা আঁতৰি যায়। ইয়াত দেহৰ বিনাশৰ বাহিৰে একো নাথাকে। অৰ্থাৎ দেহ বিনাশৰ পূৰ্বেই মনৰ পৰা সমস্ত দুশ্চিন্তা আঁতৰি যায়। কঠোপনিষদত আত্মাক আকৌ ৰথস্বামী বা ৰথৰ গৰাকী বুলি কৈছে—'আত্মানং ৰথিনং বিদ্ধি শৰীৰং ৰথমেৱ তু। বুদ্ধিং তু সাৰথিং বিদ্ধি মনঃ প্ৰগ্ৰহমেব চ' (কঠোপনিষদ ১।৩।৩)। অৰ্থাৎ, আত্মাক ৰথস্বামী আৰু শৰীৰক ৰথ বুলি জানিবা। আকৌ বুদ্ধিক ৰথচালক আৰু মনক লেকাম বুলি জানিবা। আত্মা, বুদ্ধি, শৰীৰ আৰু মনক লৈ কৰা এনে পৰ্য্যালোচনা প্ৰকৃততেই অতি গভীৰ অথচ সুন্দৰ।

যি ব্যক্তিয়ে আত্ম জ্ঞান লাভ কৰি ব্ৰহ্মত্ব লাভ কৰে তেনে ব্যক্তি কেতিয়াও মৃত্যুক লৈ চিন্তিত নহয়। কাৰণ তেওঁলোকৰ দৃষ্টিত মৰণশীল মানুহ শস্যৰ দৰে জীৰ্ণ হৈ মৰে আৰু শস্যৰ দৰেই পুনঃ জন্ম লাভ কৰে—'সস্যমিৱ মৰ্ত্যঃ পচ্যতে সস্যমিবাজায়তে পুনঃ' (কঠোপনিষদ ১।১।৬)। জন্ম আৰু মৃত্যুৰ এই পৌনঃপুনিকতা গতিশীল চকাৰ শলা বিলাকৰ দৰে। সেয়েহে আত্ম তত্ত্বৰ জৰিয়তে ব্ৰহ্মজ্ঞান লাভ কৰিবলৈহে উপনিষদে নিৰ্দেশ কৰিছে। সংসাৰৰ এনে অসাৰতা আৰু আত্ম জ্ঞানৰ সাৰস্বৰূপতা লক্ষ্য কৰিয়েই শংকৰাচাৰ্যই 'মোহমুদ্গৰ' গ্ৰন্থত কৈছে—'বয়সি গতে কঃ কামবিকাৰঃ। শুষ্কে নীড়ে কঃ কাসাৰঃ। ক্ষীণে বিত্তে কঃ পৰিবাৰো। জ্ঞাতে তত্ত্বে কঃ সংসাৰঃ' (মোহমুদ্গৰ। ২)।

প্ৰসংগপঞ্জী

১। মুণ্ডকোপনিষদ ঃ সঃ স্বামী ভূতেশানন্দ
২। কঠোপনিষদ ঃ সঃ স্বামী গম্ভীৰানন্দ
৩। মোহমুদ্গৰ ঃ শংকৰাচাৰ্য্য। সঃ ডঃ ৰাজেন্দ্ৰ নাথ শৰ্মা
৪। গীতা ঃ অসমীয়া অনুবাদ ঃ মহেন্দ্ৰ বৰা

DIBRU COLLEGE LIBRARY
DIBRUGARH
DATE DUE
This book is to be returned to this Library on or before the date last stamped below. An over-due charge as per Library rules will be charged if the book is kept over-time.

# ডিব্ৰু কলেজত সংস্কৃত সম্ভাষণ চক্ৰ

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ অক্টোবৰ ঃ যোৱা ১৬ ছেপ্টেম্বৰৰপৰা ২৬ ছেপ্টেম্বৰলৈ ডিব্ৰুগড় মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত সৰল সংস্কৃত সম্ভাষণ পাঠ্যক্ৰমৰ দশম চক্ৰটি অনুষ্ঠিত হৈ যায়। পাঠ্যক্ৰমত পাঠদান কৰে ৰাষ্ট্ৰীয় সংস্কৃত সংস্থানৰ প্ৰশিক্ষক অনন্ত চেতিয়াই। ২৬ ছেপ্টেম্বৰৰ পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° পৰেশ বৰুৱাই সংস্কৃত ভাষাৰ বৈজ্ঞানিক তত্ত্বসমূহৰ সন্দৰ্ভত আলোকপাত কৰে। প্ৰশিক্ষক চেতিয়াই সংস্কৃত ভাষা অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্ম-সংস্থাপনৰ বিভিন্ন দিশসমূহ আলোচনা কৰি এই ভাষা অধ্যয়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। ইফালে, সামৰণি অনুষ্ঠানত সংস্কৃত ভাষাতেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মনোভাব ব্যক্ত কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# डिब्रू महाविद्यालय में सरल संस्कृत संभाषण पाठ्यक्रम

डिब्रूगढ़, २१ सितंबर । ▲ विशेष संवाददाता

दस दिवसीय सरल संस्कृत संभाषण पाठ्यक्रम चलाया गया। इसमें सोलह छात्र-छात्राओं ने भाग लिया। डिब्रू महाविद्यालय के संस्कृत विभाग की ओर से संस्कृत विभाग की अध्यक्ष प्रो. अदिति बरुवा ने व्यक्तिगत रूप से रूचि दिखाते हुए सरल संस्कृत संभाषण पाठ्यक्रम का आयोजन किया। इसमें प्रशिक्षक के रूप में अनंत चेतिया ने छात्र-छात्राओं को संस्कृत वाचन का प्रशिक्षण दिया। महाविद्यालय के प्राचार्य डा. परेश कुमार बरुवा ने संस्कृत वाचन के प्रशिक्षण कार्यक्रम की प्रशंसा करते हुए कहा कि संस्कृत भारत की ही नहीं, विश्व की श्रेष्ठ भाषा है। वैज्ञानिकों ने भी इसकी महत्ता को स्वीकार किया है। उन्होंने कहा कि पिछले दस वर्षों से इस तरह के पाठ्यक्रम का आयोजन संस्कृत विभाग करता आ रहा है, यह विभाग की उपलब्धि है। दस दिवसीय सरल संस्कृत संभाषण पाठ्यक्रम में भाग लेने वाले प्रतिभागियों को प्रमाण पत्र भी दिए गए। महाविद्यालय के उपाचार्य प्रो. राजू तामूली सइकिया ने भी कहा कि संस्कृत सभी भाषाओं की ... है। समापन समारोह में उपस्थित छात्रों में वीरेन सइकिया ...

# ডিব্ৰু মহাবিদ্যালয়ত সৰল সংস্কৃত সম্ভাষণ চক্ৰ সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ ডিব্ৰু মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ উদ্যোগত সৰল সংস্কৃত পাঠ্যক্ৰমৰ দশম চক্ৰ অনুষ্ঠিত হৈ যায়। এই প্ৰশিক্ষণত পাঠদান কৰে অনন্ত চেতিয়াই। ১৬-২৬ ছেপ্টেম্বৰত অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণিৰ দিনা আয়োজিত অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ পৰেশ বৰুৱাই সংস্কৃত ভাষাত নিহিত হৈ থকা বিভিন্ন বৈজ্ঞানিক তত্ত্বসমূহৰ ওপৰত আলোকপাত কৰে। প্ৰশিক্ষক অনন্ত চেতিয়াই ভাষণ প্ৰদান কৰি সংস্কৃত ভাষাৰ বিভিন্ন দিশসমূহৰ ওপৰত আলোকপাত কৰাৰ লগতে সংস্কৃত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত মুকলি হৈ থকা কৰ্মক্ষেত্ৰখনৰ বিষয়েও আলোচনা কৰে। সভাত অংশগ্ৰহণকাৰীক মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ তৰফৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়।